● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**



মোৰ দুৰ্বলতা বুলি ধাৰণা কৰা কিবা এটালৈ যদি মোক ঠেলি দিয়া তেন্তে তুমি ধাৰণা কৰা সেই দুৰ্বলতাক মই মোৰ শক্তিলৈ ৰূপান্তৰ কৰো।

মাইকেল জৰ্ডান
*আমেৰিকান বাস্কেটবল তাৰকা*

৭ ৰন্ধন গেছৰ মূল্য এপ্ৰিলত দুগুণ বৃদ্ধিৰ শংকা
১৫ আঘাতৰ বাবে বাহিৰ পেচাৰ দীপক
৪ বৃহৎ ব্যৱসায়ীৰ স্বাৰ্থত পৰিৱেশ ধ্বংসৰ ৰাজনীতি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩৬তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১০ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৩ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 23 February 2022 মূল্য ঃ ৯.০০ টকা

■ পশ্চিমীয়া দেশৰ সাৱধানবাণীক উপেক্ষা কৰি ইউক্ৰেইনৰ দুই অঞ্চলক স্বাধীনৰূপে ঘোষণা পুটিনৰ ■ মস্কোৰ বিৰুদ্ধে বিভিন্ন নিষেধাজ্ঞা জাৰি আমেৰিকাসহ কে'বাখনো শক্তিশালী দেশৰ

# দুই লাখ সেনাৰে যুদ্ধলৈ অগ্ৰসৰ ৰাছিয়া



**অতিৰিক্ত সেনা নিয়োগ কৰিলে নাটোৱে ■ সীমান্তত যুদ্ধৰ আখৰাত পৰিস্থিতি জটিল**

■ নিউজ ব্যুৰ'
মস্কো, ২২ ফেব্ৰুৱাৰী ঃ বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে ৰাছিয়া-ইউক্ৰেইনৰ সংঘাতে। দীৰ্ঘদিন ধৰি প্ৰকাশিত আশংকা সত্য প্ৰমাণিত কৰি অনতি পলমে ৰাছিয়াই ইউক্ৰেইনত আগ্ৰাসন চলোৱাটো অৱশ্যম্ভাৱী হৈ উঠিছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ



বাহিনীৰ প্ৰৱেশ ঘটিছে। পুটিনে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ক শান্তিৰক্ষা অভিযানৰ নামত এই অঞ্চল দুটাত পৃথক পৃথক নিৰ্দেশৰ জৰিয়তে সামৰিক বাহিনী প্ৰেৰণৰ নিৰ্দেশ দিছে। ইয়াকে কেন্দ্ৰ কৰি বৃহৎ যুদ্ধৰ সূচনা হ'ব বুলি পশ্চিমীয়া দেশসমূহে আশংকা প্ৰকাশ কৰিছে।

পুটিনে পূব ইউক্ৰেইনৰ বিচ্ছিন্নতাবাদী অঞ্চলক স্বাধীন ঘোষণা কৰাৰ লগে লগে আশংকা বৃদ্ধি পাইছে। পশ্চিম ইউক্ৰেইনৰ দুই বিচ্ছিন্নতাবাদী অঞ্চলত ৰাছিয়াৰ সামৰিক

ইউক্ৰেইনৰ দুই ৰাছিয়াপন্থী অঞ্চলক স্বাধীন ঘোষণা কৰাৰ এই পদক্ষেপৰ বিৰুদ্ধে ইতিমধ্যে পশ্চিমীয়া দেশসমূহে সতৰ্কবাণী প্ৰেৰণ কৰিছিল। এই সতৰ্কবাণীক *১০ পৃষ্ঠাত চাওক*

## এশ টকাৰ উৎকোচ লৈ তেজপুৰত গ্ৰেপ্তাৰ হ'ল কৰ্মচাৰী

পূৰ্বৰ পৰাই দুৰ্নীতিত জড়িতৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** সতীৰ্থ কৰ্মচাৰীৰ পৰাই মাত্ৰ এশ টকাৰ উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল তেজপুৰৰ স্বাস্থ্য বিভাগৰ এজন কৰ্মচাৰী। মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষৰ এক অভিযানত আজি শোণিতপুৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক ভূপেন *১০ পৃষ্ঠাত চাওক*


## বিশিষ্ট বামপন্থী বুদ্ধিজীৱী বিজনলাল চৌধুৰীৰ দেহাৱসান



**বিশেষ সংবাদদাতা**
**বৰপেটা, ২২ ফেব্ৰুৱাৰী ঃ** বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, প্ৰগতিশীল লেখক বৰপেটা দহাটী নিবাসী বিজনলাল চৌধুৰী (৮২)ৰ আজি নিশা বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। দীৰ্ঘদিন ধৰি অসুস্থতাত ভুগি থকা চৌধুৰী কিছুদিন পূৰ্বে ক'ভিডত আক্ৰান্ত হৈছিল। বিদ্ৰোহী *ছয় পৃষ্ঠাত চাওক*

**আমি শিৰনত নকৰো ■ হুংকাৰ দিও মিত্ৰ দেশক আবেদন ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ**

## ভাঙি যোৱা ছোভিয়েট প্ৰজাতন্ত্ৰ পুনৰ গঢ়ি তুলিব বিচাৰিছে পুটিনে



**■ নিউজ ব্যুৰ'**
**কিয়েভ, ২২ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ বিৰুদ্ধে সতৰ্কবাণী প্ৰেৰণ কৰিছে ইউক্ৰেইনে। ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কিয়ে সকীয়নি দি কয় যে ইউক্ৰেইনে শান্তি বজাই ৰাখিব বিচাৰে। কূটনৈতিক আলোচনাৰ মাজেৰে সমাধানৰ অগ্ৰগতি বিচাৰে; কিন্তু কোনোমতে ৰাছিয়াৰ হাতত নিজ ভূখণ্ড তুলি দিয়া নহ'ব বুলি আজি জেলেনস্কিয়ে হুংকাৰ দিয়ে। পশ্চিমীয়া দেশৰ সতৰ্কবাণী উপেক্ষা কৰি ৰাছিয়াই ইউক্ৰেইনৰ ৰুছ সমৰ্থিত দুটা অঞ্চল স্বাধীন ঘোষণা কৰাক লৈ দুই দেশৰ মাজত যুদ্ধৰ সম্ভাৱনা *১০ পৃষ্ঠাত চাওক*

## ইউক্ৰেইন দখল কৰিবলৈ ৰাছিয়া কিয় অধীৰ হৈছে

কাৰ লাভ কাৰ ক্ষতি? পুটিনৰ বিৰুদ্ধে ৰোষ

**■ নিউজ ব্যুৰ'**
**কিয়েভ, ২২ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইন সীমান্তত ইতিমধ্যে ৰাছিয়াই প্ৰায় দুই লাখ সেনা নিয়োগ কৰি যুদ্ধৰ বাবে প্ৰস্তুতিকে দৰ্শোৱা বুলি আমেৰিকাই পূৰ্বতে সতৰ্ক কৰি দিছিল। ৰাছিয়াৰ এনে পদক্ষেপৰ ফলত কি হ'ব পাৰে? ইয়াৰ ফলত কোন লাভৱান হ'ব আৰু কোন হ'ব ক্ষতিগ্ৰস্ত? ২০১৪ত ইউক্ৰেইনৰ নিয়ন্ত্ৰণৰ পৰা নিজকে মুক্ত বুলি ঘোষণা কৰা ডনবাছ অঞ্চলত *১০ পৃষ্ঠাত চাওক*

■ ব্যৱসায়ী অৱদেশ যাদৱৰ হত্যাকাৰীয়ে এৰি যোৱা দুচকীয়া বাহনৰ মূল ক্ৰেতাসহ তিনিজনক আটক ■ চিচি টিভিৰ ফুটেজত ধৰা পৰিল হত্যাৰ সময়ছোৱা ■ বুকুত দুটাকৈ গুলিৰ আঘাত

**পৰিয়ালক গতাই দিয়া হ'ল মৃতদেহ ■ ঘাতকৰ দলে ব্যৱহাৰ কৰিছিল পইণ্ট ২২ পিষ্টল**

## নিহত ব্যৱসায়ীৰ দুই ভ্ৰাতৃকো পূৰ্বেই হত্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** মহানগৰীৰ পল্টনবজাৰ আৰক্ষী থানাৰ পৰা কেইশ মিটাৰমান নিলগৰ ছাত্ৰীবাৰীত যোৱা নিশা দুজনীয়া ঘাতকৰ দলে নিচেই ওচৰৰ পৰা ফাঁচীবজাৰৰ এজন ব্যৱসায়ীক গুলীয়াই হত্যা কৰা ঘটনাৰ আজি দ্বিতীয় দিনাও চাঞ্চল্য অব্যাহত আছে। যোৱা নিশা ৮.২৮ বজাত ছাত্ৰীবাৰীৰ পুৰণা ফায়াৰ বিগ্ৰেড পথত থকা গোপাল মেনছন নামৰ এপাৰ্টমেণ্টৰ সন্মুখত দুচকীয়া বাহনত অহা দুৰ্বৃত্তই ব্যৱসায়ী অৱদেশ যাদৱ (৪৫)ক গুলীয়াই হত্যা কৰি পলায়ন কৰাৰ সমগ্ৰ দৃশ্য এপাৰ্টমেণ্টটোৰ চি চি টিভি কেমেৰাত বন্দী হৈছে। আততায়ীৰ গুলিত নিহত ব্যৱসায়ীজনৰ বুকুৰ সোঁমাজত এটা আৰু বুকুৰ বাওঁ ফালে এটা অৰ্থাৎ দুটা গুলিৰ চিহ্ন পোৱা গৈছে বুলি আৰক্ষীয়ে সদৰী কৰিছে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত আজি বিয়লি ব্যৱসায়ীজনৰ মৃতদেহ পৰিয়ালক গতাই দিয়ে আৰক্ষীয়ে। এই ঘটনা কোনে কি উদ্দেশ্যে সংঘটিত কৰিলে স্পষ্ট হোৱা নাই যদিও *ছয় পৃষ্ঠাত চাওক*

## গুজৰাটৰ পৰা তামুলপুৰৰ শিশুসহ আঠজনক উদ্ধাৰ

ৰাজ্যত অব্যাহত মানৱ সৰবৰাহৰ ঘটনা

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ/ৰঙিয়া, ২২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত অব্যাহত আছে মানৱ সৰবৰাহৰ ঘটনা। এনে মানৱ সৰবৰাহকাৰীৰ কবলত পৰি গুজৰাটত বিগত ছমাহ ধৰি দুৰ্গতি ভোগ কৰা শিশু-যুৱতীসহ আঠজনক অৱশেষত উদ্ধাৰ কৰা হৈছে। সশস্ত্ৰ সীমা বল (এছএছবি)ৰ *১০ পৃষ্ঠাত চাওক*

**ফাঁচীবজাৰত ব্যৱসায়ীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী চৰকাৰক**

## নিৰাপত্তা ক'ত? ব্যৱসায়ীক হত্যাৰ পাছতে আৰক্ষীলৈ প্ৰশ্ন কৰি প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** উত্তৰ-পূবৰ বাণিজ্যিক কেন্দ্ৰৰূপে পৰিচিত মহানগৰীৰ ফাঁচীবজাৰৰ এজন ব্যৱসায়ীক যোৱা নিশা ঘৰৰ সন্মুখতে দুজনীয়া দুৰ্বৃত্তৰ দলে নিচেই ওচৰৰ পৰা গুলীয়াই হত্যা কৰি পলায়ন কৰাৰ পাছতে চৰম নিৰাপত্তাহীনতাত ভুগিছে ব্যৱসায়ীসকল। জনবহুল অঞ্চলটোত *১০ পৃষ্ঠাত চাওক*

## অস্বাভাৱিক হাৰত মূল্যবৃদ্ধি পাটসূতাৰ ঃ তীব্ৰ প্ৰতিবাদ শুৱালকুছিত

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২২ ফেব্ৰুৱাৰী ঃ** শুৱালকুছিৰ বজাৰ চ'কত আজি শিপিনীসকলে পাটসূতাৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ প্ৰতিবাদত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদী শিপিনীসকলে হাতে হাতে প্লেকাৰ্ড লৈ 'পাটসূতাৰ মূল্য তৎকালে হ্ৰাস কৰক', 'চৰকাৰে আৰ্টফেডৰ জৰিয়তে ৰেহাই মূল্যত পাট যোগানৰ ব্যৱস্থাৰ পুনৰ মূল্যায়ন কৰক', 'এদিনত ২০ খন কাৰ্ডতত ৰেহাই মূল্যৰ পাট যোগানৰ নীতিৰ পৰিৱৰ্তে পৰ্যাপ্ত পৰিমাণৰ পাটসূতা দিয়াৰ ব্যৱস্থা কৰক', *১০ পৃষ্ঠাত চাওক*

**চিকিৎসা বিজ্ঞান-অভিযান্ত্ৰিক পাঠ্যক্ৰম আদিত সৰ্বাধিক জালিয়াতি**

গাঁওবুঢ়া-লাটমণ্ডল-মৌজাদাৰ-চক্ৰ বিষয়াৰ কাৰ্যালয় জড়িতৰ তথ্য

## জালিয়াতিৰে অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ সংগ্ৰহ

তদন্ত প্ৰক্ৰিয়াত আছে বহু গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰে বিগত ২০১৯ৰ পৰা শিক্ষা আৰু চাকৰিত অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে আসন সংৰক্ষণ কৰাৰ পাছৰে পৰা ইয়াক লৈ ব্যাপক অনিয়ম সংঘটিত হৈ আহিছে। এনে অনিয়মক লৈ কে'বাটাও গোচৰ সম্প্ৰতি আৰক্ষী আৰু আদালতত অনুসন্ধান তথা বিচাৰাধীন হৈ আছে। এনে সময়তে এইবাৰো উত্থাপিত হৈছে একে অভিযোগ। সম্প্ৰতি চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমৰ নামভৰ্তি চলি আছে। অভিযান্ত্ৰিক পাঠ্যক্ৰমৰো নামভৰ্তি শীঘ্ৰে আৰম্ভ হ'ব। এই ধৰণৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰতে *১০ পৃষ্ঠাত চাওক*

■ বিত্তমন্ত্ৰী সীতাৰমণৰ হস্তক্ষেপ বিচাৰিলে আগশাৰীৰ উদ্যোগপতিসকলে ■ বেচৰকাৰী খণ্ডত মহিলাৰ বাবে সংৰক্ষণ বিচাৰে নেকি ঃ প্ৰশ্ন বিত্ত সচিবৰ ■ ক'ভিডৰ পাৰ্শ্বক্ৰিয়াৰ ফল


## দেশত উদ্বেগজনক বৃদ্ধি মহিলা নিবনুৱাৰ



**হ্ৰাস পাইছে মহিলা কৰ্মচাৰী ■ বাংলাদেশ-শ্ৰীলংকাতকৈও হাৰ কম**

**■ নিউজ ব্যুৰ'**
**মুম্বাই, ২২ ফেব্ৰুৱাৰী ঃ** ক'ভিড প্ৰতিৰোধৰ বাবে ঘোষণা কৰা তলাবন্ধৰ প্ৰথম আঘাততে অফিচ-কাৰখানা বা উপাৰ্জনৰ ক্ষেত্ৰত মহিলা শ্ৰমিক-কৰ্মচাৰীৰ হাৰ বহুলাংশে হ্ৰাস পাইছিল। তাৰ পাছত কিছু পৰিমাণে বাঢ়িছিল যদিও এতিয়াও ইয়াৰ হাৰ আশাপ্ৰদ নহয়। ভাৰতত এতিয়াও চাকৰিৰ বজাৰত মহিলা কৰ্মচাৰীৰ অনুপাত বাংলাদেশ-শ্ৰীলংকাৰ দৰে দেশৰ তুলনাতো বহু কম। ইয়াৰ সমান্তৰালকৈ মহিলাসকলৰ মাজত নিবনুৱাৰ হাৰো যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। এই বিষয়ত সম্প্ৰতি উদ্বেগ প্ৰকাশ কৰিলে দেশৰ উদ্যোগ মহলে।

আজি দেশৰ উদ্যোগপতিসকলে এই বিষয়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সন্মুখত উদ্বেগ ব্যক্ত কৰি এই বিষয়ত চৰকাৰৰ হস্তক্ষেপ বিচাৰে। বাজেটৰ পাছত আজি বিত্তমন্ত্ৰী *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৫° | ১২° |
| ডিব্ৰুগড় | ২৩° | ১০° |
| দিল্লী | ২৬° | ১৬° |
| কলকাতা | ২৯° | ১৮° |
| মুম্বাই | ৩১° | ২১° |
| চেন্নাই | ৩২° | ২৪° |
| বাংগালুৰু | ৩২° | ১৭° |
| শ্বিলং | ১৬° | ০৭° |

*২২ জানুৱাৰী, ২০২২*

**চেঙা তেল**



*মন্ত্ৰী-এমএলএ হ'ব নোৱাৰিলো, এইবাৰ দেখোন ৱাৰ্ড মেম্বাৰ হোৱাৰ সপোনবো মুদা মৰিল!*

## মাজুলীৰ উপ-নিৰ্বাচন ঃ ২২শ নতুন ভোটাৰ

মুঠ ভোটাৰ ১.৩৩ লাখ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰীঃ** সমাগত মাজুলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ১,৩৩,২২৭জন ভোটাৰে নিৰ্ণয় কৰিব সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা তিনি প্ৰাৰ্থীৰ ভাগ্য। উল্লেখ্য যে *১০ পৃষ্ঠাত চাওক*

**■ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজিত জনতা-আৰক্ষীৰ মাজত হতাহতি**

কামাখ্যা গেটত স্কুটী আৰোহীক মহটিয়াই আন দুখন বাহনত খুন্দিয়ালে

## মহানগৰীত বিলাসী বাহনৰ খুন্দাত স্কুটী আৰোহীৰ থিতাতে মৃত্যু, আহত তিনি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** এক ভয়ংকৰ পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি আজি উত্তপ্ত হৈ পৰে মহানগৰীৰ কামাখ্যা গেট অঞ্চল। কামাখ্যা-ভৰলু অভিমুখী এখন তীব্ৰ বেগী বিলাসী বাহনে নিয়ন্ত্ৰণ হেৰুৱাই দুখন দুচকীয়া বাহন আৰু এখন চাৰিচকীয়া বাহন *১০ পৃষ্ঠাত চাওক*



**সোণাপুৰৰ টোলগেটত জিএনএলএৰ তিনি প্ৰাক্তন উগ্ৰপন্থীক গ্ৰেপ্তাৰ**

## চাৰে তিনি লাখেৰে নকল ১৫ লাখ টকা ক্ৰয় কৰি আৰক্ষীৰ জালত তিনি



*জালনোটসহ ধৃত লোক তিনিজন, মঙলবাৰে।*



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** পূব গুৱাহাটী আৰক্ষী জিলা আৰু মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই আজি যৌথভাৱে চলোৱা এক অভিযানত বৃহৎ পৰিমাণৰ নকল টকাসহ তিনি সৰবৰাহকাৰীক *১০ পৃষ্ঠাত চাওক*

## গুৱাহাটীলৈ শীঘ্ৰে স্থানান্তৰ হ'ব অইলৰ মুখ্য কাৰ্যালয় ঃ তেলীৰ ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** 'দীৰ্ঘদিনীয়া প্ৰতিবাদ-আন্দোলনৰ পাছত ৰাজ্যবাসীয়ে লাভ কৰিবলৈ সক্ষম হৈছে আন এক সু-খবৰ। এমাহৰ ভিতৰত অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যালয় স্থানান্তৰ হ'ব অসমলৈ। গুৱাহাটীৰ বামুণীমৈদামত স্থাপন হ'ব স্থায়ী কাৰ্যালয়টো। *ছয় পৃষ্ঠাত চাওক*

**নিশাৰ ভিতৰত গঢ়ি উঠা উপাসনাস্থলীকো অসম দৰ্শনৰ পুঁজি ঃ সৰব সত্ৰ মহাসভা**

## সত্ৰক ৰক্ষা কৰিব বিচৰা চৰকাৰৰ সত্ৰকে অৱজ্ঞা, পুঁজিৰ নামত ললীপপ!

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ ফেব্ৰুৱাৰী ঃ** অসমৰ সত্ৰৰ ভূমি উদ্ধাৰৰ বাবে চৰকাৰে তৎপৰতা প্ৰদৰ্শন কৰিলেও অনুদানৰ নামত বৃহৎ খেলিমেলিৰ তথ্য পোহৰলৈ আহিছে। ফলস্বৰূপে অসম সত্ৰ মহাসভাৰ দৰে অনুষ্ঠানেও ক্ষোভ প্ৰকাশ কৰিবলৈ বাধ্য হৈছে। ৰাজ্য চৰকাৰৰ জৰীপ মতে অসমত থকা সত্ৰৰ সংখ্যা ৮৬৪ খন; কিন্তু কথা আৰু কামৰ মাজত পাৰ্থক্য ৰাখি প্ৰতিখন চৰকাৰে সত্ৰক সহায়ৰ নামতো ক্ষন্তেকীয়া চমক সৃষ্টিৰ প্ৰৱণতাতহে অগ্ৰাধিকাৰ দিছে। ইয়াৰ ফলত সত্ৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ১০ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৩ ফেব্ৰুৱাৰী ২০২২

# শিশু উন্নয়ন আৰু বাজেট

যোৱা ২০১৪ৰ পৰা এতিয়ালৈকে বিজেপি চৰকাৰৰ শাসন কালত কেন্দ্ৰীয় বাজেটত শিশুৰ উন্নয়নৰ বাবে নিৰ্ধাৰিত পুঁজিৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। শিক্ষা, পৰিপুষ্টি, স্বাস্থ্য সুৰক্ষা, উন্নয়ন আদি শিশুৰ উন্নয়নৰ বাবে প্ৰায় ১২ টাৰো অধিক মন্ত্ৰণালয়ৰ বাজেট ২০১৪ৰ তুলনাত বৰ্তমান প্ৰায় অৰ্ধেক হৈছে।

শিশুৰ অধিকাৰ সুৰক্ষা প্ৰতিষ্ঠানসমূহে বাজেট বিশ্লেষণ কৰি পাইছে যে যোৱা ২০১৩-১৪ৰ বাজেট প্ৰাককলন অনুসৰি মুঠ বাজেটৰ ৪.৬ শতাংশ শিশুৰ বিভিন্ন উন্নয়নৰ বাবে ধাৰ্য কৰা হৈছিল। ২০২২-২৩ৰ বাবে যুগুতোৱা বাজেটত শিশুৰ সাৰ্বিক উন্নয়নৰ বাবে ২.৩৫ শতাংশহে ধৰা হৈছে। ইফালে, ২০১৪-১৫ বাজেটৰ পৰা বৰ্তমান বাজেটলৈকে বাজেটৰ মুঠ ধনৰ পৰিমাণ ১১৯.৭৮ শতাংশ বৃদ্ধি পাইছে; কিন্তু শিশুৰ বাবে বাজেটৰ ধন ১৪.৩৭ শতাংশহে বৃদ্ধি পাইছে। উল্লেখ্য যে মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰণালয়ে প্ৰকাশ কৰা নেছনেল প্লেন একচন ফ'ৰ চিলড্ৰেন-২০১৬-এ কেন্দ্ৰীয় বাজেটৰ মুঠ ধনৰ কমেও পাঁচ শতাংশ শিশুৰ উন্নয়নৰ বাবে ৰাখিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে।

যোৱা ২০১৩-১৪ত শিশুৰ বাবে বাজেটত ৪.৬ শতাংশ ধাৰ্য কৰা হৈছিল। ২০১৪-১৫ৰ বাজেটত ধন ৪.৫২ শতাংশলৈ হ্ৰাস পায়। ২০১৫-১৬ৰ বাজেটত ৩.২৬ শতাংশ, ২০১৬-১৭ত ৩.৩২ শতাংশ, ২০১৭-১৮ৰ বাজেটত ৩.৩২ শতাংশ, ২০১৮-১৯ৰ বাজেটত ৩.২৪ শতাংশ, ২০১৯-২০ৰ বাজেটত ৩.২৯ শতাংশ, ২০২০-২১ত ৩.১৬ শতাংশ আৰু ২০২১-২২ৰ বাজেটত এই পৰিমাণ হ্ৰাস পাই ২.৪৬ শতাংশ হয়গৈ। যোৱা ২০২২-২৩ৰ বাজেটখনে শিশু অধিকাৰ কৰ্মী তথা সংগঠনসমূহক অধিক হতাশ কৰি তুলিছে। কিয়নো ক'ভিড-১৯ৰ পৰিপ্ৰেক্ষিতত শিক্ষানুষ্ঠানসমূহত নিয়মীয়াভাৱে শিক্ষাগ্ৰহণ নোহোৱা তথা সুদীৰ্ঘকাল বন্ধ থকাৰ ফলত শিশুৰ সুৰক্ষাৰ বাবে বাজেটত অধিক ধন ধাৰ্য কৰা উচিত আছিল; কিন্তু বাস্তৱত ওলোটাটোহে প্ৰত্যক্ষ কৰা হ'ল। এইবাৰৰ বাজেটত শিশু উন্নয়নৰ বাজেট যথেষ্ট পৰিমাণে হ্ৰাস কৰা হ'ল। গতিকে দেখা গৈছে যে কেন্দ্ৰীয় চৰকাৰে শিশু উন্নয়নৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া নাই।

বাজেটত শিশুৰ উন্নয়নৰ বাবে প্ৰাককলনত যিমান ধন ধাৰ্য কৰা হৈছিল বছৰটোৰ শেষত দেখা যায় যে তাতকৈ বহু কম ধন ব্যয় কৰা হয়। উদাহৰণ স্বৰূপে ক'ব পাৰি যে ২০১৮-১৯ৰ বাজেট প্ৰাককলনত মুঠতে ৭৯,০৮৮.৩৫ কোটি টকা ধাৰ্য কৰা হৈছিল; কিন্তু শেষত ব্যয় কৰা হ'ল ৭৬,১১৪.২১ কোটি টকাহে। ২০১৯-২০ৰ বাজেটত মুঠতে ৯১,৬৪৪.২৯ কোটি টকা ধাৰ্য কৰাৰ বিপৰীতে প্ৰকৃত ব্যয় হয়গৈ ৮০,৪৩৯.৫৮ কোটি টকা। ২০২০-২১ৰ বাজেটতো প্ৰাককলনত ধৰা হৈছিল ৯৬.০৪২.৪৩ কোটি টকা। পিছে ব্যয় কৰা হ'ল ৭৭,৪৮২.০৩ কোটি টকা। আমাৰ দেশত অন্য পশ্চিমীয়া দেশৰ দৰে শিশুৰ বাবে সুকীয়া বাজেট নাই; কিন্তু যোৱা ২০০৮ত তদানীন্তন ইউ পি এ চৰকাৰে বিভিন্ন মন্ত্ৰণালয়ে ৰূপায়ণ কৰা তথা শিশু শিতানত ব্যয় কৰা ধনৰ এক হিচাপ প্ৰকাশৰ প্ৰথা আৰম্ভ কৰে।

অকল শিশু উন্নয়নৰ ক্ষেত্ৰতেই নহয় সামাজিক সুৰক্ষা আঁচনিবোৰৰ ক্ষেত্ৰতো বৰ্তমান চৰকাৰে বাজেটত ধাৰ্য ধনৰ পৰিমাণ হ্ৰাস কৰিছে। বিভিন্ন শিশু অধিকাৰ সংগঠনে আগবঢ়োৱা বিশ্লেষণ অনুসৰি শিশুৰ শিক্ষা আৰু উন্নয়ন শিতানত এইবাৰ বাজেটত যোৱাবাৰৰ ১০.৭ শতাংশৰ তুলনাত মাত্ৰ ৬.১ শতাংশহে ধাৰ্য কৰা হৈছে। এই বিত্তীয় পৰিস্থিতিৰ বিপৰীতে দেখা গৈছে যে দেশত শিশুৰ বিৰুদ্ধে অধিক অপৰাধ সংঘটিত হ'বলৈ ধৰিছে। নেছনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ'ৰে আগবঢ়োৱা পৰিসংখ্যা অনুসৰি পৰিত্যক্ত শিশু তথা ঘাট মাউৰা হোৱা শিশুৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে।

ইফালে, বৰ্তমান স্কুল স্বাভাৱিকভাৱে খুলিবলৈ লোৱাৰ পাছত শিশুসকলক শ্ৰেণীলৈ অনাটো কষ্টসাধ্য হৈ পৰিছে। কিয়নো বহু শিশুৱে ইতিমধ্যে কামত সোমাইছে অথবা শিশু কন্যাৰ ক্ষেত্ৰত অভিভাৱকে বাল্য বিবাহ কৰাবলৈ বাধ্য কৰাইছে। গতিকে চৰকাৰে শিশুৰ উন্নয়নৰ বাবে অধিক ধন বাজেটত ব্যয় নকৰিলে আমাৰ দেশৰ শিশুসকললৈ বিশেষকৈ দৰিদ্ৰ আৰু মধ্যবিত্ত ঘৰৰ শিশুসকলৰ জীৱনলৈ অন্ধকাৰ নামি অহাৰ আশংকা নথকা নহয়।

## খোলা মঞ্চ

# সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নেকি?



সীমাক লৈ ভ্ৰাতৃ সংঘৰ্ষ দুখন গাঁৱৰ, দুখন ৰাজ্যৰ, দুখন দেশৰ অৰ্থাৎ সীমামূৰীয়া ঠাইবিলাকত সময়ে সময়ে দেখা দিয়া সমস্যা। পৃথিৱীৰ এনে এখন দেশ নাই যিখন দেশত সীমাক লৈ সমস্যাৰ সৃষ্টি হোৱা নাই। সীমামূৰীয়া ৰাজ্য বা দেশ মাত্ৰেই এই বিবাদৰ সূত্ৰপাত হয়। কাৰণ দেশ বা ৰাজ্য যেতিয়া জনসংখ্যাৰ ভিত্তিত আৰু ভাষাকেন্দ্ৰিকভাৱে বিভাজন হয় তেতিয়াই ভৌগোলিক সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত ভুল-ত্ৰুটি ৰৈ যায়। শেষত এই ভুল-ত্ৰুটিৰ অস্পষ্ট ছবিখনে সীমামূৰীয়া দেশ বা ৰাজ্যৰ বাসিন্দাসকলৰ মাজত ৰক্তাক্তসদৃশ পৰিৱেশৰ সৃষ্টি হয়।

এতিয়া কথা হৈছে অসমৰ ক্ষেত্ৰত বিবাদৰ বাবে আমি দায়ী কৰিম কাক? অসমেই যে কেৱল দায়ী তাক আঙুলিয়াই দিয়াটো বিশেষ সমীচীন নহ'ব। অসমৰ লগতে ভাগ ভাগ হৈ ওলাই যোৱা চুবুৰীয়া ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰকে সামৰি সকলোবোৰৰে দায়িত্ব আছিল মজবুট সীমা নিৰ্ধাৰণ কৰাটো; কিন্তু সেই সময়ৰ চৰকাৰৰ অমনযোগিতা-অৱহেলা আৰু অদূৰদৰ্শিতাৰ বাবেই সীমান্তৱৰ্তী ৰাজ্যবোৰত ৰক্তাক্ত হৈ থকা দেখা যায়। ভাৰতৰ উত্তৰ-পূব কোণত অৱস্থিত অসমখন এসময়ত বৰ অসম আছিল। ইয়াক উত্তৰ-পূৰ্বাঞ্চল বুলিয়ে জনা যায়। অসম, মেঘালয়, অৰুণাচল, মিজোৰাম, নগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাক সাতভনী বুলি অভিহিত কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ গানত সাতভনীক লৈ সুন্দৰ উপমা আছে। পিছে তেওঁলোকৰ মাজতে ভীষণ আঁৰিয়াআঁৰি, য'ত নেকি প্ৰকাশন যন্ত্ৰয়ো ৰোধ কৰিব পৰা ক্ষমকা থকা সত্ত্বেও বিফল হ'বলগীয়া হয়। অসমৰ সীমান্তৱৰ্তী অসমীয়া বাসিন্দাসকলে চুবুৰীয়া ৰাজ্যৰ বেদখলকাৰীৰ অত্যাচাৰ, উৎপীড়নত অসহনীয় পৰিস্থিতিৰ উদ্ভৱ হয়। ইয়াৰ কাৰণ হৈছে যেতিয়া অসমৰ পৰা এই ৰাজ্যসমূহে স্বীকৃতি লাভ কৰি ওলাই যায়, তেতিয়াই ভৌগোলিকভাৱে মজবুট খুঁটি পুতি সীমা নিৰ্ধাৰণ কৰিব লাগিছিল। কাৰণ অসমৰ পাহাৰুৱা অঞ্চলসমূহ হাবি-জংঘলেৰে ভৰা। গতিকে এই জংগলসমূহ এলাগী হৈয়ে থাকিল; কিন্তু জনসংখ্যা বৃদ্ধিৰ লগে লগে ভূমিৰ সম্প্ৰাসৰণ কৰিব লগা হ'ল। সেয়ে জনসাধাৰণে জধে-মধে পাহাৰ কাটি, জংঘল পৰিষ্কাৰ কৰি সীমা লৈ ভ্ৰূক্ষেপ নকৰি নিজ ইচ্ছামতে কেৱল বসবাসৰ সুবিধাৰ বাবে ঘৰ সাজিলে। এতিয়াহে চৰকাৰেই হওক বা জনসাধাৰণেই হওক অনুতপ্ত হৈছে; কিন্তু এতিয়া কেনেকৈ অবৈধ বেদখলকাৰীক বিতাড়নৰ ব্যৱস্থা কৰিব পাৰি তাৰ চেষ্টাও দুই সীমামূৰীয়া ৰাজ্যৰ মাজত অশান্ত পৰিৱেশৰ সৃষ্টি হয়। ই অসমবাসীৰ কাৰণে অতি দুৰ্ভাগ্যজনক কথা।


এই জ্বলন্ত সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ যথেষ্ট কৰণীয় আছে। সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি আহি উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হোৱা সীমান্তৱৰ্তী অঞ্চলৰ বুজ লৈছিল যদিও সমস্যা সমাধানৰ বাবে দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই, যাৰ বাবে জনসাধাৰণ ক্ষোভিত হ'ব লগা হৈছে। সেয়েহে ক'বলৈ বিচাৰিছো কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ (বৰ্তমানৰ চৰকাৰ) আৰু চুবুৰীয়া ৰাজ্যৰ মাজত চৰকাৰৰ ৰেভিনিউ বিভাগে উচিত তদন্ত কৰি আলাপ-আলোচনাৰ মাজেৰে জটিল সমস্যাক প্ৰশমিত কৰাৰ ব্যৱস্থা কৰিব লাগে। এই সীমান্ত বিবাদৰ জ্বলন্ত সমস্যা বৰ্তমানৰ দক্ষ সম্পন্ন বুদ্ধিদীপ্ত চৰকাৰখনে ৰক্তাক্ত পৰিৱেশৰ পুনৰাবৃত্তি নোহোৱাকৈ সমাধা কৰিব পাৰিব বুলি আমি আশাবাদী।

মীনা তালুকদাৰ, লেখিকা
ফোন ঃ ৮০১১৩৩১০২৫

## ৰাজ্যত বনাঞ্চল ধ্বংস অব্যাহত

# বৃহৎ ব্যৱসায়ীৰ স্বাৰ্থত পৰিৱেশ ধ্বংসৰ ৰাজনীতি

নিউজ স্কেন
গীতাৰ্থ পাঠক



আমাৰ অসমত এতিয়া উন্নয়নৰ নামত গছ কটাৰ ধুম উঠিছে। জু-নাৰেংগীত উৰণীয়া সেতু নিৰ্মাণৰ নামত এশ বছৰীয়া বৃহৎ গছ কাটি পেলোৱাত স্থানীয় জনসাধাৰণ ক্ষুব্ধ হৈ পৰিছে। জু-নাৰেংগী পথত উৰণীয়া সেতুৰ প্ৰয়োজন আছে নে নাই সেয়া সুকীয়া বিষয়। কিন্তু বহুতো ক্ষেত্ৰত গছ-গছনি নকটাকৈয়ে আঁচনি ৰূপায়ণ সম্ভৱ হয়। ন্যূনতম বনাঞ্চল ক্ষতি কৰি সৰ্বাধিক উন্নয়নৰ প্ৰযুক্তি আমাৰ চৰকাৰে লোৱাৰ সলনি সৰ্বাধিক বনাঞ্চল ধ্বংস কৰি ন্যূনতম উন্নয়নৰ নীতিহে গ্ৰহণ কৰা দেখা যায়।

জলবায়ুৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশ্বৰ সৰ্বোচ্চ ক্ষতিগ্ৰস্ত হোৱা দেশৰ তালিকাৰ সাত নম্বৰত আছে ভাৰত। মোদী চৰকাৰে পৰিৱেশ সংৰক্ষণ আইন শিথিল কৰাৰ বাবে সংশোধন আনিছে। তদুপৰি দেশখনত খনিজ পদাৰ্থৰ খনন সহজ কৰাৰ বাবে পৰিৱেশ সংক্ৰান্ত বাধা নিষেধবোৰ আঁতৰোৱাৰ ব্যৱস্থা কৰিছে। এই প্ৰস্তাৱিত খনিসমূহৰ কাষৰ পাহাৰৰ থলুৱা ৰাইজৰ ওজৰ-আপত্তিক কোনো গুৰুত্ব নিদি কৰ্প'ৰেট ব্যৱসায়ীসকলক খনি গতাবলৈ উঠি-পৰি লাগিছে। ১৯৭২ৰ বন্যপ্ৰাণী সংৰক্ষণ আইনৰ সংশোধনী আনিছে যাতে বনাঞ্চলতো বৃহৎ প্ৰকল্প নিৰ্মাণ কৰিব পৰা যায়। গ্ল'বেল ফৰেষ্ট ৱাটছ সংস্থাটোৱে প্ৰকাশ কৰা তথ্য অনুসৰি প্ৰতি বছৰে আমাৰ দেশত কুৰি শতাংশৰো অধিক বননি সংকুচিত হৈ আহিবলৈ ধৰিছে। একেদৰেই বিজেপি চৰকাৰে সংশোধনী আনিছে ১৯৮০ৰ বন সংৰক্ষণ আইনৰ সংশোধনীও আনিছে।

কেন্দ্ৰীয় চৰকাৰে বিভিন্ন প্ৰকল্প তথা আঁচনি ৰূপায়ণৰ নামত এক কোটিতকৈও অধিক গছ কটাৰ প্ৰত্যুত্তৰত কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জাভাড়েকাৰে কৈছিল যে প্ৰতিজোপা গছ কটাৰ বিপৰীতে পাঁচৰ পৰা ১০ জোপা গছ ৰোপণ কৰা হ'ব। গছ-গছনি নাকাটিলে হেনো উন্নয়ন সম্ভৱ নহয়। আমাৰ অসম চৰকাৰেও একেটা কথাই কৈছে যে উন্নয়নৰ বাবে এজোপা গছ কাটিলে ১০ জোপা ৰোৱা হ'ব।

কিন্তু ১০ জোপা গছ ৰুলেই এজোপা পূৰঠ গছ কাটিলে পৰিবেশৰ যি ক্ষতিসাধন হয় তাক সামান্য পৰিমানেও পূৰণ কৰিব নোৱাৰি। ১০ জোপা গছ হ'লেই নহয় তাক চোৱাচিতাও কৰিব লাগিব। আমাৰ দেশত বিশ্ব পৰিৱেশ দিৱসতেই হওক বা আন যিকোনো সময়তেই হওক ৰোৱা গছবোৰৰ ৯৯ শতাংশই চোৱাচিতাৰ অভাৱত মৰি যায়। বৰ্তমান চৰকাৰৰ দিনত পৰিৱেশ আইন আৰু বিধি নিয়ম ইমানেই শিথিল কৰা হৈছে যে পৰিৱেশৰ বিস্তৰ ক্ষতিসাধন কৰি তাত প্ৰদূষণকাৰী উদ্যোগ বা আঁচনি গঢ়ি তোলাৰ ক্ষেত্ৰত এতিয়া আৰু কোনো বাধা নাই। কেন্দ্ৰ আৰু কেতবোৰ ৰাজ্যৰ বিজেপি চৰকাৰে এতিয়া মানুহৰ নিজস্ব মাটিত গছ-গছনি কটাৰ অনুমতিৰ প্ৰয়োজন উঠাই দিছে। অসম চৰকাৰৰ কেবিনেটেও সম্প্ৰতি এই সিদ্ধান্ত লৈছে। জনসাধাৰণৰ নিজৰ মাটিত হোৱা বৃহৎ গছবোৰ কটাৰ ক্ষেত্ৰত বাধা নিষেধ এইবাবেই আৰোপ কৰা হৈছিল যে মানুহে যাতে জধে-মধে পৰিৱেশৰ ক্ষতিসাধন কৰি গছ নাকাটে আৰু বনাঞ্চলৰ পৰা গছ কাটি আনি নিজৰ ঘৰৰ গছ বুলি ফাকি দিব নোৱাৰে।



কেন্দ্ৰীয় চৰকাৰে কোনো উদ্যোগৰ অনুমোদন দিয়াৰ পাছত ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে বনাঞ্চলত ব্যক্তিগত উদ্যোগীসকলৰ এনে উদ্যোগ নিৰ্মাণত অধিক বাধা নিষেধ আৰোপ নকৰিবলৈ এক নিৰ্দেশ জাৰি কৰিছে। এনে ক্ষেত্ৰত স্থানীয় খিলঞ্জীয়া লোকসকলৰ মতামতৰ প্ৰয়োজন নোহোৱা কৰি পেলাইছে। আমাৰ দেশৰ বনাঞ্চলৰ ৬০ শতাংশ অঞ্চল দেশখনৰ ১৮৭খন জনজাতীয় জিলাৰ ভিতৰত পৰে। ফলত এনে ধৰণৰ পৰিৱেশ আইনৰ সংশোধনে স্থানীয় জনজাতীয় আদিবাসী লোক আৰু চৰকাৰৰ মাজত সংঘাত বৃদ্ধি কৰিব। তদুপৰি মাইনছ এণ্ড মিনাৰেল (ডেভেলপমেণ্ট এণ্ড ৰেগুলেছন আইন ১৯৫৭ তথা সংক্ষেপে এম এম ডি আৰ আইনতো বৃহৎ সংশোধনৰ ব্যৱস্থা হৈছে। ফলত নিজস্ব উদ্যোগৰ ব্যৱহাৰৰ বাবে আৰু বিক্ৰীৰ বাবে নিৰ্ধাৰিত খনিসমূহৰ মাজত পাৰ্থক্য নোহোৱা হ'ব। এইবোৰ খনি চৰকাৰে নিলাম ব্যৱস্থাৰ জৰিয়তে সহজেই ব্যক্তিগত খণ্ডৰ হাতত অৰ্পণ কৰিব পাৰিব। বিৰল খনিজ পদাৰ্থ আৰু প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ তথা প্ৰদূষণহীন দ্বীপ আন্দামান নিকোবৰ আৰু লাক্ষাদ্বীপতো কৰ্প'ৰেট খণ্ডক খনন আৰু উদ্যোগ স্থাপনৰ পৰিকল্পনা চলিছে বৰ্তমানৰ মোদী চৰকাৰৰ দিনত।

উপকূলীয় অঞ্চলৰ সংৰক্ষণৰ বাবে যি উপকূলীয় অঞ্চল নিয়ন্ত্ৰণ বিধি আছিল তাৰো পৰিৱৰ্তন সাধন কৰি কৰ্প'ৰেট ব্যৱসায়ীক ইচ্ছামতে ব্যৱসায়ৰ ব্যৱস্থা কৰি দিয়া হৈছে।

যিকোনো উদ্যোগ স্থাপনৰ বাবে উদ্যোগ স্থাপন কৰিব খোজা ঠাইৰ পৰিৱেশ অনুমতিৰ প্ৰয়োজন হয়। আগেয়ে পৰিৱেশ সংবেদনশীল অঞ্চলৰ ১০ কিলোমিটাৰৰ ভিতৰত কোনো উদ্যোগ স্থাপন কৰিবলৈ দিয়া নহৈছিল। এতিয়া তাক সংশোধন কৰি পাঁচ কিলোমিটাৰৰ ভিতৰত কৰা হৈছে। নেছনেল ব'ৰ্ড ফ'ৰ ৱাইল্ডলাইফ বা সংক্ষেপে এন বি ডব্লিউ এল এটি স্বতন্ত্ৰ সংস্থা। এই সংস্থাৰ আগেয়ে সদস্য আছিল ১৫ গৰাকী। মোদী চৰকাৰ ক্ষমতালৈ অহাৰ পাছতেই ২০১৪ত এই ব'ৰ্ডৰ সদস্য সংখ্যা তিনিগৰাকীলৈ হ্ৰাস কৰা হৈছে। দেখা গৈছে যে এইসকল সদস্যৰ ওচৰত চৰকাৰৰ হেঁচা অধিক। বনাঞ্চলত উদ্যোগ স্থাপনৰ বাবে এই সংস্থাটোৰ অনুমতিৰ প্ৰয়োজন। মোদী চৰকাৰে এই সংস্থাটো তিনিগৰাকী সদস্যযুক্ত কৰাৰ পাছত অনুমতিৰ বাবে অহা আবেদনৰ ৯৯ শতাংশকেই সংস্থাটোৱে অনুমোদন দিয়ে।

আমাৰ দেশৰ পৰিৱেশ নিৰীক্ষণ স্বতন্ত্ৰীয়া সংস্থা গ্ৰীণ ট্ৰাইবুনেল বা সেউজ প্ৰাধিকৰণটোক নিশকতীয়া কৰাৰ উদ্দেশ্যেৰে মোদী চৰকাৰে এই প্ৰাধিকৰণৰ মুখ্য হিচাপে উচ্চতম তথা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ সলনি ২৫ বছৰ অভিজ্ঞতা থকা যিকোনো ব্যক্তিয়েই হ'ব পৰা ব্যৱস্থা কৰিছিল। পিছে উচ্চতম ন্যায়ালয়ে চৰকাৰৰ এই পদক্ষেপত বিধি পথালি দিলে। মোদী চৰকাৰে সমুদ্ৰৰ কাষত থকা নিমখৰ খাদবোৰ আৰ্দ্ৰ ভূমি বুলি ঘোষণা কৰি তাত ৰিয়েল ইষ্টেট ব্যৱসায়ৰ ব্যৱস্থা কৰে। বিজেপি শাসিত গোৱা চৰকাৰে ৰিয়েল ইষ্টেটৰ ৰমৰমীয়া ব্যক্তিগত খণ্ডৰ ব্যৱসায়ৰ স্বাৰ্থত নাৰিকল গছক গছৰ সলনি গ্লাছ বা তৃণ হিচাপে চিহ্নিত কৰে যাতে এই গছবোৰ সহজেই কাটি পেলাই তাত বৃহৎ অট্টালিকা সাজিব পাৰে। মোদীৰ প্ৰস্তাৱিত আহমেদাবাদ-মুম্বাই বুলেট ট্ৰেইনৰ ট্ৰেক নিৰ্মাণৰ বাবে মহাৰাষ্ট্ৰত ৫৩ হেজাৰ গছ (মেনগ্ৰোভ) কাটি পেলোৱা হ'ব। একেদৰেই উত্তৰাখণ্ডত হিন্দুসকলৰ ধৰ্মস্থানলৈ যোৱাৰ বাবে বৃহৎ বৃহৎ ৰাস্তা নিৰ্মাণৰ নামত ২৫ হেজাৰ জোপা গছ কটাৰ ব্যৱস্থা হৈছে। উত্তৰাখণ্ডৰ দৰে পৰিবেশৰ ক্ষেত্ৰত বিপদ

> ১০ জোপা গছ ৰুলেই এজোপা পূৰঠ গছ কাটিলে পৰিবেশৰ যি ক্ষতিসাধন হয় তাক সামান্য পৰিমানেও পূৰণ কৰিব নোৱাৰি। ১০ জোপা গছ হ'লেই নহয় তাক চোৱাচিতাও কৰিব লাগিব। আমাৰ দেশত বিশ্ব পৰিৱেশ দিৱসতেই হওক বা আন যিকোনো সময়তেই হওক ৰোৱা গছবোৰৰ ৯৯ শতাংশই চোৱাচিতাৰ অভাৱত মৰি যায়।

সংকুল ৰাজ্যত এনেদৰে পথ নিৰ্মাণৰ নামত জধে-মধে গছ কটাৰ পৰিণাম ভুগিবই যে লাগিব সেয়া নিৰ্ঘাত।

সম্প্ৰতি অসমৰ বিভিন্ন অঞ্চলৰ পৰা বনাঞ্চল ধ্বংসৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাব ধৰিছে। মৰিগাঁৱৰ সোণাইকুছি বনাঞ্চলত অবাধ বনাঞ্চল ধ্বংস কাৰ্য সংঘটিত হ'ব ধৰিছে প্ৰশাসনৰ চকুৰ আগতেই। মেছিন কৰতেৰেই বৃহৎ বৃহৎ চেগুন আৰু অন্যান্য মূল্যৱান গছ বগৰাই দিয়া হৈছে। চৰকাৰে মেডিকেল কলেজ, হোটেল আদি নিৰ্মাণ কৰাৰ বাবে গুৱাহাটীতেই নিৰ্মমভাৱে বনাঞ্চল ধ্বংস কৰি আহিছে। গুৱাহাটীৰ পৰা চন্দ্ৰপুৰ পবিতৰাৰ ভিতৰত আমচাং বন্যপ্ৰাণী অভয়াৰণ্য আৰু পবিতৰা অভয়াৰণ্য অৱস্থিত পাহাৰ বনাঞ্চল আৰু আৰ্দ্ৰ ভূমিৰে গঠিত এই অঞ্চলত স্থাপিত হ'ব ধৰিছে নানা ধৰণৰ উদ্যোগ। জলাশয়বোৰ পুতি গঢ়ি উঠিছে বৃহৎ অট্টালিকা, ৰিয়েল ইষ্টেটৰ ব্যৱসায়। আনকি পৰিৱেশৰ দিশৰ পৰা সংবেদনশীল ব্ৰহ্মপুত্ৰৰ বালিচৰ পুতি তাতো বৃহৎ বৃহৎ ঘৰ নিৰ্মিত হ'ব ধৰিছে। এইবোৰ নিৰ্মাণৰ অনুমতি কোনে কেনেকৈ দিছে সেয়া বিচাৰ্য। মানুহেই পৃথিৱীত একমাত্ৰ জীৱ যিয়ে গছ কাটে, কাকত তৈয়াৰ কৰে আৰু তাত লিখে; বৃক্ষ ৰক্ষা কৰক।


কেইবছৰমান আগেয়ে অসম বিধানসভাৰ বৰ্তমানৰ ভৱনটোত ওপৰ মহলা নিৰ্মাণ কৰাৰ পাছত ঘৰটোৰ কাষত থকা বৃহৎ বৃহৎ গছবোৰ কাটি পেলোৱা হৈছিল। কাৰণ এই কেইজোপা গচ থাকিলে ভৱনটোৰ নৱনিৰ্মিত অংশবোৰ বাহিৰৰ পৰা ভালদৰে দেখা পোৱা নাযায়। তাহানিৰে পৰা থিয় হৈ থকা এই বৃহৎ গছবোৰ কাটি কেইজোপামান গছৰ পুলি ৰুই দি এই গছ কটা কামটোৰ ন্যায্যতা সাব্যস্ত কৰা হৈছিল। ড'নাল্ড ট্ৰাম্প আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি থকাৰ সময়ত তেৰোঁ ট্ৰিলিয়ন জোপা গছ ৰোপণৰ আঁচনি লৈছিল। ব্ৰিটেইনে যোৱা দশকটোত কে'বা মিলিয়ন বৃক্ষ ৰোপণ কৰিছে। পিছে পৰিৱেশবিদসকলে কৈছে যে বৃক্ষ ৰোপণৰ এই বাহ্যিকতাই জলবায়ুৰ পৰিৱৰ্তন ৰোধ কৰাত সহায় নকৰে। বনাঞ্চল ধ্বংস হোৱাটো বন্ধ কৰি তথা এজোপাও গছ নকটাকৈ কৰা বৃক্ষ ৰোপণেও জলবায়ুৰ পৰিৱৰ্তন ৰোধত সহায়ক হ'ব নোৱাৰে যদিহে আমি গ্ৰীণহাউছ গেছৰ তথা কাৰ্বন নিৰ্গমণ ৰোধ কৰিব নোৱাৰো। গতিকেই বৃহৎ গছ কটাৰ ন্যায্যতা প্ৰমাণ কৰিবলৈ বৃক্ষ ৰোপণ কৰা কাৰ্যই বনাঞ্চল ধ্বংস যজ্ঞত ঘিউহে ঢালিব।

বৃহৎ ব্যৱসায়ী কৰ্প'ৰেট সংস্থাসমূহক ইজ অৱ ডুইং বিজনেছৰ নামত পৰিৱেশ বিধ্বংস কৰাটো চৰকাৰে বন্ধ কৰক। তাৰ পাছতহে চৰকাৰে পৰিৱেশ সংৰক্ষণ তথা জলবায়ুৰ পৰিৱৰ্তনৰ কথা কওক। এইবাৰ শীতকালতেই আমি শিল বৰষুণৰ তাণ্ডৱেৰে জলবায়ুৰ পৰিৱৰ্তনৰ আভাস দেখিছো। এইবাৰ গ্ৰীষ্মকালত কি হয় সেয়াও চাবলগীয়া হ'ব। মুঠতে চৰকাৰে সঁচাকৈ যদিহে জলবায়ুৰ পৰিৱৰ্তন ৰোধ কৰিব বিচাৰিছে তেনেহ'লে গছ নকটাকৈয়ে বৃক্ষ ৰোপণ কৰক আৰু বৰ্তি থকা (sustainable) বিকাশৰ নীতিৰে উন্নয়নৰ দিশে আগবাঢ়ক।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

# সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতা ভাৰতীয় গণতন্ত্ৰৰ আধাৰ

অৱলোকন
মৃণালকান্তি চক্ৰৱৰ্তী



'**সমাজ**' হৈছে কোনো উদ্দেশ্যত নিয়ম-শৃংখলা পালন সাপেক্ষে সমবেত ৰাইজৰ মঞ্চ। 'সমাজবাদ' হৈছে তেনে সমাজৰ নিৰন্তৰ মতবাদ। আনহাতে ধৰ্ম হৈছে স্বাভাৱিক গুণ বা প্ৰবৃত্তি। 'ধৰ্মনিৰপেক্ষতা' হৈছে সকলো ধৰ্মৰ প্ৰতি সমদৃষ্টি প্ৰক্ষেপণৰ কাৰ্যক্ৰম। অনুৰূপভাৱে গণতন্ত্ৰ হৈছে— দেশৰ জনগণৰ নিৰ্বাচিত প্ৰতিনিধিৰ জৰিয়তে সামূহিকভাৱে দেশ শাসনৰ কৰ্তৃত্ব।

দীৰ্ঘ ৫৫১ বছৰীয়া মুছলমানসকলৰ শাসন আৰু ১৯০ বছৰীয়া ইংৰাজ শাসনৰ অন্ত পেলাই ১৯৪৭ৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল। পৰৱৰ্তী সময়ত তথা ১৯৫০ৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষ এখন সাৰ্বভৌম, গণতান্ত্ৰিক, প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰিছিল। উক্ত দিনৰ পৰা ভাৰতৰ নিজা সংবিধান কাৰ্যকৰী হৈছিল। আনহাতে ১৯৭৭ৰ ৩ জানুৱাৰীৰ পৰা ভাৰতীয় সংবিধান সংশোধন ক্ৰমে দেশখনে এখন সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰে। ইয়াৰ পূৰ্বে সামাজিক দৃষ্টিভংগী আৰু ধৰ্মনিৰপেক্ষতাৰ ক্ষেত্ৰত সাংবিধানিক ব্যৱস্থামতে কোনো ধৰণৰ বাধ্যবাধকতা নাছিল। স্বভাৱতে পুঁজিপতিসকলৰ আৰু ধৰ্মীয় গতিশীলতাৰ প্ৰাধান্য অনিয়ন্ত্ৰিত আছিল— নানা ক্ষেত্ৰত বাধাগ্ৰস্ত হোৱা এক স্বাভাৱিক কথা আছিল।

অতীত ভাৰত আছিল পুঁজিপতি সমাজৰ প্ৰতিপত্তি সমন্বিত এখন ৰাষ্ট্ৰ। আঢ্যৱন্ত ধনী সমাজে যথেষ্ট প্ৰাধান্য লাভ কৰিছিল। দৰিদ্ৰ শ্ৰেণীৰ লোকসকল আছিল দলিত আৰু অৱহেলিত। ফলত ধনী আৰু দুখীয়াৰ মাজত এক বৈষম্য সৃষ্টি হৈছিল। আনহাতে ৰাজকীয় শাসন ব্যৱস্থা আছিল পৰম্পৰাযুক্ত। গতিকে সামাজিক জীৱনধাৰাৰ গতি কোনো ক্ষেত্ৰতে মসৃণ নাছিল। সাধাৰণ জনগণৰ মনত স্বভাৱতে এক তিক্ততাৰ সৃষ্টি হৈছিল।

দীৰ্ঘদিনৰ স্বাধীনতা সংগ্ৰামৰ অন্তত, ভাৰতৰ জনগণে চৰম অত্যাচাৰ আৰু বহু জীৱন আহুতিৰ পাছত ১৯৪৭ৰ ১৫ আগষ্টত ইপ্সিত স্বাধীনতা লাভ কৰিলে। কিন্তু ভাৰতৰ স্বাধীনতা লাভ সম্ভৱ হ'ল ইংৰাজসকলৰ কূটনীতিৰ অন্তত আৰু বিভাজন নীতিৰ প্ৰয়োগত। অৰ্থাৎ অখণ্ড ভাৰত দ্বিখণ্ডিত হ'ল। ইংৰাজ শাসকসকলৰ প্ৰৰোচনাত ধৰ্মভিত্তিক বিভাজনৰ কাৰণে ভাৰত আৰু পাকিস্তান ৰাষ্ট্ৰ বিশ্বৰ মানচিত্ৰত অংকিত হ'ল। পাকিস্তান এখন মুছলমান ৰাষ্ট্ৰ হিচাপে জন্মলাভ কৰিলে। ভাৰতে কিন্তু পূৰ্বৰ স্থিতি তথা ধৰ্মনিৰপেক্ষতাৰ গতি অক্ষুণ্ণ ৰাখিলে— ভাৰতৰ দৃষ্টিভংগীৰ বিশেষ কোনো পৰিবৰ্তন নহ'ল।

ভাৰতৰ স্বাধীনতা লাভৰ পূৰ্বে দেশখনৰ এক বৃহৎ অংশত দেশীয় ৰজা আৰু জমিদাৰসকলে কৰদমিত্ৰ ৰাজ্য হিচাপে ইংৰাজসকলক কৰ আদায় দি নিজ নিজ এলেকাত শাসনকাৰ্য পৰিচালনা কৰিছিল। পাঁচশৰো অধিক তেনে দেশীয় ৰাজ্য আৰু জমিদাৰসকলৰ এক বৃহৎ অংশই প্ৰজাসকলৰ ওপৰত কৰা অত্যাচাৰৰ কোনো সীমাৰেখা নাছিল। ইংৰাজসকলে স্বাধীনতা প্ৰদানৰ অন্যতম চৰ্ত হিচাপে দেশীয় ৰাজ্য আৰু জমিদাৰসকলক প্ৰস্তাৱিত নৱগঠিত ৰাজ্যসমূহৰ লগত চামিল হোৱাৰ কথা উল্লেখ কৰিছিল।

ভাৰতৰ স্বাধীনতা লাভৰ পিছত ৰাষ্ট্ৰখনৰ গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে দেশীয় ৰজা আৰু জমিদাৰসকলক একে ধৰণৰ আবেদন জনাইছিল যদিও জম্মু আৰু কাশ্মীৰ, জুনাগড় আৰু হায়দৰাবাদ এই তিনিখন দেশীয় ৰাজ্য এনে চামিল হোৱা কাৰ্যৰ পৰা বিৰত থাকিল। স্বাধীনতা লাভৰ দুমাহৰ পিছত পাকিস্তানে জম্মু আৰু কাশ্মীৰ আক্ৰমণ কৰি এটা অংশ দখল কৰাৰ পিছত কাশ্মীৰৰ মহাৰাজ হৰিসিঙে নিজ ৰাজ্য ভাৰতৰ লগত চামিল কৰিলে। জুনাগড় পাকিস্তানৰ লগত চামিল হ'ল। ১৯৪৮ত ভাৰতে হায়দৰাবাদ আক্ৰমণ কৰি নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে।

> ভাৰতবৰ্ষত ইংৰাজ শাসনৰ কালৰে পৰা হিন্দু-মুছলমান উভয় ফৈদ এক ভাতৃত্বৰ বন্ধনত আবদ্ধ হৈ দীৰ্ঘকাল অতিবাহিত কৰিছিল। কিন্তু পৰৱৰ্তী কালত তথা ১৮৫৭ৰ চিপাহী বিদ্ৰোহৰ অন্তত আৰু ১৮৮৫ ৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দল গঠনৰ পাছত ইংৰাজসকলৰ চক্ৰান্তত ক্ৰমান্বয়ে এক শ্ৰেণীৰ মুছলমান লোকৰ হিন্দুসকলৰ প্ৰতি আস্থাৰ অভাৱ ঘটা পৰিলক্ষিত হ'বলৈ ধৰিলে।

অৱশ্যে যদিও দেশীয় ৰাজ্য আৰু জমিদাৰীসমূহ ভাৰত বা পাকিস্তানৰ লগত চামিল হ'ল, ভাৰত চৰকাৰে কিন্তু কেনে ৰাজন্যবৰ্গক ক্ষতিপূৰণ আৰু সুস্থ জীৱন পৰিচালনাৰ বাবে ৰাজন্য ভাট্টা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিলে। ফলত উচ্চ বংশ মৰ্যাদাৰ ৰেহৰূপ আৰু সামাজিক বৈষম্যতাপূৰ্ণ কাৰ্যক্ৰম ভাৰতৰ স্বাধীনতাৰ বহুদিন পিছলৈকেও অব্যাহত থাকিল। পূৰ্বৰ অৰ্থনৈতিক বৈষম্যতাৰ কোনো সকাহ নহ'ল। কিন্তু পৰৱৰ্তী কালত ১৯৬৯ত ইন্দিৰা গান্ধী নেতৃত্বাধীন কংগ্ৰেছ দলীয় চৰকাৰে দীৰ্ঘদিন ধৰি কাৰ্যকৰী হৈ থকা দেশীয় ৰাজ্যৰ ৰজা আৰু জমিদাৰসকললৈ ৰাজন্য ভাট্টা প্ৰদানৰ ব্যৱস্থা আকস্মিকভাৱে প্ৰত্যাহাৰ কৰিলে। ফলত তেনে দেশীয় ৰজা আৰু জমিদাৰসকল সাধাৰণ পৰ্যায়ৰ নাগৰিক হিচাপে গণ্য হ'বলৈ ধৰিলে। আনহাতে এই চৰকাৰে ৰাজ্যসমূহৰ বৃহৎসংখ্যক বেংকক ৰাষ্ট্ৰীয়কৰণ কৰি এক শ্ৰেণীৰ পুঁজিপতি গোষ্ঠীৰ জীৱনযাত্ৰাত এক বিপৰীত ৰূপ প্ৰদান কৰিলে। অকল সেয়ে নহয় তৈলখণ্ড, কয়লাখণ্ড আদি কিছুসংখ্যক ঔদ্যোগিক আৰু বাণিজ্যিক প্ৰতিষ্ঠানক ক্ৰমাগতভাৱে ৰাষ্ট্ৰীয়কৰণ প্ৰকল্পত অন্তৰ্ভুক্ত কৰিলে।

ইন্দিৰা গান্ধীয়ে তেওঁৰ ১৯৭১ৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যত 'গৰিবী হটাও' বুলি এক নতুন শ্ল'গান উত্থাপন কৰি সামাজিক জীৱনৰ গতি ধাৰাৰ এক নতুন দিশ ৰচনা কৰিছিল। আনহাতে ১৯৭৫ত মাননীয় এলাহাবাদ উচ্চ ন্যায়ালয়ে ইন্দিৰা গান্ধীৰ ১৯৭১ নিৰ্বাচন অবৈধ বুলি ৰায় দিয়াৰ পৰিপ্ৰেক্ষিতত আৰু ভাৰতৰ এক শ্ৰেণীৰ জনগণে সেই ৰায় কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আন্দোলন কৰাৰ ফলত ইন্দিৰা গান্ধীয়ে প্ৰধানমন্ত্ৰী পদবীৰ পৰা ইস্তফা নিদি এটা সময়ত দেশখনৰ আভ্যন্তৰীণ স্থিতি বিপন্ন বুলি জৰুৰী অৱস্থা ঘোষণা কৰিলে। বিৰোধীসকলক আৰু দলীয় বিসম্বাদী কিছুসংখ্যক নেতাক কাৰাৰুদ্ধ কৰি তেওঁ ভাৰতীয় সংবিধানৰ বিভিন্ন দফাৰ সংশোধন আনিলে। তাৰে অন্যতম হ'ল ৩-১-১৯৭৭ৰ পৰা কাৰ্যকৰী হোৱা ভাৰতীয় সংবিধান সংশোধন সাপেক্ষে প্ৰস্তাৱনাৰ পৰিসৰ বৃদ্ধি কৰি 'সমাজবাদ' আৰু 'ধৰ্মনিৰপেক্ষতা' অন্তৰ্ভুক্ত কৰিলে। অৱশ্যে এনে দুটা শব্দৰ সংযোজন অতি গুৰুত্বপূৰ্ণ আছিল যদিও, বাস্তৱ ক্ষেত্ৰত ইয়াৰ কাৰ্যকাৰীতাই কিমানখিনি সফলতা লাভ কৰিলে, সেয়া এক বিচাৰ্য বিষয়। পৰৱৰ্তী সময়ত ভাৰতবৰ্ষত নানা ধৰণৰ পৰিবৰ্তন ঘটিল। ১৯৪৭ৰ পৰা ২০১৪লৈ ৫৫ বছৰ কাল কংগ্ৰেছ দল শাসন গাদীত অধিষ্ঠিত হৈ থাকিল। বাকী ১১ বছৰ কাল বিভিন্ন সময়ত বিভিন্ন দলে শাসন দায়িত্ব বহন কৰিছিল যদিও, ২০১৪ৰ পৰা ভাৰতীয় জনতা পাৰ্টিয়ে নৰেন্দ্ৰ দামোদৰ মোদীৰ নেতৃত্বত শাসন দায়িত্বত অধিষ্ঠিত হৈ আছে আৰু ইতিমধ্যে এই শাসনকালে প্ৰায় ৮ বছৰ অতিক্ৰম কৰিলে। দেশখনৰ প্ৰগতি আৰু সৰ্বাংগীন উন্নয়নৰ হকে এই চৰকাৰে যিসমূহ কাৰ্যব্যৱস্থা গ্ৰহণ কৰি আছে সেয়া নিশ্চিতভাৱে প্ৰশংসনীয়।

কিন্তু আজি কিছুদিনৰ পৰা লক্ষ্য কৰি অহা হৈছে যে শাসনাধিষ্ঠ ভাৰতীয় জনতা পাৰ্টি চৰকাৰে দেশখনৰ এক বৃহৎসংখ্যক ঔদ্যোগিক আৰু বাণিজ্যিক প্ৰতিষ্ঠানক ৰাষ্ট্ৰীয়কৰণ পৰ্যায়ৰ পৰা মুক্ত কৰি কিছুসংখ্যক ব্যক্তিগত খণ্ডক দায়িত্ব হস্তান্তৰ কৰি আছে। প্ৰকাশিত বাতৰিমতে তৈলখণ্ড, কয়লাখণ্ড, ৰে'লখণ্ড, বিমানখণ্ড আদি তাৰে অন্যতম। এনে ৰাষ্ট্ৰীয় খণ্ডসমূহৰ স্বাৰ্থৰ ওপৰত গুৰুত্ব আৰোপ নকৰি ব্যক্তিগত খণ্ডক বিভিন্ন ধৰণেৰে উপকৃত কৰা কাৰ্য ক্ৰমান্বয়ে এক সাঁথৰ ৰূপে গণ্য হৈছে। ৰাষ্ট্ৰীয় খণ্ডসমূহত লাভালাভৰ কিবা বৈষম্য থাকিলেও তেনে কাৰ্যৰ সংস্কাৰ ব্যৱস্থাৰ যথেষ্ট থল আছিল। কিন্তু ৰাষ্ট্ৰীয়কৰণমুক্ত ব্যৱস্থাই দৰাচলতে সংবিধান সন্নিৱিষ্ট সমাজবাদ দৃষ্টিভংগীৰ অপমৃত্যু ঘটোৱাহে পৰিলক্ষিত হৈছে। ভাৰত আৰ্থিকভাৱে এখন



অনুন্নত ৰাষ্ট্ৰ। যিসকল পুঁজিপতিৰ গৰাহত দীৰ্ঘদিন থাকি ভাৰতবাসীয়ে প্ৰগতি আৰু অৰ্থনৈতিক অৱস্থান দুঃস্থতাৰ মাজত অতিবাহিত কৰিছিল আৰু বিভিন্ন ধৰণৰ ঔদ্যোগিক আৰু বাণিজ্যিক ব্যৱস্থা ৰাষ্ট্ৰীয়কৰণৰ ক্ষেত্ৰত সামাজিক আৰু অৰ্থনৈতিক দিশত এক স্বাৱলম্বনৰ পথ উন্মোচন কৰিছিল। কিন্তু বৰ্তমান চৰকাৰৰ কাৰ্যব্যৱস্থাৰ গতিশীলতাই দেশবাসীক নিৰুৎসাহিত কৰিছে। নৰেন্দ্ৰ মোদীৰ প্ৰতি দেশবাসীৰ যথেষ্ট আস্থা আছে, কিন্তু ভাৰতীয় সংবিধানৰ প্ৰকৃত দৃষ্টিভংগীৰ প্ৰতি উপযুক্ত গুৰুত্ব নিদি এনে ব্যক্তিগতকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে কিছুসংখ্যক ব্যক্তিগত প্ৰতিষ্ঠানক লাভান্বিত কৰা কাৰ্যৰ কি অন্তৰ্নিহিত কাৰণ থাকিব পাৰে তাৰে এক স্পষ্টীকৰণৰ প্ৰয়োজনীয়তা আছে বুলি দেশৰ সাধাৰণ শ্ৰেণীৰ ৰাইজে অনুভৱ কৰে।

আন এটা বিষয় হৈছে সংবিধানত পৰৱৰ্তী কালত অন্তৰ্ভুক্ত ধৰ্মনিৰপেক্ষতাৰ কাৰ্যক্ৰম। ভাৰতবৰ্ষত ইংৰাজ শাসনৰ কালৰে পৰা হিন্দু-মুছলমান উভয় ফৈদ এক ভাতৃত্বৰ বন্ধনত আবদ্ধ হৈ দীৰ্ঘকাল অতিবাহিত কৰিছিল। কিন্তু পৰৱৰ্তী কালত তথা ১৮৫৭ৰ চিপাহী বিদ্ৰোহৰ অন্তত আৰু ১৮৮৫ ৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দল গঠনৰ পাছত ইংৰাজসকলৰ চক্ৰান্তত ক্ৰমান্বয়ে এক শ্ৰেণীৰ মুছলমান লোকৰ হিন্দুসকলৰ প্ৰতি আস্থাৰ অভাৱ ঘটা পৰিলক্ষিত হ'বলৈ ধৰিলে। ফলত এক বিদ্বেষপূৰ্ণ মনোভাৱৰ সূচনা হ'ল। তাৰে পৰিপ্ৰেক্ষিতত ১৯৪৭ৰ ১৪ আগষ্টত ভাৰতৰ বিভাজন ঘটি পাকিস্তান ৰাষ্ট্ৰই জন্মলাভ কৰিলে। কিন্তু পৰৱৰ্তী কালত পাকিস্তানৰ অখণ্ডতা ৰক্ষা নহ'ল। ১৯৭১ৰ ২৫ মাৰ্চত পাকিস্তানৰ বিভাজন ঘটি বাংলাদেশ এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰিলে। ইতিমধ্যে বিভাজনৰ নামত উদ্বাস্তু হিন্দুসকলৰ লগত বহুসংখ্যক মুছলমানৰ ভাৰতৰ পূৰ্বাঞ্চলত আগমন ঘটিল। এই অঞ্চলত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ কিছুসংখ্যক ৰাজ্যত তেনে অবাঞ্চিত বহিৰাগতসকলক 'ভোট বেংক' সুদৃঢ় কৰাৰ স্বাৰ্থত তদানীন্তন শাসনাধিষ্ঠ কংগ্ৰেছ দলে তেনে বিদেশী মুছলমানসকলক অবৈধভাৱে আশ্ৰয় দিলে। আনকি তেওঁলোকৰ সুৰক্ষাৰ বাবে অকল অসমৰ ক্ষেত্ৰত প্ৰণয়ন কৰা Illegal Migrants Determination by Tribunal Act, 1983 (IMDT Act)খন আৰু পৰৱৰ্তী কালত Foreigners Actৰ সংশ্লিষ্ট ধাৰা সন্নিৱিষ্ট কৰিলে। কিন্তু উভয় ব্যৱস্থা ভাৰতৰ উচ্চতম ন্যায়ালয়ে বাতিল কৰাৰ পাছতো অসম আন্দোলনকাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা চুক্তিমতে আজিও ৩৭ বছৰে কোনো বিদেশী নাগৰিক বিতাৰিত নহ'ল।

ভ্ৰাম্যভাষ ঃ ৯৮৬৪২০১৬৯৪

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী বুধবাৰ, ২০২২ পৃষ্ঠা ৫



# মাউণ্ট আবু

## তপোৱন-শান্তিবন-মধুবন দৰ্শনৰ ছবি

**কুশল চন্দ্ৰ বৰুৱা**

**শোণিতপুৰ** জিলাৰ ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয় তথা যোগ প্ৰশিক্ষণ কেন্দ্ৰ তেজপুৰৰ কেতেকী বাৰীত অৱস্থিত। উক্ত কেন্দ্ৰৰ মুখ্য সঞ্চালক বহিনজী মাজে সময়ে মোৰ ওচৰলৈ আহে সৰু-সুৰা অসুখ-বিসুখত হোমিঅ' ঔষধ খাবলৈ। সেই প্ৰসংগতে মোৰ লগত চিনাকি। সেই সূত্ৰে মাজে সময়ে মই কেন্দ্ৰলৈ যাওঁ। বৃহস্পতিবাৰে গ'লে লাভ হয়। কাৰণ প্ৰতিটো বৃহস্পতিবাৰে মাহ প্ৰসাদ আৰু ভোগ দিয়ে। এই অনুষ্ঠান মহিলাৰ দ্বাৰা পৰিচালিত যদিও পুৰুষ ভাইসকলেও অংশগ্ৰহণ কৰা দেখা যায়। কেতেকীবাৰী কেন্দ্ৰটো জন্ম লগ্নৰ পৰা প্ৰয়াত তিলক ভায়ে তত্ত্বাৱধান কৰি আহিছিল।

ঈশ্বৰীয় বিশ্ববিদ্যালয়, বিশ্বৰ বিভিন্ন ঠাইত আছে। মুখ্য কাৰ্যালয় ৰাজস্থানৰ মাউণ্ট আবুত। জয়পুৰৰ পৰা তিনিশ কিলোমিটাৰ। কেন্দ্ৰসমূহত প্ৰাণায়ামৰ প্ৰশিক্ষণ দিয়াৰ লগতে আধ্যাত্মিক জ্ঞান প্ৰদান কৰে। কেন্দ্ৰসমূহত সাতজনৰ প্ৰশিক্ষণ লৈ মুখ্য কাৰ্যালয় মাউণ্ট আবুলৈ যাব পাৰি। জাম দিব লাগে তিনি হেজাৰ পাঁচশ টকা। অহা-যোৱা, খোৱা আদিৰ বাবদ এই বৰঙণি লোৱা হয়।

২০০৭ৰ ২৭ এপ্ৰিলত মই আৰু সাতজন ভাই-ভনীৰ লগত মাউণ্ট আবুলৈ যাত্ৰা কৰো। বাটত খাবৰ কাৰণে ভাত-ৰুটী, আচাৰ আদি লৈ যোৱা হৈছিল। আমি পহিলা মে'তহে গন্তব্য স্থান পাইছিলো। সময় বিয়লি পাঁচ বজাত। আমি সাতজনে চৌহদৰ সন্মুখত থকা কাৰ্যালয়ত আমি নাম পঞ্জীয়ন কৰিবৰ কাৰণে শাৰীত থিয় দিব লগা হৈছিল। কিছু সময়ৰ পাছত আমাৰ লগত যোৱা ভাইসকলক কমলকুঞ্জ নামৰ এটা ঘৰত থাকিবলৈ দিয়াৰ ব্যৱস্থা কৰিছিল। আমি প্ৰায় পাঁচ বজাত আমাক allot কৰা Building লৈ যাত্ৰা আৰম্ভ কৰিছিলো। ১০ মিটাৰমান যোৱাত মই এটা সুগন্ধ সুবাস লাভ কৰো। এনে সুগন্ধ মোৰ ৬০ বছৰীয়া জীৱনত পোৱা নাছিলো। ৰাস্তাৰ দুয়োকাষে নিৰীক্ষণ কৰিলো। ৰাস্তাৰ দুয়োপাৰে ফুলগছ আছে যদিও বিশেষ সুগন্ধিযুক্ত ফুল নাছিল। মই ভাবত অভিভূত হৈ পৰিছিলো। হঠাৎ উক্ত স্থানত বগা পোছাক পৰিধান কৰা ভাই এজন দেখা পাওঁ। মই তেওঁক সুগন্ধিৰ উৎস, কি জানিব খোজাত হিন্দী ভাষাত ক'লে—আপ খুচবু কা বাত কিয়া? মই হয় বুলি জনোৱাত তেওঁ ক'লে আপকো বাবা নে স্বাগত জনায়া। মই ভাবত বিভোৰ হৈ পৰিছিলো। মনটো আত্মসন্তুষ্টিত ভৰি পৰিছিল। ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা আনন্দ।

আমাক থাকিবলৈ দিয়া হলটোত ৮০খন বিছনা আছিল। আঠুৰা তৰাৰ ব্যৱস্থা নাছিল। এজন ভাইক এই বিষয়ে সোধাত জনালে যে তাত মহ, মাখি আৰু কুকুৰ নাই। আমি থকা ঠাইৰ পৰা খোৱা ঠাইৰ দূৰত্ব পাঁচ মিটাৰ মান। দুমহলীয়া এটা ডাঙৰ ঘৰ। ২৪ ঘণ্টাই খোৱাৰ ব্যৱস্থা সাজু থাকে। কুপনৰ ব্যৱস্থা নাই। নিৰামিষ আহাৰ। ভাত-ৰুটী, দাইল-ভাজি, ছাটনী, দৈ ইত্যাদি। পুৱা গাখীৰ, ৰুটী, ফলমূল, চাহ, কফি ইত্যাদি বহুত। ভাত-তৰকাৰী আদিৰ অপচয় কৰাটো ভাইসকলে নিবিচাৰে। মই দ্বিতীয় দিনা পুৱা জলপান খাবলৈ গৈ এগিলাচ গাখীৰ লওঁ। গাখীৰ গিলাচ সম্পূৰ্ণ খাব নোৱাৰাত খোৱা বাচন থোৱা ডাঙৰ চৰিয়াত ৰাখি থওঁ। ৰাতিৰ ক্লাছ কৰিবলৈ যাওঁতে দিল্লীৰ পৰা অহা এক বেহেনজীয়ে লেকচাৰৰ আগমূহূৰ্তত কৈছিল। আজ এক ভায়ে দুধকো জুঠা বাসনমে ফেক দিয়া। দুধ অমৃত হাই। উচকো ফেকনা আচ্ছা নাহি হাই..। মোৰ অন্তৰত এই কথাকেইটা হুলে বিন্ধাদি বিন্ধিছিল। আচৰিত কথা।

প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষাৰ্থীসকল ১০ বজাৰ ভিতৰত শুই পৰে আৰু পুৱা তিনি বজাত সকলো উঠি গা পা ধুই ডায়মণ্ড হলত প্ৰাৰ্থনা কৰে। বহুলোকে গছৰ তলত ধ্যান কৰা দেখা যায়। ক'তো হাই উৰুমি নাই। নীৰৱতা কেৱল নীৰৱতা। পুৱা সাত বজাত জলপান খাই ১২ বজাত দুপৰীয়াৰ সাঁজ গ্ৰহণ কৰে। আমি আচৰিত হৈছিলো— ১০-১১ হেজাৰ মানুহে ভাত খায় কিন্তু কোনেও কাকো আদেশ দিয়া দেখা নাযায়। কেৱল সকলোতে নীৰৱতা। কাঁহী-বাটি ধোৱাৰ স্থানত কাঁহী-বাটিৰ ঠুং ঠাং শব্দৰ বাহিৰে সম্পূৰ্ণ নিস্তব্ধতা। ইয়াৰ পাছত চৌহদৰ ভিতৰত বগা বস্ত্ৰ পৰিধান কৰা ভাই-ভনীৰ বিচৰণ দেখা যায়। মাজে সময়ে এটা মধুৰ গীতে মানুহৰ মনলৈ শান্তি কঢ়িয়াই আনে। এই গীত গোৱাৰ সময়ত মানুহ শিলৰ পৰা কপৌৰ দৰে স্তব্ধ হৈ ৰয়। গীতটো এক মিনিটৰ কাৰণে বজোৱা হয়। পুৱা ন বজাৰ পৰা ক্লাছ হয় ১১ বজা পৰ্যন্ত। বিয়লি চাৰি বজাৰ পৰা সাত বজালৈ ক্লাছ হয়। সাধাৰণতে মুৰুলীত থকা কথাবোৰেই আলোচনা কৰা হয়। মুৰুলীৰ কথাবোৰ ভগৱানৰ বাণী বুলি গণ্য কৰা হয়। আমি থকা ঠাইখন শান্তিবন নামেৰে পৰিচিত। ইয়াৰ উপৰি শান্তিবনৰ পৰা পাঁচ কিলোমিটাৰ দূৰত তপোৱন। ইয়াত এটা সৰু কেন্দ্ৰ আছে। পৰিসীমা যথেষ্ট ডাঙৰ। ইয়াত আলু, কবি শাক-পাচলিৰ খেতি কৰা হয় যিবোৰ শিবিৰৰ প্ৰশিক্ষাৰ্থীৰ খোৱাত ব্যৱহাৰ কৰা হয়। প্ৰায় তিনিশ কিলোমিটাৰ দূৰত পাহাৰৰ বহু উচ্চ স্তৰত মধুবন নামৰ এটা কেন্দ্ৰ আছে।

প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষাৰ্থীসকল ১০ বজাৰ ভিতৰত শুই পৰে আৰু পুৱা তিনি বজাত সকলো উঠি গা পা ধুই ডায়মণ্ড হলত প্ৰাৰ্থনা কৰে। বহুলোকে গছৰ তলত ধ্যান কৰা দেখা যায়। ক'তো হাই উৰুমি নাই। নীৰৱতা কেৱল নীৰৱতা। পুৱা সাত বজাত জলপান খাই ১২ বজাত দুপৰীয়াৰ সাঁজ গ্ৰহণ কৰে। আমি আচৰিত হৈছিলো— ১০-১১ হেজাৰ মানুহে ভাত খায় কিন্তু কোনেও কাকো আদেশ দিয়া দেখা নাযায়। কেৱল সকলোতে নীৰৱতা।

এখন গাড়ী ভাড়া কৰি মধুবনলৈ বুলি যাত্ৰা কৰিছিলো। পাহাৰৰ একা-বেঁকা বাট। বাটত আমি হলৌ বান্দৰ দেখা পাইছিলো। ভয় লগা যাত্ৰা। কাৰণ পাহাৰৰ কাষে কাষে ৰাস্তা। যোৱাৰ পথত সোঁফালে এশৰ পৰা ১৫০ ফুট দ ঠাই। যাহওঁক আমি দুপৰীয়া ১২ বজাত গন্তব্য স্থান মধুবন পালো। অপূৰ্ব দৃশ্য। প্ৰকাণ্ড প্ৰকাণ্ড শিলৰ চপৰা। শাৰী শাৰী কঠাল, আম, ফুল গছৰ সুবাস, নাৰিকল গছ। শিল কাটি কিছু সমতল ভূমি তৈয়াৰ কৰি লৈছে। প্ৰকাণ্ড শিলৰ ঘৰত ডাঙৰ মৌৰ বাহ। ইয়াত কেতিয়াবা কেতিয়াবা ভালুক ওলাই বুলি শুনিছো। ইয়াত মানস সৰোবৰ নামৰ হ্ৰদ এটাও আছে। ইয়াত স্নান কৰিলে মনৰ কামনা পূৰণ হয় বুলি বিশ্বাস কৰে। আমাৰ স্নান কৰাৰ সৌভাগ্য নহ'ল। কাৰণ আমি গৈ পায়ে হাত-মুখ ধুই দুপৰীয়াৰ আহাৰ কৰিছিলো। নিৰামিষ আহাৰ যদিও সোৱাদযুক্ত গাখীৰ ভোগ, মিঠাই । অতি উৎকৃষ্ট খাদ্য। উদৰ পূৰাই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি জীৱনটো ধন্য হোৱা যেন অনুভৱ হ'ল। দুপৰীয়া আহাৰ খোৱাৰ পাছতে মধুবনৰ বিভিন্ন ডাঙৰ ডাঙৰ পকীঘৰবোৰ চাওঁতে গধূলি পাঁচ বাজিল। শেষত এটা সৰু কোঠালৈ আমাক লৈ যোৱা হ'ল— য'ত লিখা আছিল বাবাৰ কোঠা, অৰ্থাৎ ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপকৰ কোঠা। এটা চুকত এখন টেবুলৰ ওপৰত এটা সৰু কাঠৰ বাকচ আছিল য'ত লিখা আছিল Letter to God. উক্ত কোঠাত থকা ভাইজনক মই সুধিছিলো—এইটো কি? উত্তৰত কৈছিল আপুনি ভগৱানক কিবা সুধিব লগা থাকিলে তাত থকা কাগজ কলমৰ সহায়ত লিখি বাকচৰ ভিতৰত দিব পাৰে। মই পুনৰ প্ৰশ্ন কৰিছিলো উত্তৰ পাম নে? উত্তৰত কৈছিল আপোনাৰ ভাগ্য ভাল হ'লে উত্তৰ নিশ্চয় পাব। মই তেওঁক জনালো কিছু সময়ৰ পাছত আমিটো শান্তিবনৰ শিবিৰ পামগৈ। পুনৰ জনালো শান্তিবনৰ শিবিৰৰ পৰা ন মে'ত ঘৰলৈ যামগৈ। তেওঁ জনালে ভাগ্য ভাল হ'লে শিবিৰত থকা কালতেই উত্তৰ পাব পাৰে। মই ভাবত তন্ময় হৈ পৰিছিলো। সাত বজাত পুনৰ শান্তিবনলৈ ঘূৰি অহাৰ যাত্ৰা আৰম্ভ কৰিলো। ৰাতি ১২ বজাত শান্তিবন পাইছিলোগৈ। শিবিৰত থকা অৱস্থাত মাজে সময়ে বাবাৰ পৰা উত্তৰৰ কথাটো মনলৈ আহিছিল।

শিবিৰত থকা অৱস্থাত মোৰ মনলৈ গুজৰাট আৰু ৰাজস্থানৰ সীমাত বিখ্যাত মাতাজী (দুৰ্গা মন্দিৰ) মন্দিৰলৈ যোৱাৰ ইচ্ছা হ'ল। তেজপুৰৰ পৰা যোৱা সহযাত্ৰী চাৰিজনক মোৰ মনৰ কথা প্ৰকাশ কৰি তালৈ যোৱাৰ বাবে লগ ধৰিছিলো। প্ৰত্যেকজনেই উত্তৰত কৈছিল— আমি জ্ঞানী মানুহ-ধৰ্ম মাৰ্গৰ মানুহ নহয়। গতিকে আমি যাব নোৱাৰিম। পাছদিনা পুৱা ৫-৩০ত মাতাজী মন্দিৰলৈ বুলি শেহৰ গেট পালোগৈ। ৰাস্তাত এখনো গাড়ী চলা দেখা নাপায় Gate dutyত থকা ভাইজনক মোৰ মনৰ কথা ক'লো। ভাইজনে মোক ক'লে—ক্ষন্তেক অপেক্ষা কৰক, মই আপোনাক মাতাজী মন্দিৰলৈ যোৱা বাছ ষ্টেণ্ডত যোৱাৰ ব্যৱস্থা কৰি দিম। দুই মিনিটৰ পাছত চৌহদৰ পৰা এখন গাড়ী ওলাই অহাত ভাইজনে গাড়ীৰ চালকক মোক বাছষ্টেণ্ডত নমাই দিবৰ কাৰণে অনুৰোধ কৰিলে। গাড়ীৰ চালকক পইচা যাচিছিলো। কিন্তু ল'বলৈ ৰাজী নহ'ল। বাছষ্টেণ্ডৰ পৰা গাড়ীত উঠি পুৱা ১০ বজাত মাতাজী মন্দিৰত উপস্থিত হ'লো। দুটা দীঘল দীঘল শাৰী। এটা মতা মানুহৰ আৰু এটা তিৰোতা মানুহৰ। প্ৰত্যেকৰ হাতত কাগজৰ সৰু পাত্ৰত কিছু পানী আৰু দুই এটা ৰঙা গোলাপ ফুল। ময়ো এটা পানী আৰু ফুলৰ বাটি কিনি শাৰীত থিয় হ'লো। ১১ বজাত মন্দিৰৰ ভিতৰত সোমাই সেৱা লৈ মনৰ কথা দেৱীৰ চৰণত কোৱাৰ চিন্তা কৰাৰ সময়ত পূজাৰীয়ে এটি সৰু টিলিঙাৰে মূৰত স্পৰ্শ কৰি বাহিৰলৈ যোৱাৰ নিৰ্দেশ দিলে। মন্দিৰৰ পৰা বাহিৰলৈ আহিয়ে মনৰ কথা দেৱীৰ আগত প্ৰকাশ কৰো। ইয়াৰ কিছু সময়ৰ পাছত গাড়ীত উঠি পুনৰ শান্তিবনত উপস্থিত হওঁ। তেতিয়া ১-৩০ বাজিছিল। বাহিৰে বাহিৰে ডাইনিং হললৈ গৈ দুৰীয়াৰ আহাৰ গ্ৰহণ কৰি থকা ঠাইলৈ আহি বিছনাত বাগৰ দিওঁ। এনেতে এজন দেৱতুল্য ১৫-২০ বছৰৰ সুন্দৰ ল'ৰা মোৰ বিছনাৰ কাষত উপস্থিত হৈ হিন্দীতে কৈছিল— আপুনি বাৰু আজি পুৱাৰ ক্লাছ কৰা নাই। উত্তৰত মই মাতাজী মন্দিৰলৈ যোৱাৰ কথা বেকত কৰো। তেতিয়া ল'ৰাজনে মোক সুধিছিল আপুনি আজিৰ ক্লাছৰ মুৰুলী শুনিব নে? মই শুনাৰ আগ্ৰহ প্ৰকাশ কৰাত মোক সুন্দৰকৈ মুৰুলীত থকা কথাবোৰ বুজাই দিছিল। মুৰুলীৰ প্ৰতিটো কথা খুব ভাল লাগিছিল। হঠাৎ ল'ৰাজন উক্ত স্থানৰ পৰা অন্তৰ্ধান হৈছিল। ল'ৰাজন শিবিৰত এদিনো দেখা নাই। মোৰ মনটো আনন্দৰে ভৰপূৰ হৈছিল। বিয়লি চাৰি বজাত ক্লাছলৈ বুলি ওলাই যোৱাত মোৰ লগৰকেইজনে কৈছিল— আপুনি কি মানুহ? আজিৰ মুৰুলীত বহুত ভাল কথা কৈছিল, আপুনি বহু হেৰুৱালে। উত্তৰ মই কৈছিলো— মই ক্লাছত আছিলো। কৌতুক জন্মাৰ উদ্দেশ্যে আচল কথাটো বেকত কৰা নাছিলো। এজেন ক'লে আপোনাক ডেৰ বজাত গেটত দেখিছিলো। কেতিয়া ক্লাছ কৰিলে। মই সেইদিনাৰ মুৰুলীৰ সকলোখিনি ভালদৰে কোৱাত সকলো আচৰিত হৈছিল।

আমি ২০২১ৰ মে'ত ঘূৰি অহাৰ কথা । বাবাৰ পৰা চিঠিৰ উত্তৰ লাভ কৰাৰ কথা চিন্তা কৰি থাকোতে হঠাৎ মোৰ সন্মুখত থকা টেবুলত এখিলা কাগজ আৰু এটা পেনৰ আবিৰ্ভাৱ হয়। মোৰ কাণত সম্পূৰ্ণভাৱে কলম লৈ কাগজত লিখাৰ আদেশ দিয়ে। মই কলমটো কেৱল ধৰি গৈছো। লিখাবোৰ auto writing ইপিঠি-সিপিঠি দুয়োতে লিখি শেষ হোৱাত প্ৰভু শ্ৰীশ্ৰী শিৱ বাবা বুলি চহী কৰো । আমাৰ ঘৰৰ কাৰণে এটা মধুফল দিছে। মই ইংৰাজীত প্ৰশ্ন কৰিছিলো। উত্তৰ কিন্তু অসমীয়াত পালো। মই ধ্যানত ভগৱানক সুধিছিলো—অসমীয়াত উত্তৰ দিয়াৰ কাৰণ কি? উত্তৰত জনাইছিল— ঈশ্বৰে সকলো ভাষা জানে। তই অসমীয়া গতিকে অসমীয়া ভাষাতে উত্তৰ দিছো। চিঠিৰ উত্তৰ পোৱাত ভগৱানৰ প্ৰতি গভীৰ সেৱা আৰু কৃতজ্ঞতা জনাইছিলো। ন মে' ২০২১ত উভতনি যাত্ৰা ৰেলেৰে আৰম্ভ কৰিলো। মনটো কেৱল এটাই চিন্তা মধুফলৰ। খুব ভাল লাগিল যদিও মধুফল নোপোৱাৰ বেদনা ৰৈ গ'ল। জয়পুৰ এৰি কিছুদূৰ অহাৰ পাছত মুখ মচিবৰ কাৰণে পকেটৰ পৰা ৰুমালখন উলিওৱাত ৰুমালৰ লগত তিনিটা মধুফল দেখা পাই কিমান যে আনন্দ লাগিছিল ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।

এক শ্ৰেণীৰ মানুহে কয় ভগৱান নাই বুলি। তেন্তে এয়া কি?

## চুটি জীৱনকালত সাফল্যৰ অভিলেখ (তিনি)



# কনকলতা

### *জীৱনীকাল*
### *১৮ বছৰ মাত্ৰ*
### (১৯২৪-১৯৪২)

**ড° নীলমোহন ৰায়**
*ফোন : ৯৮৬৪০৬৪২৭৪*

**স্বদেশৰ** স্বাধীনতা, তাৰ অৰ্থে যিয়ে
জীৱন উৎসৰ্গা কৰি মৰে সমৰত,
মৃত্যু তাৰ হয় শান্তি, মহানিদ্ৰা তাৰ
অনন্ত বিশ্ৰাম মাথোঁ বিশ্বজনীনৰ
কোলাত (শান্তিৰে ভৰা) অগ্নি তাৰ কাষে
সুধাংশুৰ ৰশ্মি যেন, ভূমিশয্যা তাৰ
ফুলৰ কোমল শয্যা, শেল শূল গাত
মাথোঁ পুষ্প বৰিষণ।

—হিতেশ্বৰ বৰবৰুৱা

স্বাধীনতাক জন্মস্বত্ব বুলি ভবাজনে নিজৰ প্ৰাণ দি হ'লেও তাক ৰক্ষা কৰিব বিচাৰে। তেওঁৰ বাবে মৃত্যুবৰণহে প্ৰথম আৰু মুখ্য, পাৰ্থিৱ কামনা-বাসনা, সুখ-আদি গৌণ। ৪২ৰ গণ আন্দোলনত এগৰাকী ১৮ বছৰ বয়সীয়া গাভৰুৱে স্বাধীনতাৰ হকে যুঁজিবলৈ গৈ নিজৰ মৃত্যুদানৰ মাজেৰে দৃঢ়তাৰে সেই কথা প্ৰমাণ কৰি গ'ল।

দৰং জিলাৰ গহপুৰ অঞ্চলৰ বৰঙাবাৰী নামৰ গাঁৱত ১৯২৪ৰ ২২ ডিচেম্বৰত জন্মগ্ৰহণ কৰিছিল এইগৰাকী বীৰাংগনাই। মাক-দেউতাক আছিল ক্ৰমে বাণেশ্বৰী বৰুৱা আৰু কৃষ্ণকান্ত বৰুৱা। কনকলতাৰ পাছত মাকৰ আৰু দুটা সন্তাৰ জন্ম হয়। কনকলতাৰ পাঁচ বছৰ বয়সত মাতৃ বিয়োগ ঘটে। স্বাভাৱিকতে কনকলতাই মাতৃস্নেহ ভালদৰে লাভ কৰিব নোৱাৰিলে। ১৯২৯ত পিতৃ কৃষ্ণকান্তই দ্বিতীয়বাৰ বিবাহপাশত আবদ্ধ হয়।

১৯৩১ত কনকলতাৰ যেতিয়া সাত বছৰ বয়স তেতিয়া কলংপুৰ মৌজাৰ গমিৰি উচ্চতৰ বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ৰায়ত সভাৰ প্ৰভাৱ পৰিছিল বালিকা কনকলতাৰ ওপৰত। জ্যোতিপ্ৰসাদ আগৰৱালা, চন্দ্ৰপ্ৰভা শইকীয়ানী প্ৰভৃতি নেতা-নেত্ৰীৰ বক্তৃতা আৰু কংগ্ৰেছ ভলেণ্টিয়াৰসকলৰ মুখত দেশাত্মবোধক গান শুনি কনকলতা আপ্লুত হৈছিল। ভলেণ্টিয়াৰসকলে গাইছিল জ্যোতিপ্ৰসাদৰ দেশাত্মবোধক গীতবোৰ—

ভাৰত জুৰি জ্বলিছে সৌৱা
যুঁজৰ অগনি শিখা
তই অসমীয়া টোপনি নেৰিলি
কিনো কপালৰ লেখা।
আৰু
তই কৰিব লাগিব অগ্নিস্নান
সাজু হ সাজু হ নৱজোৱান
সাজু হ সাজু হ নৱজোৱান

কংগ্ৰেছী ভলেণ্টিয়াৰসকলৰ মুখত এনে ধৰণৰ দেশাত্মবোধক গীতবোৰ শুনি বালিকা কনকলতাৰ তেজৰ সিৰাই সিৰাই তীব্ৰ শিহৰণ জাগি উঠে। বন্দিনী ভাৰতমাতাৰ বেদনাত তাইৰ অন্তৰ বিগলিত হয়। আবেগৰ তীব্ৰ জোকাৰণিত কনকলতা উত্তপ্ত হৈ উঠে। বন্দিনী ভাৰত জননীক শৃংখলামুক্ত কৰাৰ প্ৰতিজ্ঞাবাণীত তাই দৃঢ়সংকল্পবদ্ধ হয়। তাই মনে মনে সংকল্প গ্ৰহণ কৰে ডাঙৰ হ'লে তাই মাতৃভূমিৰ মুক্তিৰ বাবে যুঁজ দিব, প্ৰয়োজনত জীৱন।

স্বদেশৰ মুক্তিব্ৰতেৰে দৃঢ় সংকল্পবদ্ধ হৈ 'কৰিম অথবা মৰিম'— এই মহামন্ত্ৰেৰে দীক্ষিত হৈ কনকলতাই কংগ্ৰেছৰ মৃত্যু বাহিনীত যোগদান কৰে। কংগ্ৰেছে ১৮ ছেপ্টেম্বৰতেই সিদ্ধান্ত লৈছিল ২০ তাৰিখে গহপুৰ থানাত কংগ্ৰেছৰ ত্ৰিৰংগা পতাকা উৰুৱাব। নিৰ্দিষ্ট দিনৰ পুৱা সাত বজাৰ লগে লগে বিভিন্ন প্ৰান্তৰ 'কৰিম অথবা মৰিম' মহামন্ত্ৰেৰে দীক্ষিত মৃত্যু বাহিনীৰ ডেকা-গাভৰু দলে দলে আহি গহপুৰ থানা অভিমুখে সমদলৰ বাবে প্ৰস্তুত হ'ল। পুৰুষ সমদলৰ সন্মুখ ভাগত ত্ৰিৰংগা পতাকা লৈ আগবাঢ়িল বিপ্লৱী মুকুন্দ কাকতী। মহিলা সমদলৰ সন্মুখত ত্ৰিৰংগা স্বাধীনতাৰ পতাকা লৈ আগবাঢ়িল কনকলতা। মুখত তাইৰ দেশাত্মবোধক গীত—

ডেকা গাভৰুৰ দল
বীৰ বীৰাংগনাৰ দল
খোজৰ ভৰত ৰাঙলী ৰূপহী
কৰহি ধৰণী তল।

এটা সনয়ত সাত মাইল দূৰত্ব অতিক্ৰম কৰি সমদল আহি গহপুৰ থানা পালে। কনকলতা 'বন্দেমাতৰম', 'ভাৰতমাতা কি জয়' আদি ধ্বনিৰে আগবাঢ়ি গ'ল। লগে লগে প্ৰতিপক্ষই আদেশ দিলে—'ফায়াৰ, ফায়াৰ'! ইংৰাজ চিপাহীৰ বন্দুকৰ গুলিৰ 'গুৰুম গুৰুম' শব্দই আকাশ কঁপাই তুলিলে। বগাই কছাৰী নামৰ এজন দেশী কনিষ্টবলৰ বন্দুকৰ গুলিয়ে অতৰ্কিতে কনকলতাৰ বুকু ভেদ কৰিলে। বুকুৰ তেজেৰে দেশ-জননীৰ কোমল মাটি ৰাঙলী হ'ল, কনকলতা ঢলি পৰিল। কনকলতাৰ হাতৰ পৰা পৰিবলৈ ধৰা পতাকাখন মুকুন্দ কাকতীয়ে দাঙি ধৰিলে। আন এটা গুলিয়ে মুহূৰ্ততে তেওঁৰো বুকু ভেদি গ'ল। মুকুন্দ আৰু কনকলতাৰ তেজৰ ধাৰা মিহলি হ'ল। তেওঁলোকৰ অবিনশ্বৰ প্ৰাণ দুটি স্বদেশ মুক্তিব্ৰতী শতসহস্ৰ ভাৰতবাসীৰ তেজৰ অণু-পৰমাণুত মিলি গ'ল।

** লেখকৰ 'অকাল প্ৰয়াত মানুহৰ স্মৰণীয় কথা' পুথিৰ পৰা লোৱা হৈছে। পুথিখনিৰ প্ৰকাশক এন এল পাব্লিকেছনছ, পাণবজাৰ, গুৱাহাটী*

# জননীৰ দুখেই দিছপুৰৰ দুখ হওক

**প্ৰিয়ংকু নাৰায়ণ বৰুৱা**

**'আয়া** ৰাম গয়া ৰাম'ৰ কাহিনীটো মনত আছেনে? দলত্যাগ সাম্প্ৰতিক ৰাজনীতিৰ এক অশুভ পৰম্পৰা। তথাপি ই বহুলভাৱে চলিছে। আদৰ্শৰ উৰ্ধ্বত বাঘে-ছাগে একাকাৰ ৰাজনৈতিক সমীকৰণো চলি আহিছে। গতিকে কাকনো বুলিবা ককা সকলোৱে দাঢ়ি চুলি পকা।

প্ৰসংগক্ৰমে উল্লেখ্য যে ৰাজনৈতিক-অৰাজনৈতিক দলসমূহে ৰাজনৈতিক অংকৰ সমান্তৰালকৈ প্ৰকৃতাৰ্থত জাতি-মাটি-ভেটি আৰু সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰত ৰাইজে আস্থাত ল'ব পৰাকৈ আপোচবিহীন স্থিতি ল'ব পাৰিব লাগিব। আভুৱা ভাঁৱা কথা-বতৰা সাময়িক মোহিনী মন্ত্ৰহে। এনে নিচা বেছিদিন নাথাকে। ৰাজনৈতিকভাৱে সাধাৰণ মানুহ অভিজ্ঞ হৈছে। ৰাজনৈতিক 'কানি' খালেও স্বজ্ঞানে উপায়ান্তৰ হৈহে খাইছে।

অসমত ৰাজনীতিৰ সুৰুঙা বিচাৰোতেই শেষ। এফালে নিৰ্লিপ্ত কংগ্ৰেছ আঞ্চলিক শিবিৰ আনফালে ৰাহুল গান্ধীক 'জোকাৰ' 'পপ্পু নাম্বাৰ -১' আদি সংলাপ গাই থানাই থানাই পক্ষ-প্ৰতিপক্ষ হৈ ভিৰ কৰাৰ প্ৰতিযোগিতাতেই সীমিত অসমীয়াৰ ছেণ্টিমেণ্ট। ভীষণ নৰীয়াত জননী জন্মভূমি।

অসমৰ শেহতীয়া ৰাজনৈতিক প্ৰেক্ষাপটত বিভিন্ন কাৰকৰ প্ৰভাৱত বিজেপি অপ্ৰতিৰোধ্য। কিন্তু পৰম নিষ্ঠাৰে ঐক্যবদ্ধ হ'লে সমাগত দিনত বিৰোধী শক্তিশালী হ'ব পাৰে। এই ক্ষেত্ৰত কংগ্ৰেছে আঞ্চলিক দলসমূহৰ স'তে সংপৃক্ত হৈ সৰলৰৈখিক ধাৰা এটাৰে চলিব লাগিব। আদৰ্শগত বিৰোধাভাস সত্ত্বেও সুস্থ গণতন্ত্ৰৰ বাবে বিৰোধী শক্তিশালী হোৱাটো ভাল এই অনুভৱ একান্ত। সময় আৰু ধৈৰ্যসহ ধাৰাবাহিক আৰু বিশেষ চেষ্টা লাগিব। গণসংযোগত সংখ্যাতকৈ গুণগত সম্পৰ্কৰ দৃঢ়তা অধিক। এনে সম্পৰ্ক তৈয়াৰ এক মধুৰ প্ৰত্যাহ্বান । নম্বৰ আপেক্ষিক। সহজে সলনি হৈ যায়। অসমৰ শেহতীয়া ৰাজনীতিলৈ লক্ষ্য কৰিলে দেখা যাব যে বৰ্তমান শাসনত থকা চৰকাৰখনে যেন ক'ৰবাত ভবা ধৰণে আগবাঢ়ি যোৱাত প্ৰতিবন্ধকতাৰ সন্মুখীন হৈছে। হয়তো সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থাকোতেও ভিন্ন দিশৰ প্ৰতিবন্ধকতা আছিল। ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰাসী চৰিত্ৰ আৰু উদ্যমিতাৰ বাবে সেই প্ৰতিবন্ধকতাসমূহ চকুত পৰা হ'ল। এশ এবুৰি সমস্যাত ককবকাই থকা ৰাজ্যখনৰ ভয়াবহ বানপানী সমস্যা, বিদেশী বিতৰ্ক, উগ্ৰপন্থী সমস্যা, উন্নয়ন আৰু অৰ্থনৈতিক স্থবিৰতা আদি দূৰ কৰাত বিজেপি নেতৃত্বই কেন্দ্ৰৰ সহযোগত গতিশীল আঁচনি ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। তদুপৰি বৃহৎ নদীবান্ধ, অনুপ্ৰৱেশৰ দৰে সংবেদনশীল সমস্যা সন্দৰ্ভত ৰাজ্যিক বিজেপি নেতৃত্বৰ স্পষ্ট স্থিতি জনসাধাৰণৰ কাম্য। তদানীন্তন চৰকাৰৰ পদক্ষেপসমূহ দৃঢ় আৰু সুপৰিকল্পিত হ'ব লাগিব।

অসম চৰকাৰৰ উন্নয়নৰ শ্ল'গানক অৰ্থহীন প্ৰতিপন্ন কৰিছে নিটি আয়োগে যি আয়োগৰ অধ্যক্ষ স্বয়ং দেশৰ প্ৰধানমন্ত্ৰী। খোৱাপানী, জীৱন-জীৱিকাৰ পৰা আৰম্ভ কৰি জনস্বাস্থ্য, বিপদগ্ৰস্ততা, সকলো দিশতে পিছপৰি আছে অসম। কাৰ্যতঃ অসমৰ স্থান নগালেণ্ড কিম্বা মেঘালয়তকৈও বহু তলত। উল্লেখ্য যে নিটি আয়োগে শেহতীয়াকৈ প্ৰকাশ কৰা বহনক্ষম উন্নয়নৰ দিশৰ পৰা ৰাজ্যসমূহৰ স্থান সম্পৰ্কীয় তালিকাত অসমৰ নাম একেবাৰে শেষৰ পৰা বিহাৰ আৰু ঝাড়খণ্ডৰ ওপৰতহে আছে। নিটি আয়োগে প্ৰতিবছৰে ১৭টা বিষয়ক মাপক হিচাপে লৈ কোন কোন ৰাজ্য এই বিষয়সমূহ বাস্তৱায়িত কৰিব পাৰিছে তাকে লৈ প্ৰতিবেদন প্ৰস্তুত কৰি আহিছে।

নিটি আয়োগৰ উপাধ্যক্ষ ৰাজীৱ কুমাৰে মুকলি কৰা ভাৰতৰ বহনক্ষম উন্নয়নৰ লক্ষ্য সূচকাংক ২০২০-২১ৰ প্ৰতিবেদনত অসমে ৫৭ নম্বৰ লাভ কৰি তলৰ ফালৰ পৰা তিনি নম্বৰ স্থান অধিকাৰ কৰাৰ বিপৰীতে শীৰ্ষ স্থানত থকা কেৰালাই লাভ কৰে ৭৫ নম্বৰ। কেৰালাৰ পাছতে তামিলনাডু আৰু হিমাচল প্ৰদেশে যুটীয়াভাৱে ৭৪ নম্বৰ লাভ কৰি দ্বিতীয় স্থানত থাকে। উল্লেখ্য যে এইবাৰৰ সূচকাংকত ২০১৯ৰ তুলনাত মিজোৰাম, হাৰিয়ানা আৰু উত্তৰাখণ্ডই ক্ৰমে ১২, ১০ আৰু আঠ নম্বৰ বৃদ্ধিৰে ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। উক্ত প্ৰতিবেদনৰ মতে সুস্বাস্থ্য আৰু ভাল অৱস্থা আৰু লিংগ সমতাৰ ক্ষেত্ৰত অসমৰ স্থান আটাইতকৈ তলত, সুস্বাস্থ্য প্ৰদানত অসমে ৫৯ নম্বৰ লাভ কৰাৰ বিপৰীতে লিংগ সমতাৰ ক্ষেত্ৰত লাভ কৰিছে মাত্ৰ ২৫ নম্বৰ। আনহাতে অসমৰ ৩১.৯৮ শতাংশ লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে আৰু দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰত ৰাজ্যখনে ৫১ নম্বৰ লাভ কৰি তলৰ পৰা সপ্তম স্থানত আছে। একেদৰে শিক্ষাৰ মানত অসমৰ স্থান হ'ল তলৰ পৰা পঞ্চম (৪৩ নম্বৰ)। ক্ষুধাহীনতাৰ ক্ষেত্ৰত অসমে ৪১ নম্বৰ লাভ কৰি তালিকাৰ ফালৰ পৰা ষষ্ঠ স্থানত আছে। নিটি আয়োগৰ বহনক্ষম উন্নয়ন সূচকাংকৰ তালিকাত ২০২০-২১ত শোচনীয় প্ৰদৰ্শন কৰা সাতখন ৰাজ্য হৈছে ক্ৰমে বিহাৰ (৫২), ঝাৰখণ্ড (৫৬), অসম (৫৭), অৰুণাচল প্ৰদেশ (৬০), মেঘালয় (৬০), ৰাজস্থান (৬০) আৰু উত্তৰ প্ৰদেশ (৬০)। সামগ্ৰিকভাৱে শেষৰ পৰা অসম তিনি নম্বৰত আছে আৰু প্ৰথমৰ পৰা অসম ২৬ নম্বৰত আছে। অসমৰ পাছত ৫৬ পইণ্টেৰে ঝাড়খণ্ড আৰু ৫২ পইণ্টেৰে বিহাৰৰ অৱস্থা আৰু শোচনীয়। দৰিদ্ৰতা, সুস্বাস্থ্য, শিক্ষা, পৰিস্কাৰ পানী, পৰিস্কাৰ ইন্ধন, উদ্যোগ, উদ্ভাৱন আৰু আন্তঃগাঁথনি, জলবায়ু সংৰক্ষণ আৰু সহযোগিতা আদিৰ ক্ষেত্ৰত অসমৰ উন্নয়ন তেনেই ন্যূনতম। যোৱা দশকটোত অসমে এনে কোনো ক্ষেত্ৰতেই উল্লেখনীয় কোনো কাম কৰি দেখুৱাব পৰা নাই। নিটি আয়োগৰ এই প্ৰতিবেদনত প্ৰতিফলিত হৈছে অসম চৰকাৰৰ এই সীমাবদ্ধতা। উদাহৰণ স্বৰূপে অসমৰ মাত্ৰ ২৫ শতাংশ লোকেহে পায় খোৱাপানী। একেদৰে প্ৰসূতিৰ মৃত্যুৰ হাৰো উদ্বেগজনক।

ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দৰ বিকাশ লক্ষ্য সমূহ অসমৰ দৰে ৰাজ্যসমূহে বাস্তৱায়িত কৰাৰ



ক্ষেত্ৰত সফল নোহোৱাৰ পাছত পৰৱৰ্তী লক্ষ্য হিচাপে নিৰ্ধাৰণ কৰা হৈছিল বহনক্ষম উন্নয়ন লক্ষ্য, কিন্তু এতিয়া এনে লক্ষ্যসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰতো অসমে পিছ পৰি ৰ'বলগীয়া হোৱাটো অতি দুৰ্ভাগ্যজনক। লক্ষ্যণীয়ভাৱে যোৱা দশকটোত এই লক্ষ্যসমূহ স্পৰ্শ কৰাৰ বাবে অসমৰ দৰে ৰাজ্যতে হেজাৰ হেজাৰ কোটি টকা বিনিয়োগ কৰা হৈছে। সৰ্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, জল জীৱন মিছন তথা বিশ্ব বেংকৰ পুঁজিৰে চলা প্ৰকল্পসমূহ তাৰেই উদাহৰণ। নিটি আয়োগৰ প্ৰতিবেদন অনুসৰি দেশৰ ভিতৰতে ষষ্ঠতম দৰিদ্ৰ ৰাজ্য। তদুপৰি, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত মেঘালয়ৰ পাছতে অসম সবাতোকৈ দৰিদ্ৰ ৰাজ্য। উত্তৰ-পূৰ্বাঞ্চলৰ আন কেইখন ৰাজ্য ক্ৰমে নগালেণ্ড, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম আৰু ছিকিমৰ অৱস্থা অসমতকৈ টনকিয়াল।

কেৱল বৃহৎ উদ্যোগ গঢ়িলেই নহ'ব সাধাৰণ মানুহৰ সুষম বিকাশৰ অৰ্থে স্বাৱলম্বিতাৰ চৰ্চা হোৱা উচিত। অসমৰ মৃতপ্ৰায় উদ্যোগসমূহ জীয়াই তুলিব লাগিব। অসমৰ মানুহৰ হাতত অসমৰ সম্পত্তিৰ সুৰক্ষিতকৰণত গুৰুত্ব দিয়াৰ চেষ্টা কৰিব নিশ্চয় অসমৰ সাংসদসকলে।


একেবাৰে বাস্তৱ কথাটো হ'ল সাধাৰণ মানুহে বিকাশৰ ভেটি তৈয়াৰ হোৱাটো বিচাৰে। কেৱল বৃহৎ উদ্যোগ গঢ়িলেই নহ'ব সাধাৰণ মানুহৰ সুষম বিকাশৰ অৰ্থে স্বাৱলম্বিতাৰ চৰ্চা হোৱা উচিত। অসমৰ মৃতপ্ৰায় উদ্যোগসমূহ জীয়াই তুলিব লাগিব। অসমৰ মানুহৰ হাতত অসমৰ সম্পত্তিৰ সুৰক্ষিতকৰণত গুৰুত্ব দিয়াৰ চেষ্টা কৰিব নিশ্চয় অসমৰ সাংসদসকলে। কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অন্যান্য বেজেপি সাংসদসকলৰ পৰা অসমৰ ৰাইজৰ প্ৰত্যাশ্যা সৰ্বাধিক। কেন্দ্ৰত চৰকাৰে অসমৰ ৰাইজৰ সংবেদনশীলতা অথবা অসমৰ সমস্যাসমূহৰ সঠিক চৰিত্ৰৰ উমান পোৱাত যোগসূত্ৰৰ ভূমিকা লৈ সৎ মানসিকতা প্ৰদৰ্শন কৰাত অসমৰ বিজেপি নেতৃত্বৰ কৰণীয় কিছু নিশ্চয় আছে। মোদীটোৰ ভৰসাত নহয় অসমৰ ৰাজনীতিত কাজে-কৰ্মই সম্ভাৱনা তৈয়াৰ কৰিব সমৰ্থ হ'ব লাগিব ৰাজ্যিক বিজেপি। কঠোৰ সমালোচনাও গ্ৰহণ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব। কাৰণ যাৰ প্ৰতি আন্তৰিকতা থাকে তাকেই ৰাইজে সমালোচকৰ দৃষ্টিৰে লক্ষ্য ৰাখে। ইতিবাচক সমালোচনাক গুৰুত্ব দি আগবাঢ়িব লাগিব বিজেপি নেতৃত্ব। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সম্পৰ্কে ৰাইজ বিভ্ৰান্ত হোৱা দেখা গৈছে। সহজবোধ্য ৰূপত ইয়াক উপস্থাপনৰ প্ৰয়োজন। মোদীৰ ব্যক্তিত্বই আমাক আকৰ্ষিত কৰে। আমি আশা কৰিম মোদীৰ নেতৃত্বত এখন উন্নত ভাৰত গঠন হ'ব। সমান্তৰালভাৱে অসম তথা উত্তৰ-পূবৰ সাধাৰণ ৰাইজৰ আশা-আকাংক্ষাবোৰৰ যাতে সমাধিস্থ নহয় সেয়াও জৰুৰী। অসমৰ ৰাইজৰ আশাক বাস্তৱায়িত কৰাৰ দিশত ৰাজ্যিক বিজেপি নেতৃত্বৰ তৎপৰতা নিশ্চয়কৈ জৰুৰী বিবেচিত হ'ব।

কিছুমান কথাৰ আলোচনাবোৰ বৰ পাক লগা ধৰণৰ কিন্তু আলোচনা নকৰিলেও নহয়। সৌ সিদিনালৈকে শাসনত থকা কংগ্ৰেছৰ যি বিধ্বস্ত ৰূপ পৰিলক্ষিত হ'ল তাৰ দ্বাৰা স্পষ্ট হয় যে ৰাজনীতিত কোনো ব্ৰেণ্ডেই স্থায়ী নহয়। গান্ধী মাৰ্কা ৰাজনীতিক প্ৰত্যাখ্যান জনাই এইবাৰ ৰাইজে পৰীক্ষা কৰিছে মোদী ফৰ্মূলা। বিভিন্ন সময়ত মোদী চৰকাৰে কিছু অভিলাষী আঁচনি তৈয়াৰ কৰা দেখা গৈছে যদিও তৃতীয় বিশ্বৰ ১২০ কোটিৰো অধিক জনসংখ্যাৰ উন্নয়নশীল দেশ ভাৰতবৰ্ষৰ ক্ষেত্ৰত ব্যক্তিৰ বিকাশ আৰু জীৱন-সম্পত্তিৰ সুৰক্ষাৰ দিশটোও সমান্তৰালভাৱে গুৰুত্বসহকাৰে মনত ৰাখিব লাগিব। উন্নয়ন আৰু বিকাশৰ আঁচনি লাগিবই কিন্তু সাধাৰণ মানুহৰ জীৱন আৰু সম্পত্তিৰ ক্ষেত্ৰত আপোচ নকৰিলেই মংগল। আন্তঃগাঁথনিৰ উন্নয়ন আৰু জনমুখী অৰ্থনৈতিক নীতি গ্ৰহণ আৰু মুক্ত অৰ্থনীতিৰ পৰিকাঠামো তৈয়াৰ হওঁক কিন্তু সমগ্ৰ প্ৰক্ৰিয়াটোত যাতে সাধাৰণ জনতাৰ অংশগ্ৰহণ আৰু সুষম বিকাশৰ দিশটো গুৰুত্বপূৰ্ণ বিবেচিত হয়। শিক্ষা, স্বাস্থ্য, উদ্যোগ, কৰ্মসংস্থাপন আদি সকলো দিশতে মোদী চৰকাৰ অথবা অসমত শৰ্মা নেতৃত্বাধীন চৰকাৰে শক্তিশালী নীতি গ্ৰহণ কৰিব কিন্তু সমান্তৰালভাৱে সংশয়জনিত দিশসমূহ গুৰুত্ব সহকাৰে ল'ব লাগিব।

ডঃ পি জে আব্দুল কালামেও কৈ গৈছে, 'সকলো চৰায়েই বৰষুণত গছৰ ডালত আশ্ৰয় লয়, কিন্তু ঈগলে মেঘৰ ওপৰত উৰি ডাৱৰক কটাক্ষ কৰে। সমস্যা একেই, কিন্তু সমাধানৰ পক্ষই পাৰ্থক্য আনি দিয়ে।' পুনৰ কৈছো উন্নয়ন আৰু প্ৰগতিৰ সোপান ৰচাৰ কথা কোৱা বিজেপিৰ দিনত অসমত কিছু ইতিবাচক খবৰ দেখা গৈছে। অৱশ্যেই সাগৰলৈ বহুদূৰ। বহুকৰণীয় ৰৈ গৈছে। সেয়া জল-জল পট্-পটকৈ দৃষ্টিগোচৰ হৈছে। সম্ভৱতঃ কিছু কথা কিছু কাম 'মেনেজ' নহয়। বহু উৰ্ধ্বত বৰ মহৎ দায়বদ্ধতা। আমি আশাবাদী।

*ফোন : ৮৬৩৮৫৫৪৬৫৩*

## বিবাহ আদিত ৫০ লাখতকৈ অধিক ধন ব্যয় কৰিলে তথ্য বিচাৰিব আয়কৰে



**নিউজ ব্যুৰ', কানপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** ধনাঢ্য ব্যক্তিসকলৰ ব্যয়ৰ দিশত কঠোৰ দৃষ্টি ৰাখিব আয়কৰ বিভাগে। ২০২২-২৩ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটত চৰকাৰে আয়কৰ অধিনিয়মৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন কৰিছে। এতিয়াৰে পৰা কোনো পৰিয়াল বা ব্যক্তিয়ে ঘৰুৱা অনুষ্ঠান আয়োজনৰ ক্ষেত্ৰত ৫০ লাখ টকাতকৈ অধিক ধন ব্যয় কৰিলে উক্ত ব্যক্তিয়ে আয়কৰৰ জবাবদিহি হ'ব লাগিব। বিবাহ তথা অন্যান্য ঘৰুৱা অনুষ্ঠানত ৫০ লাখতকৈ অধিক ধন ব্যয় কৰা ব্যক্তিয়ে উক্ত অনুষ্ঠানৰ ব্যয়ৰ সকলোবোৰ নথিপত্ৰ ১০ বছৰলৈকে সংৰক্ষণ কৰি ৰাখিব লাগিব। এই সময়ছোৱাৰ ভিতৰত আয়কৰ বিভাগে বিষয়টোৰ সন্দৰ্ভত উক্ত ব্যক্তিক সোধা-পোছা কৰিব পাৰে।

## অৰ্থনীতি ত্বৰান্বিত কৰিবলৈ বেংকক পৰামৰ্শ সীতাৰমণৰ, অধিক ঋণ মঞ্জুৰ কৰক



নিউজ ব্যুৰ', নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ দেশৰ বেংকসমূহক প্ৰকৃতাৰ্থত গ্ৰাহক-বন্ধু হ'বলৈ পৰামৰ্শ দিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। কালি দেশৰ উদ্যোগক্ষেত্ৰৰ স'তে জড়িত বিশিষ্ট ব্যক্তিসকলৰ স'তে এখন বৈঠকত অংশ লোৱাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে বেংকসমূহে নীতি গ্ৰহণ কৰিব লাগিব যাতে ইচ্ছুকসকলে সহজে ঋণ লাভ কৰিব পাৰে। অৱশ্যে ইয়াৰ লগতে সীতাৰমণে এই কথাও স্পষ্ট কৰি দিয়ে যে কোনো ঋণৰ আবেদনত যাতে প্ৰতিকূল শংকাৰ ক্ষেত্ৰত বেংকে ক্ৰেডিট আণ্ডাৰৰাইটিং ষ্টেণ্ডাৰ্ডত নমনীয়তা অৱলম্বন নকৰে। উল্লেখ্য যে কৰ'নাৰ সংক্ৰমণৰ ফলত বিধ্বস্ত অৰ্থনীতিক পুনৰ শক্তিশালী কৰিবলৈ নৰেন্দ্ৰ মোদীৰ চৰকাৰে ষ্টাৰ্টআপত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এইসমূহ ষ্টাৰ্টআপে যাতে ঋণ লাভৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন নহয় তাৰ প্ৰতি বিশেষ নজৰ ৰাখিবলৈ দেশৰ বেংকসমূহক দেশৰ বিত্তমন্ত্ৰীয়ে পৰামৰ্শ দিলে। সীতাৰমণে এই বৈঠকতে বেংকসমূহক আহ্বান জনাই কয় যে দেশৰ অৰ্থনীতি ত্বৰান্বিত কৰিবলৈ হ'লে প্ৰতিটো বেংকে বৰ্তমানৰ তুলনাত অধিক পৰিমাণত ঋণ প্ৰদানত অগ্ৰাধিকাৰ দিব লাগিব।

## স্বাভাৱিক হ'ব আন্তৰ্জাতিক বিমান সেৱা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** অহা ১৫ মাৰ্চৰ পৰা ভাৰতত আন্তৰ্জাতিক বিমান সেৱা পুনৰ নিয়মিতভাৱে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। বিদেশীৰ আগমন আৰু প্ৰস্থানৰ বাবে ভাৰতীয় বিমানকোঠসমূহত ষ্টেণ্ডাৰ্ড অপাৰেটিং পদ্ধতি কাৰ্যকৰী কৰা হ'ব। বিগত কিছু দিন ধৰি দেশত ক'ভিডৰ সংক্ৰমণ ধাৰাবাহিকভাৱে হ্ৰাস পাইছে আৰু ক'ভিড পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য মন্ত্ৰণালয়ৰ স'তে আলোচনা কৰি দেশৰ অসামৰিক বিমান পৰিবহণ বিভাগে আন্তৰ্জাতিক বিমান সেৱা পুনৰ নিয়মিতভাৱে আৰম্ভ কৰাৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰিছে। অৱশ্যে এতিয়াও বিভাগীয়ভাৱে এই বিষয়ত কোনো ঘোষণা কৰা হোৱা নাই। চৰকাৰী সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি অহা ১৫ মাৰ্চৰ পৰা ভাৰতত আন্তৰ্জাতিক বিমান সেৱা পুনৰ প্ৰৱৰ্তিত হ'ব পাৰে।

## শিৱসেনা-বিজেপিৰ বন্ধুত্বৰ বাবে সঞ্জয় ৰাউটক সাক্ষাৎ কৰিব ৰামদাসে



**নিউজ ব্যুৰ', মুম্বাই, ২২ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় সামাজিক ন্যায় ৰাজ্যমন্ত্ৰী তথা ৰিপাব্লিকান পাৰ্টি অব্ ইণ্ডিয়াৰ মুৰব্বী ৰামদাস আঠাৱলেয়ে ঔৰংগাবাদত এক গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিলে। ৰামদাসে কয় যে শিৱসেনা আৰু বিজেপিৰ পুনৰ মিত্ৰতাৰ সন্দৰ্ভত তেওঁ শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউটক অচিৰে সাক্ষাৎ কৰিব। ৰিপাব্লিকান পাৰ্টি অব ইণ্ডিয়াৰ মুৰব্বীজনে লগতে কয় যে বৃহনমুম্বাই পৌৰ নিগম (বিএমচি)ৰ আগন্তুক নিৰ্বাচনত তেওঁৰ দলে বিজেপিৰ স'তে মৰ্চা গঠনৰে প্ৰতিদ্বন্দ্বিতা কৰিব।

### ৰুছ আক্ৰমণক প্ৰত্যুত্তৰ দিবলৈ সকলো কাম-কাজ, পৰিয়াল, সন্তানক এৰি বন্দুক লৈ হ'ল সাজু

# ইউক্ৰেইনৰ এইসকল সুন্দৰী সৈনিকে দেশৰ বাবে দিব প্ৰাণ আহুতি

**নিউজ ব্যুৰ' কীভ, ২২ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰিবলৈ উদ্যত হোৱাত সম্ভাব্য ৰুছ সৈনিকৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ সাজু হ'ল কীভৰ সেনা বাহিনী। ইউক্ৰেইনৰ সেনা বাহিনীৰ অন্যতম এক অংগ হৈছে মহিলা সেনা বাহিনী। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত ইউক্ৰেইনৰ এই মহিলা সেনা বাহিনীয়ে সময়ে সময়ে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষিত কৰি আহিছে। ৰাছিয়াই ইউক্ৰেইনক চাৰিও দিশৰ পৰা ঘেৰি ধৰি আক্ৰমণৰ বাবে সাজু হোৱা বুলি বাতৰি প্ৰচাৰিত হোৱাৰ পাছতে এতিয়া ইউক্ৰেইনৰ সেনা বাহিনীৰ এইসকল সুন্দৰী মহিলা সদস্যায়ো হাতত অস্ত্ৰ তুলি মাতৃভূমিক ৰক্ষা কৰিবলৈ প্ৰস্তুত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অন্যান্য বিভিন্ন পেছাৰ স'তে জড়িত হেজাৰ হেজাৰ মহিলাই ইউক্ৰেইনৰ সেনা বাহিনীৰ 'ছৰ্ট ছাৰ্ভিচ' সেৱাত যোগদান কৰিছে। এইসকল মহিলা সৈন্যক প্ৰদান কৰা হৈছে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ চালনাৰ প্ৰশিক্ষণ। বন্দুক চালনাৰ পৰা আৰম্ভ কৰি প্ৰাথমিক চিকিৎসা প্ৰদান আৰু আত্মসুৰক্ষাৰ বিভিন্ন কৌশল আহৰণ কৰিলে এইসকল সুন্দৰী সৈনিকে।

প্ৰকাশিত বাতৰি অনুসৰি, ইউক্ৰেইনক সাম্প্ৰতিক সংকটৰ প্ৰতি লক্ষ্য ৰাখি এইসকল মহিলাই সকলো কাম-কাজ আৰু নিজৰ ঘৰ পৰিয়াল, সন্তানক এৰি থৈ এইদৰে সেনা বাহিনীত দেশমাতৃক ৰক্ষাৰ বাবে সংকল্পৰে যোগদান কৰিছে। দেশৰ সংকটৰ প্ৰতি লক্ষ্য ৰাখি ইউক্ৰেইন চৰকাৰে ইতিমধ্যে ২০ৰ পৰা ৬০ বছৰ বয়সীয়া মহিলাক সেনাত অন্তৰ্ভুক্ত কৰিছে। দেশৰ সামৰিক বাহিনীত পূৰ্বৰে পৰা ৩০




হেজাৰৰো অধিক মহিলা সৈনিক আছিল। উল্লেখ্য যে ১৯৯৩ৰ পৰা ইউক্ৰেইনত মহিলা সৈনিকক নিযুক্তি প্ৰদান কৰা হৈছিল। বিগত তিনি দশকত দেশখনৰ মহিলা সৈনিকসকলে সকলো দিশতে পুৰুষৰ সমানে অগ্ৰসৰ হৈ নিজৰ দক্ষতা প্ৰদৰ্শন কৰি আহিছে। বৰ্তমানে দেশখনত ৩১ হেজাৰ মহিলা সৈনিক আছে আৰু ইয়াৰে ১১০০ গৰাকী হৈছে মহিলা সেনা বিষয়া। উল্লেখ্য যে যোৱা বছৰত হাইহীল চেণ্ডেল পৰিধান কৰি ইউক্ৰেইনত সুন্দৰী সৈনিকে পেৰেডত অংশ লৈ বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। শেহতীয়া সংকটৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে ৬০ বছৰীয়া মহিলাও সেনাত ভৰ্তি হৈ অস্ত্ৰচালনাৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

## আত্মপ্ৰকাশৰ দিনাই ডাউনলোডৰ অভিলেখ ট্ৰাম্পৰ ছ'চিয়েল মিডিয়া এপ্‌ৰ




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২২ ফেব্ৰুৱাৰী ঃ** এপেল এপ্ ষ্ট'ৰত আৱিৰ্ভাৱৰ দিনাই ডাউনলোডৰ ক্ষেত্ৰত অভিলেখ ৰচিলে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নিজস্ব ছ'চিয়েল মিডিয়া 'ট্ৰুথ ছ'চিয়েল'-এ। উল্লেখ্য যে কালি আমেৰিকাত ট্ৰাম্পৰ এই নতুন নিজাববীয়া সামাজিক মাধ্যম এপ্ আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল। প্ৰথম দিনাই এপেল প্লে ষ্ট'ৰত সৰ্বাধিক ডাউনলোড হোৱা এপ্ হিচাপে স্বীকৃত হ'ল 'ট্ৰুথ ছ'চিয়েল'। অৱশ্যে ডাউনলোডৰ অভিলেখ গঢ়াৰ লগতে প্ৰথমদিনা এই নতুন সামাজিক মাধ্যম এপে কিছু প্ৰযুক্তিগত সমস্যাৰো সন্মুখীন হয়। একাংশ লোকে নিজৰ নাম এই এপ্‌ত পঞ্জীয়ন কৰাবলৈ গৈ অসুবিধাৰ সন্মুখীন হৈছে। উল্লেখ্য যে ফে'চবুক, টুইটাৰ আদিৰ দৰে শীৰ্ষ স্থানীয় ছ'চিয়েল মিডিয়াই ট্ৰাম্পক নিষিদ্ধ কৰাৰ পাছত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতিজনে নিজাববীয়া সামাজিক মাধ্যম মঞ্চ মুকলি কৰাৰ সিদ্ধান্ত লৈছিল।



## ৪৯ দিন পাছত দেশৰ সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা দুই লাখৰ তললৈ নামিল

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** ৪৯ দিনৰ পাছত ভাৰতত দুই লাখৰ তললৈ নামিল মুঠ সক্ৰিয় কৰ'না আক্ৰান্তৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১৩,৪০৫ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। সোমবাৰে দেশত ১৬,০৫১ জন লোক কৰ'নাত সংক্ৰমিত হৈছিল। শনিবাৰৰ তুলনাত আজি দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা প্ৰায় তিনি হেজাৰ হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দৈনিক সংক্ৰমণৰ হাৰ আছিল ১.৯৩ শতাংশ। যোৱা ২৪ ঘণ্টাত দেশত সৰ্বাধিক ৮,০৯৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল কেৰালাত। আনহাতে, বিগত ২৪ ঘণ্টাত এই ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত প্ৰাণ হেৰুৱালে ২০৬ জন ক'ভিড ৰোগীয়ে। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ১২ হেজাৰ ১০৯ জন লোকৰ ক'ভিডত মৃত্যু হ'ল। বিগত ২৪ ঘণ্টাত দেশত সুস্থতাৰ হাৰ আছিল ৯৮.৩০ শতাংশ।

## আক্ৰমণৰ শংকা, ৰাম ৰহিমক জেড প্লাছ সুৰক্ষা হাৰিয়ানা চৰকাৰৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২২ ফেব্ৰুৱাৰী ঃ** বিতৰ্কিত স্বঘোষিত শিখ ধৰ্মগুৰু গুৰমিত ৰাম ৰহিমক অলপতে ২১ দিনৰ বাবে হাৰিয়ানাৰ কাৰাগাৰ কৰ্তৃপক্ষই সাময়িকভাৱে মুক্তি দিছিল। যোৱা সাত ফেব্ৰুৱাৰীত মুক্তি লাভ কৰিছিল 'ডেৰা সচ্ছা সৌদা'ৰ মুৰব্বীজনে। আজি ৰাম ৰহিমক জেড প্লাছ সুৰক্ষা প্ৰদানৰ কথা ঘোষণা কৰিলে হাৰিয়ানাৰ চৰকাৰে। প্ৰাণৰ প্ৰতি থকা ভাবুকিলৈ লক্ষ্য ৰাখি হাৰিয়ানা চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰকাশিত বাতৰি অনুসৰি খালিস্তানপন্থীয়ে ৰাম ৰহিমক আক্ৰমণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে আৰু উক্ত কাৰণতে 'ডেৰা সচ্ছা সৌদা'ৰ মুৰব্বীক হাৰিয়ানা চৰকাৰে জেড প্লাছ নিৰাপত্তা আগবঢ়ালে। ৫৪ বছৰীয়া ৰাম ৰহিমক ২০১৭ বৰ্ষত পঞ্চকুলাৰ চি বি আইৰ বিশেষ আদালতে প্ৰাক্তন সাংবাদিক ৰামচন্দ্ৰ ছত্ৰপতিৰ হত্যা আৰু দুগৰাকী মহিলা ভক্তক ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত কৰি ২০ বছৰৰ কাৰাদণ্ড বিহিছিল।

## বিশ্বজুৰি গেছৰ সংকট ঃ ৰন্ধন গেছৰ মূল্য এপ্ৰিলত দুগুণ বৃদ্ধিৰ শংকা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** ব্যাপক মূল্যবৃদ্ধি অব্যাহত থকাৰ সময়তে এইবাৰ পেট্ৰ'ল আৰু ডিজেলৰ পাছত ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ শংকা প্ৰকট হ'ল। অহা এপ্ৰিলৰ পৰা ৰন্ধন গেছৰ অত্যধিক মূল্যবৃদ্ধি হ'ব পাৰে। বিশ্বজুৰি সম্প্ৰতি গেছৰ এক সংকটে দেখা দিছে আৰু অহা এপ্ৰিলত এই সংকটে ভাৰতকো প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে। মূলতঃ ৰাছিয়া-ইউক্ৰেইনৰ সংঘাতৰ ফলত প্ৰাকৃতিক গেছৰ সংকটৰ সৃষ্টি হৈছে। ৰাছিয়াই ইউৰোপক গেছৰ যোগান ধৰি আহিছে। যদিহে ইউক্ৰেইন-ৰাছিয়াৰ সংঘাতে অধিক গুৰুতৰ ৰূপ ধাৰণ কৰে তেন্তে আগন্তুক সময়ত বিশ্বজুৰি চি এন জি, পি এন জিৰ লগতে ৰন্ধন গেছৰো অত্যধিক মূল্যবৃদ্ধিৰ শংকা আছে। ভাৰততো অহা এপ্ৰিলত ৰন্ধন গেছৰ তীব্ৰ সংকট সৃষ্টিৰ সম্ভাৱনা প্ৰকট হৈছে। বিশেষজ্ঞৰ মতে, প্ৰাকৃতিক গেছৰ প্ৰতি এম এম বি টি ইউৰ মূল্য বৰ্তমানৰ ২.৯ ডলাৰৰ পৰিৱৰ্তে ছয়ৰ পৰা সাত ডলাৰলৈ বৃদ্ধিৰ শংকা আছে। একেদৰে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজে উৎপাদন কৰা গেছৰ মূল্য ৬.১৩ ডলাৰৰ পৰিৱৰ্তে ১০ ডলাৰলৈ বৃদ্ধি পাব পাৰে। এনে পৰিস্থিতিত দেশৰ বজাৰতো ৰন্ধন গেছৰ মূল্য দুগুণলৈকে বৃদ্ধিৰ শংকা আছে।

## একেৰাহে ষষ্ঠ দিনলৈ মূল্য হ্ৰাস অব্যাহত বিটকইনৰ, সোণৰ মূল্য বাঢ়িল

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ সবাতোকৈ বৃহৎ, সৰ্বাধিক জনপ্ৰিয় তথা সবাতোকৈ পুৰণি ক্ৰিপ্টকাৰেন্সী বিটকইনৰ মূল্য আজি একেৰাহে ষষ্ঠ দিনলৈ হ্ৰাস পালে। বিত্তীয় বিশেষজ্ঞৰ মতে, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘাত গভীৰ হোৱাৰ ফলতে বিটকইনৰ মূল্য অৱনমিত হ'বলৈ ধৰিছে। বিশেষজ্ঞই লগতে প্ৰকাশ কৰা অনুসৰি বিটকইনৰ মূল্য ৩০,০০০ ডলাৰৰ তললৈ অৱনমিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে যোৱা বছৰৰ নৱেম্বৰত বিটকইনৰ মূল্য ৬৮,০০০ ডলাৰলৈ বৃদ্ধি পাইছিল। ক্ৰিপ্ট' এক্সচেঞ্জ ৱজীৰএক্সৰ তথ্য অনুসৰি বিটকইনৰ মূল্য আজি পুনৰ ছয় শতাংশ হ্ৰাস পোৱাত ইয়াৰ মূল্য ৩৬,৮১৩ ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ২৯,১১,০২৫ টকালৈ অৱনমিত হয়। যোৱা সপ্তাহৰ বিটকইনৰ মূল্য ৪০,০০০ ডলাৰৰ তললৈ অৱনমিত হৈছিল। বিটকইনৰ মূল্য হ্ৰাস পোৱাৰ বিপৰীতে সোণৰ মূল্য ৫০,৫০০ টকালৈ বৃদ্ধি পালে। আজি দুপৰীয়া দুই বজাত ৪৪২ টকা মূল্যবৃদ্ধিৰ জৰিয়তে প্ৰতি ১০ গ্ৰাম স্বৰ্ণৰ মূল্য আন্তৰ্জাতিক বজাৰত ৫০,৫২০ টকালৈ বৃদ্ধি পায়।



## বুৰ্কিনা ফাছ'ত সোণৰ খনিত হোৱা বিস্ফোৰণত নিহত কমেও ৫৯ জন



**নিউজ ব্যুৰ', ঔগাডউগৌউ, ২২ ফেব্ৰুৱাৰী ঃ** আফ্ৰিকাৰ দেশ বুৰ্কিনা ফাছ'ৰ দক্ষিণ-পশ্চিম অঞ্চলত সংঘটিত হোৱা এক বৃহৎ বিস্ফোৰণৰ ঘটনাত কমেও ৫৯ জন লোকৰ মৃত্যু হ'ল। এই ঘটনাত আন শতাধিক লোক গুৰুত্বৰভাৱে আহত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, এই বিস্ফোৰণ গম্বুবল'ৰা গাঁৱত থকা সোণৰ খনিৰ ওচৰত সংঘটিত হৈছিল। ধাৰণা কৰা অনুসৰি স্বৰ্ণ খনিত খননৰ বাবে ব্যৱহাৰ কৰা ৰাসায়নিকৰ বিস্ফোৰণৰ ফলতে ইমান বৃহৎ সংখ্যক লোক হতাহত হ'ল।

# পঞ্জাৱতে নহয়, উত্তৰ প্ৰদেশতো ভোটদানত বিশেষ আগ্ৰহী হোৱা নাই ভোটদাতা

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২২ ফেব্ৰুৱাৰী ঃ** দেশত সম্প্ৰতি কে'বাখনো ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন অব্যাহত আছে। উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাৱ, গোৱা আৰু মণিপুৰত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। ইতিমধ্যে উত্তৰাখণ্ড, পঞ্জাৱ আৰু গোৱাত ভোটগ্ৰহণ সমাপ্ত হ'ল। উত্তৰ প্ৰদেশত তিনিটা পৰ্যায়ত ভোটগ্ৰহণ সমাপ্ত হোৱাৰ লগতে মণিপুৰত ভোটগ্ৰহণ হ'বলৈ বাকী আছে। এতিয়ালৈকে ভোটগ্ৰহণ সমাপ্ত হোৱা ৰাজ্যকেইখনৰ ভিতৰত পঞ্জাৱত ভোটদানৰ প্ৰতি ৰাইজৰ বিশেষ আগ্ৰহ প্ৰত্যক্ষ নহ'ল। কেৱল পঞ্জাৱতে নহয়, পূৰ্বৰ দৰে উত্তৰ প্ৰদেশতো ভোটদাতাই নিজৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে এইবাৰ বিশেষ তৎপৰতা প্ৰদৰ্শন কৰা যোৱা তিনিটা পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰত্যক্ষ নহ'ল। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ২০ ফেব্ৰুৱাৰীত এটা পৰ্যায়ত নিৰ্বাচন সমাপ্ত হোৱা পঞ্জাৱত ৬৯.৬৫ শতাংশ ভোটদাতাই অংশ লৈছিল। উত্তৰ প্ৰদেশত বৰ্তমানলৈকে তিনিটা পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন হ'ল আৰু ৰাজ্যখনৰ ৬০ শতাংশৰ অধিক ভোটদাতাই ৰাজনৈতিক অধিকাৰ ইতিমধ্যে সাব্যস্ত কৰিলে। পঞ্জাৱত ২০১৭ত ৭৮.৬২ শতাংশ




লোকে ভোটদান কৰিছিল। ২০১৭ৰ তুলনাত এইবাৰৰ নিৰ্বাচনত ১০ শতাংশৰো অধিক ভোটদাতাই নিজৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ পৰা বিৰত থাকিল। গোৱাত এইবাৰৰ নিৰ্বাচনত ৭৯.৬১ শতাংশ ভোটদাতাই অংশ লৈছিল। ২০১৭ৰ নিৰ্বাচনত ৰাজ্যখনত ৮২.৫৬ শতাংশ ভোটদাতাই ৰাজনৈতিক অধিক সাব্যস্ত কৰিছিল। একেদৰে উত্তৰাখণ্ডত এইবাৰ ৬৪.৮১ শতাংশ ভোটদাতাই অংশ লৈছিল। ২০১৭ৰ ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনত ৬৫.৬৪ শতাংশ লোকে ভোটদান কৰিছিল। উত্তৰ প্ৰদেশত প্ৰথম পৰ্যায়ত এইবাৰ ৬২.৫৯, দ্বিতীয় পৰ্যায়ত ৬৪.৭৭ শতাংশ আৰু তৃতীয় পৰ্যায়ত ৬১.৬১ শতাংশ লোকে ভোটদান কৰে। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত ৰাজ্যখনত প্ৰথম পৰ্যায়ত ৬২.৪ শতাংশ, দ্বিতীয় পৰ্যায়ত ৬৫.৫৩ শতাংশ আৰু তৃতীয় পৰ্যায়ত ৬২.২১ শতাংশ ভোটদাতাই অংশ লৈছিল। যোৱাবাৰৰ তুলনাত উত্তৰ প্ৰদেশতো এইবাৰ কমসংখ্যক লোকে নিৰ্বাচনত ভোটদান কৰিছে। অৱশ্যে ৰাজ্যখনত এতিয়াও চাৰিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলৈ বাকী আছে আৰু সেয়েহে মুঠ ভোটদানৰ সংখ্যা আগন্তুক ভোটগ্ৰহণ বৃদ্ধিৰ সম্ভাৱনা আছে। ৰাজ্যখনত ২৩ ফেব্ৰুৱাৰীত চতুৰ্থ, ২৭ ফেব্ৰুৱাৰীত পঞ্চম, তিনি মাৰ্চত ষষ্ঠ আৰু সাত মাৰ্চত সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। আনহাতে, মণিপুৰত দুটা পৰ্যায়ত ২৮ ফেব্ৰুৱাৰী আৰু পাঁচ মাৰ্চত বিধানসভাৰ ভোটগ্ৰহণ কৰা হ'ব। সামগ্ৰিকভাৱে বৰ্তমানলৈকে পঞ্জাৱ, উত্তৰাখণ্ড, গোৱাৰ দৰে উত্তৰ প্ৰদেশতো ভোটদাতাই নিজৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ অত্যধিক উৎসুকতা প্ৰদৰ্শন কৰা নাই। পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ভোটগণনা অহা ১০ মাৰ্চত হ'ব।



## উত্তৰ প্ৰদেশত সপ্তম পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰিব ৬১৩ প্ৰাৰ্থীয়ে

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২২ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ সপ্তম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব লগা ৫৪ সমষ্টিত প্ৰাৰ্থী হিচাপে থিয় দিলে ৬১৩ জন প্ৰাৰ্থীয়ে। এই পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৮৬৮ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল যদিও ২২৭ প্ৰাৰ্থীৰ মনোনয়ন নাকচ হয় আৰু ২৮ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। অহা সাত মাৰ্চত ৰাজ্যখনত সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত সপ্তম পৰ্যায়ৰ সৰ্বাধিক সংখ্যক প্ৰাৰ্থীয়ে জৌনপুৰ জিলাৰ জৌনপুৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই সমষ্টিত ২৫ জন প্ৰাৰ্থীয়ে এইবাৰ থিয় দিছে।

## ৰোহিংগ্যা গণহত্যাৰ গোচৰত আন্তৰ্জাতিক আদালতত প্ৰতিনিধিত্ব জুণ্টা চৰকাৰৰ



**নিউজ ব্যুৰ', য়াংগুন, ২২ ফেব্ৰুৱাৰী ঃ** পাঁচ বছৰ পূৰ্বে ৰোহিংগ্যা মুছলমানৰ গণহত্যাৰ অভিযোগ উত্থাপিত হৈছিল ম্যানমাৰৰ সেনাৰ বিৰুদ্ধে। আফ্ৰিকাৰ দেশ গাম্বিয়াৰ অভিযোগৰ ভিত্তিত ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক আদালতত ম্যানমাৰৰ তদানীন্তন শাসক গণতান্ত্ৰিক নেত্ৰী আন চাং ছু্য কীৰ বিৰুদ্ধে বিচাৰ আৰম্ভ হৈছিল। ২০১৯ৰ ডিচেম্বৰত ছু্য কীয়ে আন্তৰ্জাতিক আদালতত দেশক প্ৰতিনিধিত্ব কৰিছিল। এইবাৰ উক্ত গোচৰত আন্তৰ্জাতিক আদালতত ছু্য কীৰ পৰিৱৰ্তে ম্যানমাৰক প্ৰতিনিধিত্ব কৰিলে দেশখনৰ বৰ্তমানৰ সামৰিক জুণ্টা চৰকাৰে। আজি এই বিষয়ৰ গোচৰৰ ভাৰ্চুৱেল শুনানি আন্তৰ্জাতিক আদালতে গ্ৰহণ কৰিছিল আৰু জুণ্টাই স্পষ্টভাৱে কয় যে ম্যানমাৰৰ আভ্যন্তৰীণ ঘটনাৰ বিচাৰ কৰাৰ অধিকাৰ আন্তৰ্জাতিক আদালতৰ নাই। আজি পুৱাতে জুণ্টা চৰকাৰে ঘোষণা কৰি কৈছিল যে এতিয়াৰে পৰা আন্তৰ্জাতিক আদালতত ম্যানমাৰৰ বৰ্তমানৰ আন্তৰ্জাতিক সহযোগিতা মন্ত্ৰী ক' ক' লাইং আৰু এণ্টৰ্নি জেনেৰেল থিডা উৱে প্ৰতিনিধিত্ব কৰিব।

## চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত ৫৩ শতাংশ দাগী প্ৰাৰ্থী কংগ্ৰেছৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২২ ফেব্ৰুৱাৰী ঃ** কাইলৈ উত্তৰ প্ৰদেশত চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিধানসভাৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণত ৰাজ্যখনত মুঠ ৬২৪ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। বুধবাৰে যি নখন জিলাত ভোটদান কৰা হ'ব সেই জিলাকেইখন হৈছে বান্দা, ফতেহ্‌পুৰ, হৰদৈ, লখিমপুৰ খিৰি, লক্ষ্ণৌ, ৰাইবৰেলি, সীতাপুৰ, পিলিভিট আৰু উন্নাৱ। ইয়াৰে ৰাইবৰেলি কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত। কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধী ৰাইবৰেলিৰ বৰ্তমানৰ সাংসদ ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত ৰাইবৰেলিৰ দুটা সমষ্টিত কংগ্ৰেছে জয়লাভ কৰিছিল, কিন্তু এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছৰ এই দুই বিধায়কে বিজেপিৰ



প্ৰাৰ্থী হিচাপে থিয় দিছে। প্ৰথম তিনিটা পৰ্যায়ৰ ভোটগ্ৰহণত সৰ্বাধিক সংখ্যক দাগী প্ৰাৰ্থী আছিল সমাজবাদী পাৰ্টিৰ। কিন্তু চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত কংগ্ৰেছৰ সৰ্বাধিক ১৬৭ জন অৰ্থাৎ ২৭ শতাংশ দাগী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এইসকল প্ৰাৰ্থীৰ ১২৯ জনৰ বিৰুদ্ধে গুৰুতৰ অপৰাধৰ গোচৰ আছে। কংগ্ৰেছৰ ৫৩ শতাংশ প্ৰাৰ্থীৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণত সমাজবাদী পাৰ্টিৰ ৫৩ শতাংশ, বহুজন সমাজ পাৰ্টিৰ ৪৪ শতাংশ, বিজেপিৰ ৪০ শতাংশ আৰু আম আদমী পাৰ্টিৰ ২৪ শতাংশ প্ৰাৰ্থীৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। নজন প্ৰাৰ্থীৰ বিৰুদ্ধে নাৰীজনিত গুৰুতৰ অপৰাধৰ অভিযোগ আছে। পাঁচজন প্ৰাৰ্থীৰ বিৰুদ্ধে হত্যাৰ গোচৰ আৰু ১৪ জন প্ৰাৰ্থীৰ বিৰুদ্ধে হত্যাৰ অপচেষ্টাৰ গোচৰ আছে।

# বাসুগাঁও পৰীক্ষা সমিতিৰ সভা ঃ নিৰীক্ষকৰ মাননি বৃদ্ধি

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২২ ফেব্ৰুৱাৰী ঃ** বাসুগাঁও পৰীক্ষা পৰিচালনা সমিতিৰ সভা কালি বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া তথা বিদ্যালয়ৰ অধ্যক্ষ কল্পনা নাথৰ কক্ষত কেন্দ্ৰ সমিতিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি দেৱেন্দ্ৰ ৰায় আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি অমৃত পাটগিৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত দুয়োটা পৰীক্ষাৰ সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া মনোনীত কৰাৰ লগতে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা চতুৰ্থবৰ্গৰ কৰ্মচাৰীলৈকে সকলোৰে পৰীক্ষাৰ মাননি বৃদ্ধি কৰা হয়। সভাৰ সিদ্ধান্ত মৰ্মে ভাৰপ্ৰাপ্ত বিষয়া, সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া আৰু কাৰ্যালয় সহায়কৰ মাননি পাঁচশ টকাকৈ বৃদ্ধি কৰাৰ বিপৰীতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিৰীক্ষকৰ মাননি এশ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হয়। কেন্দ্ৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পূৰ্বৰ তিনিহেজাৰৰ সলনি তিনিহেজাৰ পাঁচশ, সহকাৰী ভাৰপ্ৰাপ্ত বিষয়াৰ পূৰ্বৰ দুহেজাৰ তিনিশ টকাৰ সলনি দুহেজাৰ আঠশ টকা, নিৰীক্ষকৰ পূৰ্বৰ দুশ টকাৰ সলনি তিনিশ টকা, কাৰ্যালয় সহায়কৰ পূৰ্বৰ দুহেজাৰ টকাৰ ঠাইত দুহেজাৰ পাঁচশ আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ পূৰ্বৰ ১৫০ টকাৰ ঠাইত ২২৫ টকাকৈ বৃদ্ধি কৰা হয়। আগন্তুক দুয়োটা পৰীক্ষা সুকলমে পৰিচালনা কৰাত গুৰুত্ব আৰোপ কৰা হয়। সভাৰ আঁত ধৰে উপাধ্যক্ষ তথা সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া আশ্বাদ আলীয়ে।

## ■ বিন্নাকান্দি উন্নয়ন খণ্ডত এনৰেগা আঁচনি ধোঁৱাচাঙত ■ ব্যৱস্থা গ্ৰহণৰ দাবী

# শ্ৰমিকৰ সলনি ট্ৰেক্টৰৰে চলাইছে বান্ধ নিৰ্মাণ



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২২ ফেব্ৰুৱাৰী ঃ** যমুনামুখ বিধানসভা সমষ্টিৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত আমবাৰী গাঁও পঞ্চায়তত এনৰেগা আঁচনি ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। তথ্য অনুসৰি আঁচনিৰ গাইডলাইন উলংঘা কৰি আমবাৰী গাঁও পঞ্চায়তত আঞ্চলিক পঞ্চায়ত সদস্যা শিৱানী নমঃশূদ্ৰই বান্ধ নিৰ্মাণৰ কাম চলোৱাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ অনুসৰি আমবাৰী গাঁও পঞ্চায়তৰ আজমা নগৰৰ পৰা ময়জুল হকৰ দোকান হৈ শ্মশানঘাটলৈ কৃষি বান্ধ নিৰ্মাণৰ নামত ২০২০-২১ত আবণ্টন হয় ১৩.৯৪ লাখ টকা। উক্ত আঁচনি ৰূপায়ণৰ নামত চৰম অনিয়মৰ আশ্ৰয় লয় আঞ্চলিক পঞ্চায়ত সদস্যা শিৱানী নমঃশূদ্ৰই। এনৰেগা আঁচনিৰ গাইডলাইন মতে পঞ্চায়তৰ কাম জৱকাৰ্ডধাৰী শ্ৰমিকসকলে কৰিব লাগে। কিন্তু উক্ত কৃষি বান্ধ নিৰ্মাণত শ্ৰমিকৰ পৰিৱৰ্তে ট্ৰেক্টৰ ব্যৱহাৰ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনৰেগা আঁচনিৰ কাম জৱকাৰ্ডধাৰী শ্ৰমিকসকলে কৰিব লাগে। কিন্তু উক্ত কৃষিবান্ধ নিৰ্মাণত শ্ৰমিকৰ পৰিৱৰ্তে ট্ৰেক্টৰ ব্যৱহাৰ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনৰেগা আঁচনিৰ কাম কৰি জৱকাৰ্ডপ্ৰাপ্ত শ্ৰমিকে বছৰত কমেও এশ দিন কাম লাভ কৰাৰ নিশ্চয়তা পাইছে। উক্ত পঞ্চায়তত শ্ৰমিকৰ সলনি ট্ৰেক্টৰ ব্যৱহাৰ কৰাত ক্ষোভিত হৈ পৰিছে শ্ৰমিকসকল। তদুপৰি জৱকাৰ্ডপ্ৰাপ্ত শ্ৰমিকে কাম কৰা দেখুৱাই ভুৱা তথ্যৰে তথা চহীৰে চৰকাৰী আঁচনিৰ ধন হৰলুকি কৰাত নামি পৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। অকল ট্ৰেক্টৰ লগাই কাম কৰোৱাই নহয় আঞ্চলিক পঞ্চায়ত সদস্যাৰ শিক্ষক স্বামীয়ে এনৰেগা আঁচনিৰ কাম তদাৰকী কৰাত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই আঞ্চলিক পঞ্চায়তৰ সদস্যাগৰাকীৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# ৪২ বছৰৰ পাছত দিহিংগীয়া পৰিয়ালৰ বৰসবাহ সম্পন্ন

## ■ কে'বা সহস্ৰাধিক ভকতৰ সমাৱেশেৰে উদুলি-মুদুলি পৰিৱেশ

অগ্ৰদূত বাৰ্তা

**টিংখাং, ২২ ফেব্ৰুৱাৰী ঃ** টিংখাঙৰ দিহিংগীয়াচুক নামঘৰৰ প্ৰাংগণত কালি হেজাৰ হেজাৰ ভকতৰ সমাবেশেৰে উদুলি-মুদুলি পৰিৱেশ সৃষ্টি হয়। ডিব্ৰুগড় জিলাৰ টিংখাঙৰ ধোৱাপথাৰ গাঁৱৰ দিহিংগীয়া বংশৰ প্ৰায় ৮৮ টা পৰিয়ালৰ একত্ৰ প্ৰচেষ্টাত মাহজোৰা প্ৰস্তুতিৰ অন্তত কালি আয়োজন কৰা পৰম্পৰাগত বৰসবাহ বিয়লিলৈ সামৰণি পৰে। দিহিংগীয়া বংশৰ পৰিয়ালসমূহে যোৱা ১৯৮০ত বৰসবাহ আয়োজন কৰিছিল। সুদীৰ্ঘ ৪২ বছৰৰ পাছত কালি সম্পন্ন হোৱা বৰসবাহত কে'বাশতাধিক ভক্তপ্ৰাণ ৰাইজৰ উপৰি আত্মীয়-স্বজন সমবেত হয়। বৰসবাহখনত গায়ন-বায়ন প্ৰদৰ্শন কৰে চৰাইদেউ জিলাৰ কাকতিবাৰী চেলেং গাঁৱৰ গায়ন-বায়ন দলটোৱে। এই উপলক্ষে যোৱা ২০ ফেব্ৰুৱাৰীত পৰম্পৰাগত নীতি-নিয়মেৰে 'খোলা মৰা' অনুষ্ঠান সম্পন্ন কৰাৰ পাছত কালি পুৱাৰে পৰা মূল বৰসবাহ বিস্তৃত নীতি-নিয়মেৰে সম্পন্ন কৰা হয়। পুৱা ভকত আদৰণি পৰ্বৰে বৰসবাহৰ কাৰ্যসূচী আৰম্ভ কৰি দিনজোৰা আধ্যাত্মিক নীতি-নিয়ম, গায়ন-বায়নৰ উপৰি শেষত সমূহীয়া সেৱাৰে বৰসবাহৰ কাৰ্যসূচী সামৰণি পৰে।

# শিক্ষকতা কেৱল এটা বৃত্তিয়েই নহয়, ই এক মহান সেৱা

**ছয়গাঁও, ২২ ফেব্ৰুৱাৰী ঃ** 'শিক্ষকতা কেৱল এটা বৃত্তিয়েই নহয়, ই একপ্ৰকাৰ এক মহান সেৱা। শিক্ষাদানৰ প্ৰতি অন্তৰৰ পৰা গভীৰ আনুগত্য থকাজনেহে 'শিক্ষক' হিচাপে প্ৰকৃতাৰ্থত সফল হোৱা দেখা যায়।' দক্ষিণ কামৰূপৰ মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ভাগৰতীপাৰাস্থিত মাধৱদেৱ হাইস্কুলৰ জ্যেষ্ঠ সহকাৰী শিক্ষয়িত্ৰী হেমপ্ৰভা ভাগৱতীৰ যোৱা ১৮ ফেব্ৰুৱাৰীত বিদায়ী সভাত অতিথিৰূপে অংশগ্ৰহণ কৰি সাংবাদিক বিমল শৰ্মাই এনেদৰে মন্তব্য কৰে। সাংবাদিক শৰ্মাই মাধৱদেৱ হাইস্কুলৰ বিদ্যায়তনিক দিশত শিক্ষয়িত্ৰী হেমপ্ৰভা ভাগৱতীয়ে ২৮ বছৰতকৈও অধিক সময় আগবঢ়োৱা বহুমূলীয়া শৈক্ষিক অৱদান বিদ্যালয় পৰিয়ালে বহুকাললৈ স্মৰণ কৰি থাকিব বুলি মন্তব্য কৰে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দ্বীজেন্দ্ৰ চন্দ্ৰ দাসৰ সভাপতিত্বত আৰু বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত অংশগ্ৰহণ কৰি প্ৰাক্তন প্ৰধন শিক্ষয়িত্ৰী চন্দ্ৰপ্ৰভা দেৱীয়ে হেমপ্ৰভা ভাগৱতীক 'সময়ৰ প্ৰতি দায়বদ্ধতা থকা' এগৰাকী শিক্ষয়িত্ৰী বুলি মন্তব্য কৰে। তদুপৰি সভাত প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী সৰলা গোস্বামী, প্ৰাক্তন শিক্ষক নৃপেন কুমাৰ, বৰ্তমানৰ জ্যেষ্ঠ শিক্ষক হেমচন্দ্ৰ কলিতা, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য কল্পনাথ গোস্বামী, ছাত্ৰ ভাৰ্গৱ কলিতাকে ধৰি কে'বাজনো বক্তাই হেমপ্ৰভা ভাগৱতীৰ শিক্ষকতা জীৱনৰ সাফল্যৰ আঁৰত থকা ব্যক্তিত্বৰ বিষয়ে আলোকপাত কৰে। সভাৰ মাজতে বিদ্যালয়ৰ শিক্ষয়িত্ৰী ভানু নাথে এটি ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে। বিদায়ী শিক্ষয়িত্ৰী ভাগৱতীয়ে বহু দুখ-কষ্ট অতিক্ৰমী দুই কিলোমিটাৰ নিলগৰ পৰা খোজ কাঢ়ি কেনেকৈ দৈনন্দিন সময়মতে বিদ্যালয়ত উপস্থিত হৈছিল সেয়া স্মৰণ কৰি নষ্টালজিক হৈ পৰে। বিদায়ী শিক্ষয়িত্ৰী ভাগৱতীক বিদ্যালয়ৰ ফালৰ পৰা ফুলাম গামোচা, সম্বৰ্ধিত মানপত্ৰ, শৰাই, গ্ৰন্থৰ টোপোলা, বস্ত্ৰ, কলম, ফুলৰ থোপা, কলমকে ধৰি বহুকেইবিধ সম্ভাৰেৰে সম্বৰ্ধনা জনোৱা হয়। সামগ্ৰিকভাৱে এই সভাখনৰ আঁত ধৰে জ্যেষ্ঠ শিক্ষক হেমচন্দ্ৰ কলিতাই।

# চকলাঘাট সোণাইপাৰত সাপ্তাহিক শুকুৰবৰীয়া বজাৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২২ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ মধ্যস্থল তথা সোণাই নৈয়ে মৌজাটোৰ দুয়োপাৰক সংযোগ কৰা ঐতিহ্যমণ্ডিত 'চাকোলাঘাট' দলঙৰ কাষত যোৱা ১৮ ফেব্ৰুৱাৰীত আৰম্ভ হৈছে এখন শুকুৰবৰীয়া সাপ্তাহিক বজাৰৰ। এই উপলক্ষে বজাৰখন মুকলি কৰে দলংঘাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সমীপ ডেকাই আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে নিজ হাতীচোং গাঁও পঞ্চায়তৰ সভাপতি অভিজিৎ মেধি, আইভেটী গাঁও পঞ্চায়তৰ সভাপতি দেহিৰাম বৰা আৰু মাজ জাজৰি গাঁও পঞ্চায়তৰ সভাপতি মিণ্টু কোঁৱৰে। সাপ্তাহিক বজাৰখন মুকলি কৰি খণ্ড উন্নয়ন বিষয়া সমীপ ডেকাই এই নতুন বজাৰখনে বৃহত্তৰ হাতীচোং মৌজাৰ মধ্যস্থলৰ ক্ৰেতা-বিক্ৰেতাসকলক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে বজাৰখনত জৈৱিক শাক-পাচলি উপলব্ধ কৰাত গুৰুত্ব দিবলৈ পৰিচালনা সমিতিক আহ্বান জনায়। প্ৰথম দিনাই স্থানীয় ভালেসংখ্যক বিক্ৰেতাৰ লগতে গ্ৰাহক ৰাইজে বজাৰস্থলীত ভিৰ কৰা পৰিলক্ষিত হয়। অনুষ্ঠানত নগাঁও জিলা তিৱা সাহিত্য সভাৰ সভাপতি বীৰেন লালুং, দলংঘাট আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী কল্পনা বৰা, জাজৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত গগৈ, অভিযন্তা হৰমোহন হালৈ, সমাজকৰ্মী অনন্ত শইকীয়া, বজাৰ পৰিচালনা সমিতিৰ সভাপতি ৰোহিত দাস, সম্পাদক জ্যোতি প্ৰসাদ বৰা, বিষয়ববীয়া বিকাশ বৰা, চেনিৰাম দাস, কেশ ভূঞা আদিৰ লগতে ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

# শিৱসাগৰৰ কন্যা পৰিস্মিতা মেধিলৈ নেছনেল কামৰূপা মডেল এৱাৰ্ড

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২২ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ থানামুখ ৰাধিকা শান্তি পথৰ হেমকান্ত মেধি আৰু অঞ্জলি মেধিৰ কন্যা পৰিস্মিতা মেধিয়ে গুৱাহাটীৰ শিল্পগ্ৰাম প্ৰেক্ষাগৃহত নিউ ইভেট এন্টাৰটেমেন্ট প্ৰাইভেট লিমিটেডে অনুষ্ঠিত কৰা মডেল প্ৰতিযোগিতাত নেছনেল কামৰূপা মডেল এৱাৰ্ড ২০২২ লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে ২০১৬ৰ পৰা বৰ্তমানলৈকে অসম তথা নৰ্থ ইষ্ট ফেশ্বন ইণ্ডাষ্ট্ৰিত ফেশ্বন প্ৰশিক্ষক হিচাপে কাম কৰি শিৱসাগৰ তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনা পৰিস্মিতা অসম তথা শিৱসাগৰৰ এগৰাকী সফল মডেল আৰু প্ৰশিক্ষকৰূপে খুবেই জনপ্ৰিয়। পৰিস্মিতা মেধিয়ে যোৰহাট, মৰিয়নি ৰেলৰে কল'নীত অনুষ্ঠিত এক অনুষ্ঠানত ফেমাচ মডেল অৱ দ্য ইয়েৰ পাবলৈ সক্ষম হোৱাৰ লগতে বিভিন্ন প্ৰতিযোগিতাত সন্মান বুটলিবলৈ সক্ষম হৈছে। বিভিন্ন অনুষ্ঠানত প্ৰশিক্ষকৰূপে পাৰদৰ্শিতা দেখুওৱা পৰিস্মিতা মেধি শিৱসাগৰ কলেজৰ স্নাতক তৃতীয় ষাণ্মাসিকৰ শিক্ষা বিভাগৰ ছাত্ৰী।

# দৈহিক-মানসিক-সামাজিকভাৱে সুস্থ হ'লেহে সু-স্বাস্থ্যৰ অধিকাৰী হয় ঃ ডাঃ তালুকদাৰ

অগ্ৰদূত বাৰ্তা

**টিহু, ২২ ফেব্ৰুৱাৰী ঃ** 'দৈহিক-মানসিক-সামাজিকভাৱে সুস্থ হৈ থাকিলেহে মানুহ সু-স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰে।' টিহু ৩০খন বিছনাযুক্ত গ্ৰামীণ চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ তপন তালুকদাৰে কালি টিহু ছোৱালী হাইস্কুলত এইদৰে কয়। টিহু ছোৱালী হাইস্কুলৰ ইক' এণ্ড ইয়ুথ ক্লাবৰ উদ্যোগত আৰু জ্যেষ্ঠ শিক্ষয়িত্ৰী মিনতি দেৱীৰ সঞ্চালনাত অনুষ্ঠিত এক স্বাস্থ্য সজাগতামূলক অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি ডাঃ তালুকদাৰে মহিলাৰ মাহেকীয়া ঋতুকালীন বিভিন্ন সমস্যাৰ বিষয়ে উনুকিয়াই উক্ত সময়ছোৱাত ল'ব লগা সাৱধানতা আৰু চাফ-চিকুণতাৰ বিষয়ে উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ ফাষ্টফুডৰ অপকাৰিতাৰ লগতে জীৱন শৈলীৰ বিষয়ে ছাত্ৰীসকলক অৱগত কৰে। শিক্ষানুষ্ঠানখনৰ ইক' এণ্ড ইয়ুথ ক্লাবৰ সমন্বয়ক তথা জ্যেষ্ঠ শিক্ষক কিশোৰ কুমাৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আন এগৰাকী সমল ব্যক্তি টিহু ৩০খন বিছনাযুক্ত গ্ৰামীণ চিকিৎসালয়ৰ মুখ্য ব্লক ফাৰ্মাচিষ্ট পুলকেশ দাসে ধপাত গুটখাৰ অপকাৰিতা সম্পৰ্কে ব্যাখ্যা কৰে। লগতে তেওঁ ৰক্তহীনতা ৰোধৰ বিভিন্ন দিশ ব্যাখ্যা কৰে। সাপে কামুৰিলে ল'ব লগা সাৱধানতাৰ বিষয়ে উনুকিয়াই দাসে শিক্ষাৰ্থীসকলক হাত ধোৱাৰ কৌশলসমূহৰ বিষয়ে প্ৰকাশ কৰে। শিক্ষানুষ্ঠানখনৰ জ্যেষ্ঠ শিক্ষক বিমান কলিতাই আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই সংস্কৃত শিক্ষক ধনেশ্বৰ দাসে।

# পশ্চিম যোৰহাটৰ চাৰিঙীয়াত শিৱৰাত্ৰিৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২২ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ চাৰিঙীয়া বুধবৰীয়া তিনিআলিৰ সমীপত অহা ২৮ ফেব্ৰুৱাৰী আৰু পহিলা মাৰ্চত একাদশ বাৰ্ষিক শিৱৰাত্ৰি অনুষ্ঠিত হ'ব। স্থানীয় ৰাইজৰ উদ্যোগত আয়োজিত শিৱৰাত্ৰিৰ প্ৰথম দিনা পুৱা বৃক্ষৰোপণ, ধৰ্মধ্বজা উত্তোলন আৰু দুপৰীয়া শিৱ গীতা পাঠ কৰা হ'ব। দ্বিতীয় দিনা পুৱা বন্তি প্ৰজ্বলনৰ পাছতে শিৱ পূজা আৰম্ভ আৰু নিশালৈ কুন্তী বৰা আৰু পৰিয়ালবৰ্গই আগবঢ়োৱা 'নৃসিংহ মুৰাৰী' ভাওনা প্ৰদৰ্শন কৰা হ'ব। সদৌ অসম ভিত্তিত শ্ৰেষ্ঠতা অৰ্জন কৰা বাচকবনীয়া শিল্পীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব লগা ভাওনাৰ লগতে দুয়োদিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# দিপীলাত জোৱানৰ স্মৃতি সৌধ উন্মোচন

অগ্ৰদূত বাৰ্তা

**দুনী, ২২ ফেব্ৰুৱাৰী ঃ** আছাম ৰাইফলছৰ জোৱান তথা দিপীলাৰ নিকটৱৰ্তী কেন্দুগুৰি গাঁৱৰ নিৱাসী প্ৰয়াত ৰূপা প্ৰসাদ ডেকাৰ স্মৃতিত নিৰ্মাণ কৰা স্মৃতি সৌধ যোৱা ২০ ফেব্ৰুৱাৰীত উন্মোচন কৰে পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুলেন্দ্ৰ নাথ ডেকাই। উদ্বোধনী ভাষণ প্ৰসংগত তেওঁ কয় যে ৰূপা প্ৰসাদ ডেকাই কৰ্মস্থলীত আকস্মিকভাৱে মৃত্যুক আকোঁৱালি লোৱা ঘটনাই আমাক মৰ্মাহত কৰে যদিও তেওঁৰ দেশসেৱাৰ যি নিদৰ্শন তাৰ বাবে আমি গৌৰৱ অনুভৱ কৰো। বিশিষ্ট সমাজকৰ্মী, গান্ধীবাদী আদৰ্শৰ ব্যক্তি কালীচৰণ শৰ্মাই আঁত ধৰা কাৰ্যসূচীত পশ্চিম দৰং প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত কাকতি, সমাজকৰ্মী তপন শৰ্মা, ব্যৱসায়ী ৰাজেন ডেকা আদিয়ে বীৰ জোৱানজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত জোৱানজনৰ স্মৃতিত গছপুলি ৰোপণ কৰাৰ লগতে মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য যে নগালেণ্ডৰ বাৰ্মা সীমান্তত কৰ্মস্থলীত আকস্মিকভাৱে অসুস্থ হৈ বিগত বৰ্ষৰ ২০ আগষ্টত মৃত্যুক সাৱটি লৈছিল জোৱানজনে।

# গড়মূৰ প্ৰেছ ক্লাবত জিলা সাংবাদিক সন্থাৰ গুৰুত্বপূৰ্ণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২২ ফেব্ৰুৱাৰী ঃ** মাজুলী জিলা সাংবাদিক সন্থাৰ এখন গুৰুত্বপূৰ্ণ সভা যোৱা ২০ ফেব্ৰুৱাৰীত গড়মূৰ প্ৰেছ ক্লাব তথা সাংবাদিক সন্থাৰ সদৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। সন্থাৰ সভাপতি দিবাকৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দীপু বৰাই। সভাত অহা দুই মাৰ্চত আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত হ'ব লগা সদৌ অসম গ্ৰাম্য সাংবাদিকতা বঁটা প্ৰদান আৰু নিত্যানন্দ ভৰালী সোঁৱৰণী বঁটাৰ লগতে প্ৰদান কৰিবলগীয়া যুৱ সাংবাদিকতা বঁটা অনুষ্ঠান উদ্‌যাপন কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। সকলো দিশ আলোচনাৰ অন্তত ডিম্বেশ্বৰ দত্ত, যদু কলিতাক আহ্বায়ক, বিপুল শইকীয়া, ৰাজীৱ পাটীৰ, অমৰজ্যোতি বৰা আৰু উৎপল কাকতিক সদস্য হিচাপে লৈ অভ্যৰ্থনা সমিতি গঠন কৰে। বঁটাৰ সন্দৰ্ভত ন্যাস সমিতিৰ সভাপতি ৰণজিৎ ভূঞা, সম্পাদক সঞ্জীৱ দত্তই বিভিন্ন দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰি কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ উপৰি প্ৰস্তাৱসমূহৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে সম্পাদকক দায়িত্ব অৰ্পণ কৰে। আন এক সিদ্ধান্ত অনুসৰি সাংবাদিকতাৰ বঁটা বিতৰণী অনুষ্ঠানত মাজুলীৰ সন্তান, বিশিষ্ট সমাজকৰ্মী, জীতেন দোলাকাষৰীয়াক সম্বৰ্ধনা জনোৱাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত সন্থাৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত বিপিন শইকীয়া, প্ৰতিস্থাপক সম্পাদক ৰণজিৎ ভূঞা, খগেন হাজৰিকা, বিপুল শইকীয়া, ৰাজীৱ পাটীৰ, হিতেশ দলে আৰু উৎপল কাকতিয়ে ভাষণ দিয়ে।

# মেধিপাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মালপঞ্জা সত্ৰ পৰিদৰ্শন

**আলোপতি, ২২ ফেব্ৰুৱাৰী ঃ** স্কুলীয়া ছাত্ৰ-ছাত্ৰীক সত্ৰৰ বৈশিষ্ট্য, সত্ৰ আৰু সাঁচিপাত সম্পৰ্কে সম্যক জ্ঞান আহৰণৰ উদ্দেশ্যে যোৱা ১৯ ফেব্ৰুৱাৰীত কামৰূপ জিলাৰ বকো সমষ্টিৰ মেধিপাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীক মালপঞ্জা সত্ৰ পৰিদৰ্শন কৰায়। বিদ্যালয়খনৰ সহকাৰী শিক্ষক ভৱেশ তালুকদাৰে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক সত্ৰত লৈ গৈ পৰিচালনা সমিতিৰ সভাপতি হেমচন্দ্ৰ কলিতাৰ জৰিয়তে ঐতিহাসিক মালপঞ্জা সত্ৰৰ লগতে সাঁচিপাত সন্দৰ্ভত জ্ঞান প্ৰদান কৰে। মূলতঃ সত্ৰৰ বৈশিষ্ট্যৰ লগতে সাঁচিপাতৰ ওপৰতো সম্যক জ্ঞান প্ৰদান কৰা হয়। সাঁচিপাত ক'ৰ পৰা কেনেকৈ সৃষ্টি হ'ল, সাঁচিপাত কেনে ধৰণে ব্যৱহাৰ কৰা হয়, ইয়াৰ উৎপত্তি কেনে ধৰণৰ আদি কথাৰ জ্ঞান দিবলৈ ছাত্ৰ-ছাত্ৰীসকলক ঐতিহাসিক মালপঞ্জা সত্ৰ পৰিদৰ্শনৰ বাবে অনা হয়। মালপঞ্জা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি হেমচন্দ্ৰ কলিতাৰ পৰা সত্ৰ আৰু সাঁচিপাত সন্দৰ্ভত জ্ঞান আহৰণ কৰি উৎসাহিত হৈ পৰে শিক্ষাৰ্থীসকল। ছাত্ৰ-ছাত্ৰীসকলক সত্ৰ আৰু সাঁচিপাত সম্পৰ্কে জ্ঞান আহৰণৰ এই প্ৰচেষ্টা কৰাৰ বাবে মেধিপাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক ভৱেশ তালুকদাৰক ভূয়সী প্ৰশংসা কৰে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি হেমচন্দ্ৰ কলিতা আৰু সম্পাদক ৰঞ্জিৎ মজুমদাৰে।

# গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম অবিহনে সমাজ এখন পংগু

## ■ টীয়ক প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস-ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**টীয়ক, ২২ ফেব্ৰুৱাৰী ঃ** 'গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম অবিহনে সমাজ এখন প্ৰায় পংগু বুলিব পাৰি। সেয়েহে সাংবাদিকসকল সমাজৰ প্ৰতি দায়বদ্ধ হৈ থাকিব লাগে।' টীয়ক প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ মুকলি সভা উদ্বোধন কৰি পৰহি মন্তব্য কৰে দক্ষিণপাট আশ্ৰমি সত্ৰ চটাইৰ সত্ৰাধিকাৰ জগন্নাথ দেৱ গোস্বামীয়ে। প্ৰেছ ক্লাবৰ সভাপতি দুলাল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত দিলীপ ভূঞাৰ সম্পাদনাত প্ৰকাশ কৰা ক্লাবৰ মুখপাত্ৰ 'প্ৰত্যয়' উন্মোচন কৰে যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন গোহাঁয়ে। সাংবাদিক তথা অধিবক্তা দীপক শৰ্মাই কয় যে সমালোচনাৰ সন্মুখত হাৰ মানিব নালাগে সাংবাদিকসকলে। যিহেতু পিতৃ-মাতৃয়ে গৌৰৱ কৰাৰ দিনাই সন্তানৰ কাৰ্যত সফল হয়। সমাজকৰ্মী প্ৰতাপ শইকীয়া আৰু তুষাৰ পালক ভাত সম্বৰ্ধনা জনোৱা হয়। আদৰণি ভাষণ পাঠ কৰে উপদেষ্টা নিৰ্মলেন্দু পাঠকে। টীয়ক প্ৰেছ ক্লাবৰ ইতিবৃত্তি দাঙি ধৰে উপদেষ্টা ৰিজু শইকীয়াই। সভাৰ আঁত ধৰে দিগন্ত হাজৰিকাই। আনহাতে শলাগৰ শৰাই আগবঢ়াই বিজু তনুৱালে। প্ৰেছ ক্লাবৰ সভাপতি দুলাল হাজৰিকাই মূল পতাকা উত্তোলন কৰাৰ সমান্তৰালকৈ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি আৰু ২৫ খন পতাকা উত্তোলন কৰে। ক্লাবৰ প্ৰয়াত সদস্য মৃদুল বৰুৱাৰ স্মৃতিসৌধত তৰ্পণ কাৰ্যসূচী মুকলি কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বোদ্ধেশ্বৰ বৰুৱাই। ইয়াৰ পূৰ্বে পুৱা প্ৰেছ ক্লাবৰ নৱনিৰ্মিত ভৱন মুকলি কৰে টীয়ক সমষ্টিৰ অগপৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই। উক্ত অনুষ্ঠানটোত বৃক্ষৰোপণ কৰে ৰেঙণি এটি আশা নামৰ সংস্থাৰ সভাপতি বিজু শৰ্মাই। ইয়াৰ পূৰ্বে প্ৰথমদিনা সন্ধিয়া টীয়ক প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক সভাত পুৰণি সমিতিৰ কাৰ্যকাল অন্ত পৰাত উক্ত সভাতেই প্ৰান্তনু দত্তক সভাপতি আৰু দিগন্ত হাজৰিকাক সম্পাদকৰূপে নিৰ্বাচিত কৰি ১৭জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়।



# সূৰ্যগিৰি সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২২ ফেব্ৰুৱাৰী ঃ** পূব-গোৱালপাৰাৰ শ্ৰীশ্ৰী সূৰ্যগিৰি সমবায় সমিতি লিমিটেডৰ ২০২১-২২ৰ বছেৰেকীয়া সাধাৰণ সভা অহা ছয় মাৰ্চত ডুবাপাৰা হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হ'ব। সমিতিখনৰ সঞ্চালক মণ্ডলীৰ সভাপতি ছোবাহান আলীৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া সভাত যোৱা সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু দৃঢ়ীকৰণ, সমিতিৰ ২০২০-২১ৰ বছৰেকীয়া প্ৰতিবেদন পাঠ, আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ পতিবেদন পাঠ আৰু গ্ৰহণ, যোৱা বিত্তীয় বৰ্ষৰ পৰীক্ষিত-অপৰীক্ষিত হিচাপ-নিকাচ, উদ্বত্ত পত্ৰ আলোচনা আৰু গ্ৰহণ, ২০২১-২২ৰ প্ৰকল্প বাজেয় গ্ৰহণ আৰু সৰ্বোচ্চ ঋণৰ সীমা নিৰ্ধাৰণ আদিকে ধৰি আন কে'বাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হ'ব। উল্লেখ্য যে অ'মিক্ৰন আৰু ক'ভিড-১৯ৰ নিয়ম অনুসৰি আৰু চৰকাৰৰ নিৰ্দেশ মৰ্মে সভাত মাস্ক পৰিধান কৰাটো বাধ্যতামূলক বুলি সাধাৰণ সভাৰ বাবে প্ৰকাশিত জাননীখনত উল্লেখ কৰা হৈছে।

# বিছনাখনেই সংগী হৈছে এজন যুৱকৰ

## ■ দেৰগাঁৱৰ নেঘেৰিটিঙৰ দুৰ্ভগীয়া পৰিয়ালৰ কৰুণ কাহিনী

**দেৰগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** জটিল ৰোগত আক্ৰান্ত দেৰগাঁৱৰ নেঘেৰিটিঙৰ এজন যুৱক। দুমাহ ধৰি একমাত্ৰ বিছনাখনেই সংগী হৈ পৰিছে যুৱকজনৰ। প্ৰথমতে প্ৰাথমিক চিকিৎসাৰ বাবে দেৰগাঁও সামূহিক চিকিৎসালয়ত চিকিৎসা কৰায় যদিও চিকিৎসা অধিক সংকটময় হোৱাত গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত, তাৰ পাছতে যোৰহাট মেডিকেল কলেজত চিকিৎসা গ্ৰহণ কৰে। উন্নত চিকিৎসাৰ বাবে চিকিৎসকে জি এম চি হাস্পতাললৈ যোৱাৰ নিৰ্দেশ দিয়ে। কিন্তু উন্নত চিকিৎসা প্ৰদানৰ বাবে দৰিদ্ৰ পৰিয়ালটো অৰ্থৰ অভাৱত কালি অসহায় হৈ পৰিছে। তামোল, পাণৰ ব্যৱসায়ৰ জৰিয়তে কোনো মতে জীৱন-যাপন কৰা চিকুণ দাসৰ পুত্ৰ মোহন দাসৰ চিকিৎসাৰ বাবে হাবাথুৰি খাব লগা হৈছে। ঘৰৰ মাটি-বাৰী, গৰু-গাই চিকিৎসাৰ নামত ইতিমধ্যে বিক্ৰী কৰি শেষ হোৱা পৰিয়ালটোক চিকিৎসাৰ বাবে গাঁওবাসীয়ে কিছু অৰ্থ সাহায্য আগবঢ়াইছে যদিও সেই সাহায্য পৰ্যাপ্ত নোহোৱাত স্থানীয় বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীৰ লগতে অসমবাসী আৰু অসম চৰকাৰৰ ওচৰত সহায় ভিক্ষা বিচাৰিছে দুৰ্ভগীয়া পৰিয়ালটোৱে। কাতৰভাৱে অনুৰোধ কৰিছে যাতে সন্তানটোৰ উন্নতমানৰ চিকিৎসাৰ ব্যৱস্থা কৰি দিয়ে। কোনো সদাশয় লোকে পৰিয়ালটোক আৰ্থিকভাৱে কিছু সহায় কৰিব বিচাৰে পৰিয়ালৰ মুৰব্বী চিকুণ দাসৰ ৮৪৫৩৩-৮৯৩৮১ যোগাযোগ কৰিব পাৰিব। পৰিয়ালৰ মুৰব্বী দাসৰ দেৰগাঁৱস্থিত ইউ বি আই বেংকৰ এ/চি-০৬০৫০১০৩৩৫৬৪৫ আই এফ এছ চি- ইউ টি বি আইঅ'ডি ই আৰ ৩৯৩ নম্বৰত আৰ্থিক সাহায্য আগবঢ়াব পাৰিব বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে।

# অৰ্থ সম্পদেৰে কোনো সুখী হ'ব নোৱাৰে ঃ ড° গোস্বামী

## ■ চাৰিং এক নম্বৰ বাৰুৱতী বৰনামঘৰৰ উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২২ ফেব্ৰুৱাৰী ঃ** 'মানুহ অৰ্থ সম্পদৰে পৰিশীল হ'লেও সুখী হ'ব নোৱাৰে। আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধিশালী হ'লেহে লাভ কৰিব পাৰিব প্ৰকৃত সুখ। আধ্যাত্মিক জ্ঞানৰ জৰিয়তে প্ৰতিজন ব্যক্তি সুখী হ'ব পৰাকৈ মহাপুৰুষ শংকৰদেৱে সেয়ে নামঘৰ প্ৰতিষ্ঠা কৰিছিল।' এই মন্তব্য আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ। আজি দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শিৱসাগৰ জিলাৰ চাৰিং এক নম্বৰ বাৰুৱতী গাঁৱৰ পুনৰ নিৰ্মিত বৰনামঘৰৰ উদ্বোধনী অনুষ্ঠানত নামঘৰৰ দ্বাৰ উন্মোচন কৰি সত্ৰাধিকাৰজনে আৰু কয় যে নামঘৰ অসমীয়া সমাজৰ অংগস্বৰূপ। মহাপুৰুষ গুৰুজনাই যি নামঘৰ দি গৈছে সেই নামঘৰত তিথি, ভাওনা আদি পাতিবলৈ দিয়া নাই। নামঘৰে আমাক নৈতিকতাৰ চিন্তা, সামাজিক মূল্যবোধৰ চিন্তা, সামাজিক চিন্তাৰ লগতে সাংস্কৃতিক শিক্ষা দিয়ে। নামঘৰৰ প্ৰকৃত তাৎপৰ্য অনুধাৱন কৰিব পাৰিলেহে মানুহৰ মন আৰু চিন্তাধাৰাও পবিত্ৰ আৰু সুন্দৰ হ'ব। উদ্‌যাপন সমিতিৰ সম্পাদক আৰু সহকাৰী সম্পাদক ক্ৰমে বিপুল গগৈ আৰু কৈলাশ বৰাই আঁত ধৰা অনুষ্ঠানত সত্ৰাধিকাৰ গোস্বামীয়ে প্ৰসংগক্ৰমে আৰু কয় যে কলিত ৰাম নামেই মুক্তিৰ একমাত্ৰ পথ। যেনেকৈ এখন হাবিত সিংহৰ শব্দ শুনিলেই যিদৰে হাতীও পলাই যায়, ঠিক সেইদৰে যদিহে ভকতসকলে নামৰ ধ্বনি উচ্চাৰিত কৰে তাৰ পৰাই অন্তৰৰ পাপ বাসনা নাইকিয়া হৈ যায়।



উল্লেখ্য যে সত্ৰাধিকাৰজনক জাঁজী দলঙৰ পৰা গাড়ী, মটৰ চাইকেলৰ বৃহৎ সমদলৰে নামঘৰৰ তোৰণলৈ আগবঢ়াই অনাৰ পাছত এখন পুষ্প সজ্জিত ৰথত হৰিনামৰ মাংগলিক ধ্বনিৰে নামঘৰলৈ আদৰি নিয়ে। পুৱাৰে পৰা অনুষ্ঠিত অনুষ্ঠানৰ পুৱা বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰাৰ পাছতে উদ্‌যাপন সমিতিৰ সভাপতি বিশ্বেশ্বৰ গগৈয়ে ধৰ্মধ্বজা উত্তোলন আৰু অধ্যাপক দীপক চন্দ্ৰ বড়াই সম্পন্ন কৰে বৃক্ষৰোপণ কাৰ্যসূচী। স্মৃতি তৰ্পণ কৰে প্ৰবীণ গগৈয়ে। ইয়াৰ পাছতে শিক্ষাবিদ ভৱানী প্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অনুষ্ঠানৰ লগত সংগতি ৰাখি কৈলাশ বড়াৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ ইতিবৃত্ত আৰু মাধুৰী গগৈৰ 'হেঁপাহৰ অলপ গদ্য কিছু কাব্য' উন্মোচন কৰে শিক্ষাবিদ তথা অৱসৰপ্ৰাপ্ত অধ্যাপক তুৰাৰাম খনিকৰে। লগতে বিশিষ্ট শিক্ষাবিদ তথা যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভোলা গগৈক ৰাজহুৱা সম্বৰ্ধনা জনোৱা উক্ত অনুষ্ঠানতে প্ৰৱক্তা দীপক চন্দ্ৰ বড়াৰ 'আমাৰ আচৰণ' নামৰ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে ড° ভোলা গগৈয়ে। উদ্‌যাপন সমিতিৰ সম্পাদক বিপুল গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড° কৃষ্ণকান্ত সন্দিকৈ, ড° মাণিক শইকীয়া, অনিল গগৈৰ লগতে সমাজকৰ্মী হৰিপ্ৰসন্ন হাজৰিকা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। এই সভাতে জাঁজী মহাবিদ্যালয়ৰ অধ্যক্ষ মানজিৎ গগৈৰ সম্পাদনাত প্ৰকাশিত ভোলা গগৈৰ অভিনন্দন গ্ৰন্থ উন্মোচন কৰে ড° মাণিক শইকীয়াই।

■ অন্ধকাৰাচ্ছন্ন নগৰ ■ পৌৰ সমস্যা সমাধানৰ সময় নিৰ্ধাৰিত কৰ্মসূচী ঘোষণা কৰাৰ আহ্বান

# তিতাবৰত ষ্ট্ৰীট লাইটৰ বিজুলী সংযোগ কৰ্তন

**তিতাবৰ, ২২ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত ৰাজ্যৰ ৮০খন পৌৰসভাৰ লগতে তিতাবৰ পৌৰসভাৰো নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনক কেন্দ্ৰ কৰি সমষ্টিটোৰ পৌৰৱাৰ্ডসমূহত শাসক-বিৰোধী সকলোৱে আজিৰ পৰা পূৰ্ণগতিত নিৰ্বাচনী প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ৰাজ্যৰ ৰাজনীতিত দীৰ্ঘদিন ধৰি কেৱল হিতাধিকাৰী সৃষ্টিৰ ৰাজনীতিতে অভ্যস্ত হৈ পৰা কোনো এটা ৰাজনৈতিক দলৰ মুখত তিতাবৰ পৌৰসভাৰ কেবাটাও জ্বলন্ত সমস্যাৰ সমাধানৰ কোনো প্ৰতিশ্ৰুতি ফুটি উঠা নাই। বিজেপিৰ তুলনাত কংগ্ৰেছৰ প্ৰচাৰসভাৰ ভাষণ একেবাৰে নিষ্প্ৰভ। বাস্তৱ অনুশীলন আৰু পৰিকল্পিত ৰণনীতি তৈয়াৰ কৰাত ব্যৰ্থ কংগ্ৰেছে তিতাবৰত এতিয়াও চাউল, দাইল, মিঠাতেল আৰু ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ প্ৰসংগতে ৰাজনীতি সীমাবদ্ধ ৰাখিছে। বিগত বিধানসভা নিৰ্বাচনত সমগ্ৰ ৰাজ্যতে বিজেপিৰ ঢৌ অব্যাহত থকাৰ সময়তে তিতাবৰৰ ভোটদাতাই সোঁতৰ বিপৰীতে সাঁতুৰি বিজেপি বিৰোধী অৱস্থানেৰে কংগ্ৰেছৰ সপক্ষে ভোটদান কৰিছিল। উদ্দেশ্য আছিল তিতাবৰৰ ৰাজনীতিত কংগ্ৰেছে এগৰাকী স্থানীয় ব্যক্তিক প্ৰাৰ্থিত্ব দিয়াত তিতাবৰৰ মূল সমস্যাসমূহৰ এটা ইতিবাচক সমাধানৰ ৰূপৰেখা অংকন হ'ব। কিন্তু নটা মাহৰ পাছতেই তিতাবৰবাসীৰ মোহভংগ ঘটিল। তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই নিৰ্বাচনত জয়লাভ কৰাৰ পাছতে একাংশ দলীয় নেতাৰ ৰিম'ট কণ্ট্ৰলত পুতলা হৈ নাচিবলৈ আৰম্ভ কৰাত তিতাবৰৰ নগৰ নাগৰিকৰ কোনো সমস্যাকে গুৰুত্ব নিদিলে। বিশেষকৈ তিতাবৰ পৌৰসভা অঞ্চলত থকা ষ্ট্ৰীট লাইটসমূহ বিগত দুমাহ দিন নজ্বলা হৈ থকাৰ পাছতো বিধায়কজনে সমস্যাটোৰ সম্পৰ্কত আজি পৰ্যন্ত মনোনিৱেশ নকৰিলে। তিতাবৰ পৌৰসভাৰ বিভিন্ন পৌৰ অঞ্চলত ১০টা হাইমাস্ক লাইটকে পথৰ দুয়োকাষে থকা ষ্ট্ৰীট লাইটসমূহৰ বাবদ পৌৰসভাই বিদ্যুৎ বিভাগক ৪২ টকা আদায় নিদিয়াৰ বাবেই বিদ্যুত বিভাগে সেইসমূহৰ বিজুলী সংযোগ কৰ্তন কৰাৰ ফলত সমগ্ৰ তিতাবৰৰ পৌৰ অঞ্চলত বিগত দুমাহ দিন ধৰি অন্ধকাৰচ্ছন্ন পৰিৱেশে বিৰাজ কৰিছে। ২০২০ৰ মে'ৰ পৰা আজি পৰ্যন্ত তিতাবৰ পৌৰসভাৰ দায়িত্ব তিতাবৰ মহকুমাধিপতি কাৰ্যালয়ৰ বিভাগীয় বিষয়াৰ পৰিচালনাত পৰিচালিত হৈ আছে যদিও ৰহস্যজনকভাৱে চৰকাৰী বিষয়াসকলো এইক্ষেত্ৰত নিজৰ দায়িত্বহীনতাকে জনচক্ষুৰ সন্মুখত উদঙাই দিছে। তিতাবৰৰ ৰাইজৰ ভোটেৰে বিধায়কৰ আসন শুৱনি কৰা ভাস্কৰজ্যোতি বৰুৱায়ো পৌৰবাসীৰ স্বাৰ্থত নিজৰ চৰকাৰী ক্ষমতা প্ৰদৰ্শনতো নেতিবাচক স্থিতি গ্ৰহণ কৰাত কংগ্ৰেছৰ প্ৰতিয়ে মানুহৰ খং-ক্ষোভে আকাশ স্পৰ্শ কৰিছে। বিধায়কজনে জ্বলন্ত পৌৰ সমস্যাসমূহৰ সমাধানৰ সময় নিৰ্ধাৰিত কৰ্মসূচী সমষ্টিবাসীৰ সন্মুখত ঘোষণা কৰিবলৈ ৰাইজে দাবী জনাইছে।



# আদৰ্শ বিদ্যালয়ৰ শিক্ষকৰ বেতন সম্পৰ্কীয় সমস্যা অচিৰেই সমাধা কৰা হ'ব

■ বৰপেটাত মুখ্যমন্ত্ৰীৰ শিক্ষা উপদেষ্টাৰ গুৰুত্বপূৰ্ণ ঘোষণা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বৰপেটা/কয়াকুছি, ২২ ফেব্ৰুৱাৰী ঃ** আদৰ্শ বিদ্যালয়সমূহৰ শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ আৰু দৰমহা-ভাট্টা আদিৰ সমস্যা অচিৰেই সমাধা কৰাৰ প্ৰতিশ্ৰুতি দিছে মুখ্যমন্ত্ৰীৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্তই। কালি বৰপেটা জিলাৰ আদৰ্শ বিদ্যালয়সমূহৰ অৱস্থাৰ বুদ লোৱাৰ উদ্দেশ্যে জিলাখন ভ্ৰমণ কৰা ড° মহন্তই ইয়াৰ শিক্ষকসকলক উদ্দেশি এই কথা প্ৰকাশ কৰে। অৱশ্যে বিনিময়ত শিক্ষকসকলকো উৎসৰ্গিত মনোভাৱেৰে অসমৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়নৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। নৱগঠিত আদৰ্শ বিদ্যালয় সংগঠনৰ অধ্যক্ষৰ দায়িত্ব লাভ কৰা ড° মহন্তই কালি পাকাবেতবাৰী, সৰভোগ আৰু বৰপেটাত থকা আদৰ্শ বিদ্যালয়কেইখন পৰিদৰ্শন কৰাৰ অন্তত সন্ধিয়া শিক্ষা বিভাগৰ বিষয়াসকলৰ স'তে আলোচনাত মিলিত হয়। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাখনত উপায়ুক্ত তেজপ্ৰসাদ ভূচাল, জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাস, অতিৰিক্ত উপায়ুক্ত লখিমী উপস্থিত থাকে। উক্ত সভাত আদৰ্শ বিদ্যালয়সমূহৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে ইয়াৰ কৰণীয়সমূহৰ বিষয়ে মহন্তই পৰামৰ্শ আগবঢ়ায়। শিক্ষকসকলক নিজৰ শিক্ষানুষ্ঠানসমূহৰ বিকাশৰ ক্ষেত্ৰত স্থানীয় ৰাইজ আৰু অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰসকলক জড়িত কৰাত উপদেষ্টা ড° মহন্তই গুৰুত্ব আৰোপ কৰে। তেওঁ প্ৰতিখন বিদ্যালয়ক অন্ততঃ একোটা ব্যতিক্ৰমী ইতিবাচক সামূহিক কৰ্ম আঁচনি ৰূপায়ণ কৰাতো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে সমস্যাৰ পৰা আমি কেতিয়াও সম্পূৰ্ণ মুক্ত হ'ব নোৱাৰো। তাৰ মাজতে আমি সৰ্বোৎকৃষ্টখিনি কৰাৰ চেষ্টা কৰিব লাগিব। উক্ত সভাত প্ৰতিখন আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষসকলৰ উপৰি কে'বাখনো স্থানীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সকলো উপস্থিত থাকে। কালি নিশাটো বৰপেটা আৱৰ্ত ভৱনত কটাই আজি তেওঁ মন্দিয়া আৰু চেঙা আদৰ্শ বিদ্যালয় দুখন পৰিদৰ্শন কৰে।

# জলাগাঁৱত ভিচিডিচিৰ প্ৰাক্তন অধ্যক্ষৰ বাসগৃহত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২২ ফেব্ৰুৱাৰী ঃ** বাগ্‌সাৰ জলাগাঁৱত ভিচিডিচিৰ প্ৰাক্তন অধ্যক্ষ বলোৰাম বড়োৰ বাসগৃহত কালি আবেলি বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ ফলত হোৱা অগ্নিকাণ্ডত তিনিটা কোঠা ভস্মীভূত হয়। তথ্য মতে বিদ্যুৎ পৰিবাহী তাঁৰেৰে অকস্মাতে হাই ভল্টেজ প্ৰবাহিত হৈ জুই লাগি ফ্ৰিজটো বাগৰি পৰে। এই জুই দুটা শোৱনী কোঠা আৰু ড্ৰয়িং ৰূপলৈ বিয়লি পৰে। সেই সময়ত বড়োৰ পুত্ৰই বাথৰূমত গা ধুই থকা অৱস্থাতে জুয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে। অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত ঘৰৰ গৰাকী বড়ো শিমলা বজাৰলৈ, পত্নী বৰপেটালৈ, কন্যা গাঁৱৰে এঘৰত সকামলৈ গৈছিল। পুত্ৰই বাথৰূমৰ পৰা ওলাই ফ্ৰিজটোত জুই জ্বলি থকা দেখি বাল্টিৰে পানী ঢালি নুমাবলৈ চেষ্টা কৰে। সকাম খাবলৈ যোৱা ৰাইজে এই বিষয়ে জানিব পাৰি দৌৰি-দৌৰি ঘটনাস্থলীলৈ গৈ জুই নিৰ্বাপিত কৰিবলৈ চেষ্টা কৰে আৰু অৱশেষত জুই নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। মুছলপুৰ অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী আহি পাছত সম্পূৰ্ণৰূপে জুই নিৰ্বাপিত কৰে। এই অগ্নিকাণ্ডৰ ফলত প্ৰায় পাঁচ লক্ষাধিক সম্পত্তিৰ ক্ষতি সাধন হয়।

# জনাৰামচৌকা আদৰ্শ চিকিৎসালয়ত ৰোগীৰ জিৰণি কোঠা মুকলি



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২২ ফেব্ৰুৱাৰী ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত জনাৰামচৌকা আদৰ্শ চিকিৎসালয়ত যোৱা ২১ ফেব্ৰুৱাৰীত উন্মোচন হয় ৰোগীৰ লগতে সাৰথিৰ বাবে প্ৰয়োজনীয় এটি জিৰণি কোঠা। বিধায়ক বসন্ত দাসৰ সমষ্টি উন্নয়ন পুঁজি (২০২০-২১)ৰ অধীনত তিনিলাখ ২০ হেজাৰ টকা ব্যয়সাপেক্ষে কোঠাটো উন্মোচন কৰে মঙলদৈ জলসিঞ্চন বিভাগৰ সহকাৰী অভিযন্তা কেশৱ কুমাৰ শৰ্মাই। অনুষ্ঠানত চিকিৎসালয়খনৰ সমূহ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। সকলোৱে এই আঁচনিৰ বাবে বিধায়ক দাসৰ শলাগ লয়।

# হোজাইত অসম সাহিত্য সভাৰ মুক্ত শিক্ষা সংসদৰ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২২ ফেব্ৰুৱাৰী ঃ** হোজাইত অসম সাহিত্য সভাৰ মুক্ত শিক্ষা সংসদৰ ২০২২-২৩ শিক্ষা বৰ্ষৰ সূচনা অভিযোজনৰ এখন গুৰুত্বপূৰ্ণ সভা যোৱা ২০ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। হোজাই সাহিত্য সভাৰ সহযোগত আজমল কলেজ অৱ আৰ্টছ, কমাৰ্চ এণ্ড চাইন্সৰ সভাগৃহত অনুষ্ঠিত হোৱা সভাত শিক্ষক, শিক্ষাৰ্থীসকলৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। আজমল ফাউণ্ডেচনৰ সঞ্চালক ড° খছৰুল ইছলামে উদ্বোধনী বক্তব্যত আজমল ফাউণ্ডেচনে হোজাইৰ লগতে সমগ্ৰ অসমত গ্ৰহণ কৰা শিক্ষা বিস্তাৰৰ বিষয়ে আলোকপাত কৰে। সভাত অসম সাহিত্য সভাৰ মুক্ত শিক্ষা সংসদৰ আহ্বায়ক ড° বিনয়ব্ৰত ৰাজখোৱা, হোজাই জিলা সাহিত্য সভাৰ সম্পাদক অনুপ বৰঠাকুৰ, হোজাই সাহিত্য সভাৰ সভাপতি ডাঃ ছামচুল হকে শৈক্ষিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আজমল ফাইণ্ডেচনৰ মহাপ্ৰবন্ধক ড° এম আৰ এইছ আজাদ, আজমল ফাউণ্ডেচনৰ সহ শৈক্ষিক বিষয়া ৰফিক উদ্দিনসহ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

■ মৰাণ নগৰৰ জ্বলন্ত সমস্যা সমাধানৰ দাবী

# বিধায়ক চক্ৰধৰ গগৈক ২৯ দফীয়া স্মাৰকপত্ৰ নাগৰিক সমাজৰ

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ২২ ফেব্ৰুৱাৰী ঃ** মৰাণ নগৰৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ দাবীত কালি মৰাণ নাগৰিক সমাজে স্থানীয় বিধায়ক চক্ৰধৰ গগৈক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। দুপৰীয়া বিধায়কজনৰ বাসগৃহত মৰাণ নাগৰিক সমাজৰ সভাপতি ড° গিৰিণ ফুকন আৰু সম্পাদক ড° যতীন চুতীয়াৰ নেতৃত্বত এটা সঁজাতী দলে ২৯ দফীয়া স্মাৰকপত্ৰ প্ৰদান কৰি পৰ্যায়ক্ৰমে সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰে। উল্লেখ্য যে ২০১৬ত তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়ে মৰাণক মহকুমা ঘোষণা কৰে যদিও আজিকোপতি কাৰ্যকৰী হোৱা নাই। মৰাণ ৰাজহ নগৰক নগৰ সমিতিলৈ উন্নীত, অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানটোৰ উন্নয়ন সাধন, নিৰ্মীয়ান অৱস্থাত থকা মৰাণৰ কাৰিকৰী প্ৰতিষ্ঠানটো সম্পূৰ্ণ কৰি প্ৰশিক্ষাৰ্থীৰ বাবে শীঘ্ৰে মুকলি, অভয়পুৰ গ্ৰাম্য ষ্টেডিয়ামৰ কাম সম্পূৰ্ণ, এখন উন্নত মানৰ চিকিৎসালয় নিৰ্মাণ, অত্যাধুনিক সা-সুবিধাযুক্ত সভাকক্ষ আৰু পুথিভঁৰাল নিৰ্মাণ কৰাকে ধৰি মুঠ ২৯ টা দাবী সম্বলিত স্মাৰকপত্ৰ বিধায়কক প্ৰদান কৰে নাগৰিক সমাজে। দাবীপত্ৰ গ্ৰহণ কৰি বিধায়ক গগৈয়ে মৰাণ মহকুমা, মৰাণ ৰাজহ নগৰক নগৰ সমিতিলৈ উন্নীত কৰা, বেদখল হৈ থকা চৰকাৰী ভূমিত উচ্ছেদ অভিযান চলোৱা, কাৰিকৰী প্ৰতিষ্ঠানটো সম্পূৰ্ণ কৰাৰ উপৰি নাগৰিক সমাজৰ স্মাৰকপত্ৰৰ সকলোবোৰ দাবী পৰ্যায়ক্ৰমে পূৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা পাৰ্যমাণে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে।

# বাসুগাঁও আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২২ ফেব্ৰুৱাৰী ঃ** অন্যান্য বছৰৰ দৰে এইবেলিও চিৰাং জিলাৰ বাসুগাঁও আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে ৰঙালী বিহু পালনৰ বাবে কঁকালত টঙালি বান্ধিছে। বিগত বৰ্ষৰ সভাপতি অমৃত নাৰায়ণ পাটগিৰিৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক ৰঙালী বিহু উদ্‌যাপনৰ বাবে কৰেন্দ্ৰ চন্দ্ৰ দাসক সভাপতি, দিলীপ কুমাৰ ৰায় আৰু ভৃগুমুনি ৰায়ক উপ-সভাপতি, হিৰোকজ্যোতি মেধীক সম্পাদক, অৰূপ মেধীক সহকাৰী সম্পাদক, ৰূপম চন্দ্ৰ ৰায়ক সাংস্কৃতিক সম্পাদক, শৈলেন দাসক সহকাৰী সাংস্কৃতিক সম্পাদক, লংকেশ্বৰ কলিতাক বিত্ত, পৱিত্ৰ (জুনিয়ৰ) সাহিত্য, তপন দাসক খাদ্য সম্পাদকৰূপে লৈ আগন্তুক ২০২২ৰ ৰঙালী বিহু উদ্‌যাপন সমিতিখন গঠন কৰা হয়। বাসুগাঁও আঞ্চলিক ছাত্ৰ (আছু)ৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাত পৰৱৰ্তী সভাৰ জৰিয়তে বিহু উদ্‌যাপন সমিতিৰ অন্যান্য বিষয়ববীয়া অন্তৰ্ভুক্ত কৰি উদ্‌যাপন সমিতিখনৰ কলেবৰ বৃদ্ধি কৰা হ'ব বুলি নৱনিযুক্ত সম্পাদক মেধীয়ে ব্যক্ত কৰে। উল্লেখ্য যে এইবাৰৰ পৰা বিহুৰ পতাকাৰ লগতে কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় হালধীয়া গামোছা উত্তোলন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# হাতীগড়ত নৱনিৰ্মিত শিৱ মন্দিৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**
**টংলা, ২২ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত হাতীগড় চাহ বাগিচাত কালি নৱনিৰ্মিত শিৱমন্দিৰ এটা মাংগলিক ৰীতি-নীতি, শংখ ঘণ্টাৰ ধ্বনি আৰু আয়তীৰ উৰুলিৰে উদ্বোধন কৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক-সংঘৰ অসম ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই। তেওঁ বিশ্বমানৱৰ কল্যাণৰ অৰ্থে শিৱ মন্দিৰটো ৰাইজৰ বাবে উদ্বোধন কৰিবলৈ পাই সুখী বুলি মন্তব্য কৰে। বিটিআৰৰ কাৰ্যবাহী সদস্য সঞ্জীত তাঁতীয়ে বিশ্ব শান্তি, ক'ভিড, অ'মিক্ৰন আদি মাৰি-মৰকৰ পৰা পৰিত্ৰাণৰ অৰ্থে ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ কৰা শিৱ মন্দিৰটো ৰাইজৰ মহৎ উপকাৰ কৰিব বুলি মন্তব্য কৰে। বিষ্টু তাঁতীয়ে নগৰ কীৰ্তন কৰাৰ পাছতে ধৰ্মধ্বজা উত্তোলন কৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, অসমৰ সহঃ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই। হাতীগড়ৰ পৰা পানেৰী কুলশী ঘাটলৈ মাংগলিক কলহ যাত্ৰা পৰিচালনা কৰে কেশৱ বেহেৰাই। লংকেশ্বৰ শৰ্মাই পৰিচালনা কৰা হোম যজ্ঞ, মাহপ্ৰসাদ বিতৰণ, দিহানাম, নাগাৰা নাম, নাম কীৰ্তন, ভক্তিমূলক গীতনৃত্য পৰিৱেশন অনুষ্ঠান দিনজোৰাভাৱে অনুষ্ঠিত অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী ৰিহণ দৈমাৰী প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিকূল বতৰকো নেওচি বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ লানি নিছিগা সোঁতে হাতীগড় শিৱ মন্দিৰ প্ৰাংগণত উখল-মাখল আৰু আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষণ শ্ৰীধৰ আৰু সাধাৰণ সম্পাদক সুজিত নায়ক, পৃষ্ঠপোষক হাতীগড় চাহ বাগিচাৰ পৰিচালন সঞ্চালক ৰাণা বৰুৱা, পৰিচালক হৰ্ষবৰ্ধন সিং জামুৱাল তথা উপদেষ্টা মণ্ডলীয়ে উদ্বোধনী অনুষ্ঠান সুচাৰুৰূপে পৰিচালনা কৰাত সহায়-সহযোগিতা আগবঢ়োৱা বাবে ভক্তপ্ৰাণ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# জলাগাঁৱত বংশীগোপাল নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২২ ফেব্ৰুৱাৰী ঃ** বাগ্‌সাৰ জলাগাঁৱৰ বংশীগোপাল নামঘৰৰ দুদিনীয়াকৈ অনুষ্ঠিত ২২ সংখ্যক গুৰু আসন প্ৰতিষ্ঠাণ দিৱস যোৱা ১৯ ফেব্ৰুৱাৰীত সামৰণি পৰে। প্ৰাতঃপ্ৰসংগ, চাফাই অভিযান, ধৰ্মধ্বজা উত্তোলন আদি কাৰ্যসূচী সম্পন্ন হয়। স্মৃতি তৰ্পণ কৰে জয়ন্ত দাসে। বৃক্ষৰোপণ কৰে ৰূপকৃষ্ণ দাস আৰু পৱিত্ৰ দাসে। ভাগৱত শোভাযাত্ৰাত শিৰত ভাগৱত ধাৰণ কৰি বহন কৰি নিয়ে গিৰীশ দাসে। এই উপলক্ষে অনুষ্ঠিত ধৰ্মসভাত বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে চমু তাত্ত্বিক ভাষণ আগবঢ়ায়। বজালী দামোদৰ আশ্ৰমৰ পাঠক মহেন্দ্ৰ ডেকাই ভাগৱত পাঠ কৰে। সন্ধিয়া শ্ৰীশ্ৰী শংকৰদেৱ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফুলেন দাসে বন্তি প্ৰজ্বলন কৰে।

# বিশ্বনাথত ছয় জনগোষ্ঠীৰ দুঘন্টীয়া ধৰ্ণা কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২২ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত কালি অসমৰ চাহ জনগোষ্ঠী, আহোম, কোঁচ ৰাজবংশী, মৰাণ, মটক আৰু চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীত ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ উদ্যোগত দুঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰ্তমানৰ চৰকাৰখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ কৰাত সদিচ্ছা নথকাত এই ছয় জনগোষ্ঠীয়ে বিভিন্ন জিলাত জনজাতিকৰণৰ দাবীত প্ৰতিবাদ কৰি আহিছে। কংগ্ৰেছৰ অপশাসনৰ ফলতে বিজেপি চৰকাৰ আহিছিল, কংগ্ৰেছে ছয় জনগোষ্ঠীক ঠগিছিল তাৰ প্ৰতিফলতে কালি কংগ্ৰেছে বনবাস খাটিব লগা হৈছে, ঠিক তেনেদৰেই বিজেপিৰ চৰকাৰেও কৰিছে সেয়ে ছয় জনগোষ্ঠীয়ে ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ সাজু হৈছে। পৰৱৰ্তী পৰ্যায়ত যদি এই কথাত গুৰুত্ব নিদিয়ে দিল্লী, দিছপুৰ কঁপাই তুলিব বুলি এই ছয় জনগোষ্ঠীয়ে হুংকাৰ দিয়ে।

# বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ ঢেকীয়ালৰ নাট্যগোষ্ঠী 'পদাতিক'ৰ সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু 'মলীয়া গাঁও সাংস্কৃতিক সংঘ'ৰ আন্তৰিক সহযোগত যোৱা ২০ ফেব্ৰুৱাৰীত ঢেকীয়াল সাংস্কৃতিক ভৱন প্ৰেক্ষাগৃহত বিনামূলীয়া চকু পৰীক্ষা আৰু অস্ত্ৰোপচাৰ শিবিৰ অনুষ্ঠিত হয়। যোৰহাট লায়ন্স চকু চিকিৎসালয়ৰ চকু বিশেষজ্ঞ সকলৰ দ্বাৰা চিকিৎসা আগবঢ়োৱা শিবিৰত বিভিন্ন প্ৰান্তৰৰ ৩২৮ গৰাকী ৰোগীৰ চকু পৰীক্ষা কৰাৰ বিপৰীতে ৪৮ গৰাকী ৰোগীক বিনামূলীয়া কেটেৰেক্ট অপাৰেছনৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে এই প্ৰচেষ্টাকে ধৰি ঢেকীয়ালত সৰ্বমুঠ তিনিবাৰ এনে শিবিৰ 'পদাতিক'ৰ আহ্বানত অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল কুমাৰ শইকীয়া, গোলাঘাটৰ বিশিষ্ট গ্ৰন্থ বিতৰক জ্যোতিপ্ৰসাদ লডিয়া, কুমাৰ ৰাজ, গণেশ চন্দ্ৰ গোস্বামী আদিকে ধৰি ভালেসংখ্যক ব্যক্তি।

# ধেমাজিৰ মৰিটলত অসম বৈদিক বৈষ্ণৱ মহাসভাৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি

**ধেমাজি, ২২ ফেব্ৰুৱাৰী ঃ** ধেমাজি মৰিটল আঞ্চলিক বৰ নামঘৰৰ প্ৰাংগণত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে যোৱা ২০ ফেব্ৰুৱাৰীত সামৰণি পৰে অসম বৈদিক বৈষ্ণৱ মহাসভাৰ ৰূপালী জয়ন্তীবৰ্ষ আৰু মহাসভাৰ ত্ৰয়োদশ দ্বিবাৰ্ষিক অধিবেশন। প্ৰথম দিনা পৰিৱেশ নিকাকৰণৰ লগতে নামপ্ৰসংগ, ভাগৱত পাঠ আদি ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত কৰে। তদুপৰি পৃথকে পৃথকে ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা, প্ৰতিনিধি শিবিৰ, প্ৰদৰ্শনী দ্বাৰ উন্মোচনৰ আৰু অসম ভিত্তিক মহিলা দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰে। দ্বিতীয় দিনা ২৫ খন ধৰ্মধ্বজা উত্তোলনৰ লগতে পৃথকে পৃথকে বিষ্ণু যজ্ঞ, শৰণ-ভজন অনুষ্ঠান অনুষ্ঠিত কৰে। একেদৰে নামঘৰত নাম-প্ৰসংগৰ সমান্তৰালকৈ মূল মঞ্চত মুখপত্ৰ 'কল্পতৰু' উন্মোচন কৰা হয়। ইয়াৰ পাছতে 'বৈদিক দৰ্শনত যুৱক-যুৱতী আৰু মহিলা সমাজৰ ভূমিকা' বিষয়ক এখন আলোচনা সত্ৰ অনুষ্ঠিত কৰে। সন্ধিয়ালৈ পৃথকে পৃথকে যুৱ আৰু মহিলা সমাজৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। নিশালৈ 'বিপ্ৰ দামোদৰ আখ্যান, দন্তবক্ৰৰ মুক্তি লাভ' ভাওনা প্ৰদৰ্শন হয়। তৃতীয় দিনা পুৱা নামপ্ৰসংগ, ভাগৱত পাঠৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত কৰে। শোভাযাত্ৰা উদ্বোধন কৰে জনপ্ৰিয় অভিনেত্ৰী আশা বৰদলৈয়ে। তাৰ পাছতে এখন মুকলি সভা অনুষ্ঠিত কৰে। সভা মুকলি কৰে নাৰায়ণপুৰ বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনীন্দ্ৰ নাৰায়ণ দেৱ গোস্বামীয়ে। সভাত পৌৰোহিত্য কৰে অসম বৈদিক বৈষ্ণৱ মহাসভাৰ সভাপতি মহেন্দ্ৰনাথ কোঁৱৰে। আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীয়ে অংশগ্ৰহণ কৰা সভাত মহাসভাৰ কেন্দ্ৰীয় আৰু বিভিন্ন জিলাৰ মহাসভাৰ বিষয়ববীয়া আৰু ধেমাজি প্ৰশাসন তথা অঞ্চলৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ডিগবৈত অলিয়ে গলিয়ে চলাইছে প্ৰচাৰ অভিযান

**ডিগবৈ, ২২ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিত হ'বলগীয়া পৌৰসভা নিৰ্বাচনক লৈ সমগ্ৰ ৰাজ্যতে বলিছে গৰম বতাহ। প্ৰতিটো ৰাজনৈতিক দলে দলীয় প্ৰাৰ্থীত্বক বিজয়ী কৰাবলৈ ভোটাৰৰ কাষ চাপি সভা সমিতি অনুষ্ঠিত কৰি নিৰ্বাচনী প্ৰচাৰত অৱলম্বন কৰিছে নতুন নতুন কৌশল। ডিগবৈ পৌৰসভা নিৰ্বাচনত পিছপৰি পোৱা নাই ডিগবৈ বিধানসভা সমষ্টিৰ বিধায়ক সুৰেন ফুকনো। আনহাতে, ডিগবৈ পৌৰসভা নিৰ্বাচনত কোনো ফালৰ পৰা পিছপৰি ৰোৱা নাই কংগ্ৰেছৰ তৰফৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰা প্ৰাৰ্থীও। শাসক-বিৰোধী দুয়ো পক্ষই যেন ডিগবৈ পৌৰসভা দখলৰ স্বাৰ্থত নামি পৰিছে প্ৰতিযোগিতাত। দুয়োপক্ষই ভোট ৰাইজৰ কাষ চাপি প্ৰতিশ্ৰুতি বৈন্যা বোৱাই ভোটাৰক আকৰ্ষণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ১৯৬০তে প্ৰতিষ্ঠা হোৱা ডিগবৈ পৌৰসভাৰ ৬২টা বৰ্ষ অতিক্ৰম কৰিলে যদিও ডিগবৈবাসী ৰাইজৰ এশ এবুৰি সমস্যা শাসক বিৰোধী কোনো এটা দলেই সমাধান কৰিবলৈ চেষ্টা নকৰাক লৈ গৰিষ্ঠ সংখ্যক ভোটাৰৰ মাজত ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে। ডিগবৈ মূল চহৰৰ ৰাইজে আজি পৰ্যন্ত নাপালে এটুপি বিশুদ্ধ খোৱা পানী, ডিগবৈ মূল চহৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ বহু অঞ্চলত নাম মাত্ৰ থিয় হৈ আছে ফুলদানীসদৃশ ষ্ট্ৰীট লাইট, নৱাৰ দুৰৱস্থাৰ বাবে আগন্তুক ডিগবৈ পৌৰসভা নিৰ্বাচনত ভোটাৰ ৰাইজে কোন দলক আকোঁৱালি ল'ব সেয়া লক্ষ্যণীয় হ'ব।

# পৌৰসভা নিৰ্বাচন উপলক্ষে গোৱালপাৰাত ১৪৪ ধাৰা জাৰি

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২২ ফেব্ৰুৱাৰী ঃ** পৌৰসভাৰ নিৰ্বাচন নিকা আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ লগতে শান্তি-শৃংখলা বাহাল ৰাখিবলৈ সমগ্ৰ গোৱালপাৰা জিলাতে যোৱা ১৯ ফেব্ৰুৱাৰীৰ পৰাই তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ ১৪৪ ধাৰা জাৰি কৰিছে জিলা দণ্ডাধীশ মিনাক্ষী দাস নাথে। সেই অনুসৰি কোনো ৰাজহুৱা স্থানত পাঁচজনতকৈ অধিক ব্যক্তি সমবেত হ'ব নোৱাৰিব। প্ৰশাসনৰ অনুমতি নোহোৱাকৈ ৰাজহুৱা স্থানত সভা-সমিতি বা জন সমাৱেশ, শোভাযাত্ৰা আদি অনুষ্ঠিত কৰিব নোৱাৰিব। আগ্নেয় অস্ত্ৰ, দা-লাঠি অথবা এছিড জাতীয় পদাৰ্থ লৈ ৰাজহুৱা স্থান বা ৰাস্তা-ঘাটত মুকলিকৈ লৈ ঘূৰি ফুৰিব নোৱাৰিব। জোঁৰ লৈ সমদল, ধৰ্ণা কাৰ্যসূচী অথবা যিকোনো দাবীৰ বাবে ৰাস্তা-ঘাট অৱৰোধ কৰিব নোৱাৰিব। ইয়াৰ উপৰি প্ৰশাসনৰ বিনা অনুমতিত উচ্চ প্ৰাবল্যৰ অনুভাষ যন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। চৰকাৰী, অৰ্ধচৰকাৰী, বেচৰকাৰী কাৰ্যালয় তথা ব্যক্তিগত আৱাস গৃহৰ দেৱালত তথা চৌহদত বেনাৰ পোষ্টাৰ লগাব নোৱাৰিব। যিকোনো ব্যক্তিৰ পুত্তলিকা দাহ, ৰাজহুৱা স্থানত মানুহৰ মাজত উত্তেজনা সৃষ্টি কৰিব পৰা কোনো ধৰণৰ প্ৰৰোচনামূলক মন্তব্য দিয়া আৰু বলপূৰ্বকভাৱে ব্যৱসায় প্ৰতিষ্ঠানৰ পৰা চান্দা সংগ্ৰহ, ৰাস্তাত গাড়ী ৰখাই চান্দা সংগ্ৰহ কৰা আদি নিষিদ্ধ কৰা হৈছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞাসমূহ সমগ্ৰ জিলাখনতে বাহাল থাকিব। কোনো ব্যক্তিয়ে উপৰোক্ত নিষেধাজ্ঞাসমূহ ভংগ কৰিলে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ ধাৰাৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা তথ্য আৰু জনসংযোগ বিভাগে এক বিবৃতিযোগে জানিবলৈ দিয়ে।

# শিশু যৌন অপৰাধ প্ৰতিৰোধৰ বাবে সজাগতা সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** 'নিজৰ ওপৰত তোমালোকক আইনে সৰ্বোচ্চ ক্ষমতা দিছে। সেয়ে আইন সন্দৰ্ভত তোমালোক সজাগ সচেতন হ'ব লাগে। মা-দেউতা বা পৰিয়ালৰ সদস্যৰ বাদে একাংশ লোকৰ সীমাহীন অহেতুক মৰম-স্নেহেও কেতিয়াবা বিপদত পেলাব পাৰে। সেয়ে এইক্ষেত্ৰত সাৱধান হোৱা ভাল।' কালি মৰিগাঁও জিলাৰ গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱৰ উদ্যোগত অনুষ্ঠিত শিশু যৌন অপৰাধৰ বিৰুদ্ধে প্ৰতিৰোধী আইন সন্দৰ্ভত হোৱা এখন সজাগতা সভাত কিশোৰৰ যৌন নিৰ্যাতন সন্দৰ্ভত সজাগ হ'বলৈ আহ্বান জনাই মন্তব্য কৰে বিশিষ্ট শিক্ষাবিদ তথা অধিবক্তা নিৰঞ্জন বৰুৱাই। সম্প্ৰতি মৰিগাঁও জিলাৰ বৰ্ধিত শিশুৰ যৌন নিৰ্যাতন, বাল্য বিবাহ, মানৱ সৰবৰাহৰ দৰে ঘটনা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱে জিলাখনৰ বিভিন্ন অঞ্চলত সজাগতা সভা আদি অনুষ্ঠিত কৰি সাধাৰণ লোকৰ মাজত সজাগতাৰ সৃষ্টি কৰিবৰ চেষ্টা কৰি আহিছে। তাৰেই অংশৰূপে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অনুষ্ঠিত কৰে শিশু যৌন অপৰাধৰ বিৰোদ্ধে প্ৰতিৰোধ আৰু বাল্য বিবাহ আইন সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিং খাং মোছাহাৰীয়ে সভাখনৰ উদ্বোধন কৰে। বিদ্যালয়খনৰ অধ্যক্ষ বুবুমনি গোস্বামীয়ে সভাপতিত্ব কৰা সজাগতা সভাখন আঁত ধৰে শিক্ষক বাবুল বৰাই। আইনখনৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায় বিশিষ্ট শিক্ষাবিদ তথা অধিবক্তা নিৰঞ্জন বৰুৱা আৰু বিশিষ্ট অধিবক্তা ছাহনাজ বেগমৰ লগতে জিলা আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱৰ জ্যেষ্ঠ সহায়ক মালবিকা ডেকাই।সভাখনত অতিৰিক্ত উপায়ুক্ত ৰিং খাং মোছাহাৰীয়ে কয় যে এনেবোৰ পিছপৰা অঞ্চলত এনে বিষয়ত জিলা আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱে লোৱা পদক্ষেপে সমাজত যোগাত্মক প্ৰভাৱ পেলাব।

# কৰ্মচাৰীৰ ন্যায্য প্ৰাপ্তিৰ ক্ষেত্ৰত আপোচ কৰা নহ'ব

■ শিৱসাগৰত অল অইল ফিল্ড ৱৰ্কাৰ্চ ইউনিয়নৰ অধিবেশন সম্পন্ন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২২ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰৰ যুৱদল প্ৰাংগণত যোৱা ২০ ফেব্ৰুৱাৰীত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অন্তৰ্গত অল অইল ফিল্ড ৱৰ্কাৰ্চ ইউনিয়নৰ শিৱসাগৰ জিলা সমিতিৰ প্ৰথম বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। উক্ত অধিবেশনত ভাৰতীয় মজদুৰ সংঘৰ অসম প্ৰদেশৰ সম্পাদক ভাস্কৰ দাস, অইল ড্ৰিলিং এণ্ড প্ৰডাকচন ৱৰ্কাৰ্চ ইউনিয়ন দুলীয়াজানৰ সভাপতি ধৰ্মানন্দ ফুকন, দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিতুল শইকীয়া, অ' এন জি চিৰ এৰিয়া মেনেজাৰ পি কে দাস, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক মানস সন্দিকৈ, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া আৰু ব্যক্তিগত খণ্ডৰ ৰিগ প্ৰতিষ্ঠানৰ কে'বাজনো প্ৰতিনিধি উপস্থিত থাকে। সংগঠনটোৰ জিলা সমিতিৰ সভাপতি আৰিফউদ্দিন আহমেদে সভাপতিত্ব কৰা সভাৰ আঁত ধৰে কাৰ্যকৰী সভাপতি কৃষ্ণকমল কলিতাই। বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সংগঠনটোৰ জিলা সম্পাদক হেমন্ত মাউতে। সভাত বিভিন্ন ক্ষেত্ৰৰ পৰা অহা বহু কেইজন বিশিষ্ট ব্যক্তিয়ে কে'বাটাও গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰে। অধিবেশনত ইউনিয়নৰ বিষয়ববীয়াসকলে অ' এন জি চিৰ অন্তৰ্গত ব্যক্তিগত ৰিগ প্ৰতিষ্ঠানসমূহত কৰ্মৰত কৰ্মচাৰী সকলৰ প্ৰাপ্য মজুৰি তথা ভৱিষ্যতে পাবলগীয়া বিভিন্ন সা-সুবিধাৰ সন্দৰ্ভত আৰু ভৱিষ্যৎ নিৰাপত্তাৰ ক্ষেত্ৰত ল'ব লগা বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰে। সংগঠনটোৱে কৰ্মচাৰীৰ ন্যায্য প্ৰাপ্তিৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি স্পষ্ট কৰি দি ব্যক্তিগত খণ্ডৰ ৰিগৰ বিভিন্ন বিত্তীয় কেলেংকাৰিৰ সন্দৰ্ভত অতি সোনকালে তথ্য সহকাৰে একাংশ ব্যক্তিৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰে।





*নিবিৰ পৰাশৰ, চতুৰ্থ শ্ৰেণী, পায়'নিয়াৰ একাডেমী পুঠিমাৰী।*

## ৰেখা আৰু ৰশ্মিৰ জ্ঞান

**বৰ্ণালী শৰ্মা বৰকটকী**

সোণমনি জোনমনি
দুয়ো বাই-ভনী
দিনৰ দিনটো বহীৰ
পাতত থাকে আঁচ টানি।
তেনেতে ককাকে আহি
দুয়োৰে ওচৰতে বহিলে
আঁচবোৰ দেখি ৰেখাৰ
কথা বুজাবলৈ ধৰিলে।
দীঘল-চুটি এঁকা-বেঁকা
আছে বহু ৰেখা
সৰু সৰু বিন্দুৰ সমষ্টিৰে
হয় এডাল ৰেখা।
পোন-চিধা ৰেখাডালক
কয় সৰলৰেখা
একাঁ বেঁকা ৰেখাবোৰক
কয় বক্ৰৰেখা।
ৰেখাবোৰেৰে আমি
বহু বস্তু আঁকিব পাৰো
ত্ৰিভুজ, চতুৰ্ভুজৰ দৈৰ্ঘ্য
জুখিব পাৰো।
জোনমনিয়ে জুমি চাই
বেৰৰ জলঙাৰে
ৰশ্মিৰ গতি দেখোন
সৰলৰেখাৰ দৰে।
লগে লগে ককাকে
ৰশ্মিৰ কথা ক'বলৈ ধৰে
ৰশ্মিও এনে এডাল ৰেখা
যাৰ লক্ষ্য অসীম
গতি সৰলৰেখাৰ দৰে।
দুয়ো আহি ককাকক
টপকৈ চুমা এটি খালে
ইমান ধুনীয়াকৈ যে সিহঁতক
ৰেখা-ৰশ্মিৰ কথা বুজাই দিলে।

## ডাঙৰ মানুহ

**দিগন্ত বৈশ্য**


অলিস্মিতা নাম তাইৰ
সকলোৱে কয়,
বাঘ আৰু সিংহলৈ
লাগে হেনো বৰ ভয়।
ছবি আঁকি তাই
বৰ ভাল পায়
দুষ্টামি নকৰে বাবে
সকলোৰে মৰম পায়।
পুৱা উঠি সোনকালে তাই
মুখ হাত ধোৱে
মুখ-হাতে ধুই নিতে
পঢ়া-শুনা কৰে
পঢ়াৰ লগতে ঘৰৰ কাম
দুই-এটি কৰে,
ঘৰৰ কাম কৰি তাইৰ
বৰ আনন্দ লাগে।
পাঠপুথিৰ লগতে তাই
বাহিৰা কিতাপো পঢ়ে,
সেইবোৰ পঢ়ি তাই
নানা জ্ঞান লভে।
মন-পুতি পঢ়া-শুনা
কৰে এইবাবে,
তেতিয়াহে তাই এদিন
ডাঙৰ মানুহ হ'ব পাৰে।



## পইচা খোৱা কাউৰী

**প্ৰদীপ নাৰায়ণ ভট্ট**

**আজিৰ** পৰা প্ৰায় ৭০-৭৫ বছৰ আগৰ ঘটনা। 'দাধৰা' নামৰ এখন গাঁৱত নীলাম্বৰ নামৰ বুঢ়া এজনৰ ঘৰত এটা হঠাৎ অথন্তৰ ঘটিল। বুঢ়াৰ একমাত্ৰ পুতেক জীৰেশ্বৰৰ তীৰকঁপে জ্বৰ। পুতেকৰ জ্বৰ নকমেহে নকমে। অৱশেষত বুঢ়াই পুতেকক এক কিলোমিটাৰ দূৰৈত থকা আব্দুল ডাক্তৰৰ ওচৰত নিবলৈ সিদ্ধান্ত ল'লে। কথা হ'ল, এতিয়া পুতেকক নিয়ে কেনেকৈ? বুঢ়ীৰ দিহা মতে বুঢ়াই এখন ৰিক্সা ঠিক কৰিলে। ৰিক্সাৱালাই ক'লে— 'ৰাস্তা ভাল নহয়। এক-ডেৰ কিলোমিটাৰৰ পথ। গতিকে ১০ টকা লাগিব।' বুঢ়া-বুঢ়ী মান্তি হ'ল। বুঢ়ীয়ে পুতেকক ৰিক্সাৰে লৈ গ'ল। বুঢ়ী নথকা সময়খিনিত বুঢ়াও পথাৰৰ কামত ব্যস্ত হৈ পৰিল। প্ৰায় দুই-আঢ়ৈ ঘণ্টাৰ অন্তত বুঢ়ীয়ে পুতেকৰ চিকিৎসা সমাপ্ত কৰি ৰিক্সাৰে ঘৰমুৱা হয়। ঘৰ পোৱাৰ পাছত বুঢ়ীয়ে ৰিক্সাৱালাক এখন ৫০ টকীয়া আগবঢ়ালে। বুঢ়ীৰ ইচ্ছা হ'ল, ৰিক্সাৱালাই তাৰ পৰা নিজৰ প্ৰাপ্যখিনি ৰাখি বাকী ৪০ টকা ওভতাই দিব। কিন্তু সেই সময়ত ৰিক্সাৱালাৰ পকেট উদং আছিল। সেই কাৰণে সি ৫০ টকীয়াখন ল'বলৈ অমান্তি হ'ল। তেতিয়া উপায়হীন অৱস্থাত বুঢ়ীয়ে চুবুৰিৰে এজনী তিৰোতাক ১০ টকা কিছু সময়ৰ বাবে ধাৰলৈ খুজিলে। তিৰোতাগৰাকীয়ে তাইৰ হাতত তেনে কোনো খুচুৰা পইচা নাই বুলি ক'লে। বুঢ়ীয়ে যেতিয়া তিৰোতা গৰাকীক ৫০ টকাটো বন্ধকত দিলে, তেতিয়া কিন্তু তাইৰ হাতত ১০ টকীয়াখন ওলাল। বুঢ়ীয়ে সেই ১০ টকীয়াখন দি ৰিক্সাৱালাক বিদায় দিলে। সিমানতে কাহিনী শেষ হোৱা যেন লাগিলেও আচলতে কাহিনীটো সিমানতে অন্ত নপৰিল। আবেলি সময়ত তিৰোতাগৰাকীৰ গিৰিয়েকে তল-ওপৰ কৰি কিবা বিচাৰি থকাত বুঢ়াই মাত লগালে, 'ঐ নৰেশ কি হেৰাল তোৰ, কিনো ইমান বিচাৰি আছ?' বুঢ়াৰ প্ৰশ্নৰ উত্তৰত মানুহজনে খং উঠাৰ অভিনয়ৰে ক'লে, 'কাকা, তই বেয়া নাপাবি, তোৰ তিৰোতাজনী বৰ পাগল! তাই মাত্ৰ ১০ টকাৰ বাবে এখন ৫০ টকীয়া বন্ধকত দিব লাগেনে বাৰু? 'কিন্তু এতিয়া কি হ'ল?' বুঢ়াই পুনৰ মানুহজনক মানে নৰেশক প্ৰশ্ন কৰিলে। নৰেশে বৰ দুখেৰে ক'লে যে তাৰ তিৰোতাগৰাকীৰ হাতৰ পৰা কাউৰীয়ে খোৱা বস্তু বুলি ভাবি ৫০ টকীয়াখন কাঢ়ি লৈ গ'ল। এতিয়া সি বিচাৰি আছে। বুঢ়াৰ নৰেশৰ অভিসন্ধি বুজিবলৈ আৰু বাকী নাথাকিল। বুঢ়াই ক'লে, মাত্ৰ ৫০ টকাহে, লাখ টকা নহয় দে। তোৰ পৰা কিমান টকা ধাৰলৈ আনছিল?' নৰেশে ১০ টকা বুলি উত্তৰ দিলে। তেতিয়া বুঢ়াই ১০ টকীয়া এখন নৰেশৰ হাতত গুজি দিছিল যদিও মনে-মনে এটা নভবা অশান্তি আৰু অবুজ সাঁথৰৰ উত্তৰ বিচাৰি আজিও একেখিনি দুখ অনুভৱ কৰে। বুঢ়াই এতিয়াও ভাবে, মানুহ ইমান অমানুহ হ'ব পাৰেনে? সঁচাই সাধু সাধু যেন লাগিলেও কিন্তু ই এটা অসাধু মানৱৰে কাহিনী। মানৱ বুলিলে ভুল হ'ব। নৰেশ আচলতে মানৱৰূপী দানৱহে।



## হেজাৰৰো অধিক ভৰি থকা প্ৰাণী

এই পৃথিৱীখন অত্যন্ত বিস্ময়েৰে ভৰা। পৃথিৱীৰ প্ৰাণীকুলো নানা বিস্ময়েৰে ভৰা। আমাৰ পৃথিৱীখনত এনে বিস্ময়কৰ প্ৰাণী আছে, যাৰ বিষয়ে কল্পনাও কৰিব নোৱাৰি। বিজ্ঞানীসকলে প্ৰায় নিয়মিতভাৱে নতুন নতুন প্ৰাণী আৱিষ্কাৰ কৰি আছে, যিবোৰ প্ৰাণীৰ বিষয়ে মানুহে আগতে নাজানিছিল। এনে এবিধ অতি আশ্চৰ্যকৰ প্ৰাণী অলপতে আৱিষ্কাৰ হৈছে। আমি জানো যে মানুহ আৰু চৰাইৰ দুখনকৈ ভৰি থকাৰ লগতে অন্যান্য জন্তুৰ চাৰিখন ভৰি থাকে। সেইদৰে কেৰেলুৱা, মকৰা আদি অন্যান্য কীট-পতংগৰ কে'বাখনো ভৰি থাকে। অথচ এহেজাৰৰ অধিক ভৰি থকা প্ৰাণীৰ কথা বাৰু কোনোবাই ভাবিব পাৰেনে? সেইবাবেই নতুনকৈ আৱিষ্কাৰ হোৱা এই বিশেষ প্ৰাণীবিধক কোৱা হৈছে 'বিৱৰ্তনৰ বিস্ময়'। সেই আখ্যা দিয়াৰ দুটা কাৰণ আছে। প্ৰথমটো হৈছে মাটিৰ পৰা প্ৰায় ১৫ৰ পৰা ৬০ মিটাৰ গভীৰত ঘোৰ অন্ধকাৰত এই প্ৰাণীয়ে বাস কৰি। সচৰাচৰ মাটিৰ ইমান তলত আন কোনো প্ৰাণীয়েই বাস কৰিব নোৱাৰে। দ্বিতীয়তে, অতি বেছি তিনি ইঞ্চি দৈৰ্ঘ্যৰ এই প্ৰাণীবিধৰ আছে ১,৩০৬ খন ভৰি। পৃথিৱীত এই পৰ্যন্ত আৱিষ্কৃত কোনো প্ৰাণীৰে ইমানবোৰ ভৰি নাই। এই আশ্চৰ্যকৰ প্ৰাণীবিধৰ নাম ৰখা হৈছে 'ইউমিলিপছ পাৰ্চেফোন।'

সন্ধিপদী বা অথ্ৰ'প'ডছ্‌ বা বহু ভৰি বিশিষ্ট প্ৰাণীবিধ হৈছে 'মিলিপেড' গোত্ৰৰ । 'মিলিপেড' শব্দৰ অৰ্থ হেজাৰ ভৰি হ'লেও এই প্ৰজাতিৰ ইয়াৰ আগলৈকে আৱিষ্কাৰ হোৱা সৰ্বাধিক ভৰিযুক্ত প্ৰাণী আছিল 'ইলাকমে প্লেনিপছ'। এইবিধ প্ৰাণীৰ ভৰিৰ সংখ্যা হৈছে ৭৫০। 'ইউমিলিপছ পাৰ্চেফোন' নামৰ নতুন প্ৰাণীবিধে ইয়াক অতিক্ৰম কৰি সৰ্বাধিক ভৰিৰ প্ৰাণীত পৰিগণিত হ'ল। ২০২০ত এইবিধ প্ৰাণী আৱিষ্কাৰ হৈছিল। ইমানবোৰ ভৰি থকাৰ কাৰণো প্ৰাণীবিদসকলে বিশ্লেষণ কৰি পাইছে।

গৱেষকৰ মতে, মাটিৰ তলত থকা সূক্ষ্ম ফাকৰ মাজেৰে যাবলৈ হ'লে ইমানবোৰ ভৰিৰ সাহায্যতে আঘাত কৰি পথ উলিয়াই আগুৱাই যাব পাৰি। সেয়ে বিৱৰ্তনৰ ফলতে ইহঁতৰ ভৰিৰ সংখ্যা বাঢ়ি গৈ আছে। গৱেষকে জনাইছে যে মাইকী 'ইউমিলিপছ' পাৰ্চেফোন'ৰ ভৰিৰ সংখ্যা মতাবোৰতকৈ বেছি। অন্ধকাৰৰ বাসিন্দা এইবিধ প্ৰাণীৰ দৃষ্টিশক্তি নাই। জন্মগতভাৱেই অন্ধ। সেয়ে স্পৰ্শ আৰু গোন্ধক সম্বল কৰিয়েই এই শংকু আকৃতিৰ মূৰ আৰু চঞ্চু সদৃশ মুখৰ সন্ধিপদী প্ৰাণীবিধ জীয়াই থাকে। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ এক খনি অঞ্চলত এইবিধ প্ৰাণীৰ সন্ধান পোৱা গৈছিল। সেই অঞ্চলৰ মাটিৰ গভীৰত লো আৰু আগ্নেয় পাথৰেৰে ভৰি আছে। সেয়ে এই ধৰণৰ পৰিৱেশেই এইবিধ প্ৰাণীৰ বসবাসৰ বাবে অনুকূল বুলি ধাৰণা কৰা হৈছে।





## মিছা কথা কোৱাৰ অভ্যাস

**বীণা বৰুৱা**

**কি**ছুমান মানুহে এনে কিছুমান কাম কৰে যিবোৰ বেয়া বুলি তেওঁ নিজেও জানে। সেই বেয়া কামবোৰক ঢাকিবলৈ তেনে মানুহে মিছা কথাৰ আশ্ৰয় লয়। তাৰ মানে তেওঁ আনৰ চকুত তেওঁ ভাল হৈ থাকিবলৈ বিচাৰে। বেয়া কামটো নকৰিলেই হয়; তাকে নকৰি তেওঁ মিছা কথা কোৱাটো অভ্যাসত পৰিণত কৰে। তেনে মানুহেই সময়ত মিছলীয়া নাম পায়।

মিছলীয়া মানুহক সতকাই বিশ্বাস কৰা টান। মিছা কথা কোৱাৰ দোষত তেওঁ কেতিয়াবা বিপদতো পৰিব পাৰে। গৰখীয়া ল'ৰা এটাই গৰু ৰখিবলৈ যাওঁতে মিছাকৈ 'বাঘে খালে' বাঘে খালে, বুলি চিঞৰি কেনেকৈ বিপদত পৰিছিল সাধুটো তোমালোকে নিশ্চয় জানা।

পলায়নবাদী মনোভাৱৰ মানুহেহে মিছা কথা কয়। তেওঁলোক ভয়াতুৰ; সঁচা কথা কোৱাৰ সাহস তেওঁলোকৰ নাই। মিছা কথা কোৱা মানুহে প্ৰথমে কোৱা মিছা কথাষাৰ ঢাকিবলৈ আৰু এষাৰ মিছা মাতিব লগা হয়। তেনেকৈ যোৱা দি দি মিছা কথা কোৱাৰ ফলত সঁচা কোৱাৰ আনন্দৰ পৰা তেওঁ বঞ্চিত হয়। সঁচা কথা ক'বলৈকে তেওঁ পাহৰি যায়।

মিছা কথা কোৱা মানুহ এজন সদায় ধৰা নপৰাকৈ নাথাকে। সমনীয়াৰ মাজত তেনে মানুহ উপলুঙাৰ পাত্ৰ হয়। পেটে পেটে তেনে মানুহক কোনোৱে ভাল নাপায়। তেনে মানুহৰ স্থায়ী বন্ধুও নাথাকে।

তোমালোকৰ কাৰোবাৰ মিছা কথা কোৱাৰ অভ্যাস আছে নেকি? যদি আছে এই পাঠটো পঢ়াৰ পাছতেই এনে বেয়া অভ্যাস ত্যাগ কৰা। মিছা নকওঁ বুলি প্ৰতিজ্ঞা কৰা আৰু আজিৰ তাৰিখটোত তোমাৰ প্ৰতিজ্ঞাৰ বিষয়ে বহীত নাইবা দিন পঞ্জীত লিখি থোৱা। মনত ৰাখিবা সাহসী মানুহে কেতিয়াও মিছা কথা নকয়।



## চাতক পক্ষীৰ বিশেষত্ব

**মা**নুহকে ধৰি সকলো প্ৰাণীকে জীয়াই থকাৰ বাবে খাদ্যৰ লগতে পানীও অপৰিহাৰ্য। পানী অবিহনে কোনো প্ৰাণীয়েই জীয়াই থাকিব নোৱাৰে। মানুহে খোৱাৰ বাবে বিশুদ্ধ পানী ব্যৱহাৰ কৰে। কোনোবাই হয়তো পানী বিশুদ্ধ কৰাৰ বাবে বিভিন্ন ধৰণৰ অত্যাধুনিক ফিল্টাৰ ব্যৱহাৰ কৰে। ভিতৰুৱা গাঁও অঞ্চলৰ মানুহে ঘৰুৱাভাৱে পানী ফিল্টাৰ কৰাৰ ব্যৱস্থা কৰে। আনকি একেবাৰে অনগ্ৰসৰ অঞ্চলৰ মানুহে নদীৰ বালি খান্দি গাঁত কৰি তাৰ পৰা ওলোৱা পানী ব্যৱহাৰ কৰে। অন্যান্য প্ৰাণীকুলৰ পানী বিশুদ্ধ কৰি খোৱাৰ জ্ঞান নাই। পশু-পক্ষীয়ে জীয়াই থাকিবলৈ আৰু তৃষ্ণা দূত কৰিবলৈ সহজ উপলব্ধ পানীকে পান কৰে। ঘৰুৱা পশু-পক্ষীক হয়তো মানুহে ভাল পানী খাবলৈ দিয়ে। অথচ বন্য পশু বা চৰাই-চিৰিকটিয়ে নদী, বিল, পুখুৰী আদিৰ পানী পান কৰিয়েই তৃষ্ণা দূৰ কৰে। অৱশ্যে এনে এবিধ পক্ষীও আছে, যি কোনো নদী, বিল, পুখুৰী আদিৰ পানী গ্ৰহণ নকৰে। কোনোবাই কোনো পাত্ৰত বিশুদ্ধ খোৱাপানী আগবঢ়াই দিলেও সেই পক্ষীয়ে তাৰ পৰা এটোপাল পানীও গ্ৰহণ নকৰে। এইবিধ পক্ষীয়ে কেৱল বৰষুণৰ পানীৰেহে নিজৰ তৃষ্ণা দূৰ কৰে। এয়াই হৈছে চাতক পক্ষীৰ বিশেষত্ব।

কোৱা হয় যে চাতক পক্ষী যদি অত্যন্ত তৃষ্ণাতুৰ হৈ থাকে আৰু কোনো নিৰ্মল পানীৰ বিল, পুখুৰী, হ্ৰদ আদিত এৰি দিয়া হয়, তথাপি চাতক পক্ষীয়ে পানী খাবলৈ নিজৰ ঠোঁট নেমেলে। তৃষ্ণাৰ্ত হৈ আনকি মৰিয়ে থাকিব, কিন্তু বৰষুণৰ পানীৰ বাহিৰে আন কোনো ধৰণৰ পানীত মুখ নলগায়। সেয়ে পানীৰ ক্ষেত্ৰত চাতক চৰাইক অতি স্বাভিমানী বুলি কোৱা হয়।

কেৱল এছিয়া আৰু আফ্ৰিকা মহাদেশতহে চাতক চৰাই পোৱা যায়। ভাৰতত প্ৰধানকৈ উত্তৰাখণ্ড এইবিধ চৰাইৰ বাসস্থান। উত্তৰাখণ্ডৰ গাড়োৱাল জিলাৰ চাতক চৰাইক 'চোলি' বুলি কোৱা হয়। গাড়োৱালৰ মানুহৰ মতে, চাতক পক্ষীয়ে কেৱল আকাশৰ ফালে চাই থাকে। কেতিয়া বৰষুণ আহিব তাৰ অপেক্ষাতে থাকে চাতক পক্ষী। এইবিধ পক্ষীক মঘৰা আৰু পাপিয়া বুলিও কোৱা হয়। ইংৰাজীত চাতক চৰাইক 'জেক'বিন কুকু' বুলি কোৱা হয়।



## প্ৰবাসী পক্ষী

**আহাৰৰ** সন্ধানত এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যোৱা চৰাই কুলকে প্ৰবাসী পক্ষী বুলি কোৱা হয়। বিশেষকৈ শীতল ঠাইত বাস কৰা পক্ষীয়েই এইদৰে ভাৰতৰ দৰে গৰম দেশলৈ যাত্ৰা কৰে। কাৰণ নিজৰ দেশত চৌদিশে বৰফ জমা হোৱাৰ ফলত এইবোৰ পক্ষীয়ে আহাৰ গোটাবলৈ বৰ কষ্ট কৰিবলগীয়া হয়।কিন্তু ভাৰতৰ দৰে দেশত আহাৰ সংগ্ৰহ কৰিবলৈ কষ্ট কৰিবলগীয়া নহয়।

সকলো পক্ষী প্ৰবাসী নহয়। যিবোৰ পক্ষীয়ে এইদৰে প্ৰব্ৰজন কৰে, সিহঁতৰ উৰাৰ ক্ষমতা অসামান্য। কিছুমানে তীব্ৰগতিৰে উৰিব পাৰে, আন কিছুমানে ক'তো নোৰোৱাকৈ একেৰাহে দীৰ্ঘসময় ধৰি উৰি গৈ থাকিব পাৰে। এই দুটা গুণ সকলো চৰাইৰ মাজত নাথাকে। ছুইডেনত থকা পেৰেগ্ৰাইন ফাল্ক'ন পক্ষী দেখিবলৈ সৰু হ'লেও মাত্ৰ দুই-সপ্তাহৰ ভিতৰতে ৮০,৫০০ কিলোমিটাৰ পৰ্যন্ত উৰি যাব পাৰে। তাৰ মাজতে যদি চিকাৰ কৰিবলগীয়া হয়, তেন্তে ইহঁতৰ গতি প্ৰতি ঘণ্টাত ৩২২ কিলোমিটাৰ পৰ্যন্ত হয়। এইবোৰ প্ৰবাসী পক্ষীৰ তীব্ৰ গতিৰ সমানে মস্তিষ্কয়ো দ্ৰুতগতিৰে কাম কৰে। সেয়ে সিহঁতে একেখিনি ঠাইলৈকে প্ৰব্ৰজন কৰে। কোনো স্থানলৈ যোৱাৰ বাবে পক্ষীবোৰে সূৰ্যৰ দিশ আৰু তৰাৰ স্থিতিৰ সহায় লয়। পৰ্বত, নদী, জংঘল, সৰোবৰ আদিৰ সহায়তো কোন দিশলৈ যোৱা উচিত সেয়া নিৰূপণ কৰে।

কোন সময়ত যাত্ৰা কৰিব লাগিব সেই কথাও এইবোৰ পক্ষীয়ে জানে। সেয়ে নিজৰ অঞ্চলত বৰফ পৰিবলৈ আৰম্ভ কৰাৰ পূৰ্বেই ইহঁতে প্ৰচুৰ পৰিমাণে খাদ্য গ্ৰহণ কৰি শৰীৰত পৰ্যাপ্ত চৰ্বি জমা কৰি লয়। এই চৰ্বি হ'ল দীৰ্ঘসময়ৰ উৰাৰ বাবে পক্ষীৰ ইন্ধন। সেই ইন্ধন সংগ্ৰহ কৰাৰ পাছতহে পক্ষীবোৰে কোন ঠাইলৈ যাব সেয়া নিৰ্ণয় কৰে। প্ৰব্ৰজনৰ সময়ত চৰাইবোৰে উত্তৰৰ পৰা দক্ষিণ দিশলৈ উৰি যায়। শৰীৰৰ শক্তি অটুট ৰাখিবলৈ চৰাইৰ এটা দলে ইংৰাজীৰ 'ভি' অক্ষৰৰ আকাৰত উৰা মাৰে। ছেপ্টেম্বৰৰ পৰা মাৰ্চলৈকে এই প্ৰবাসী পক্ষীবোৰ আমাৰ ভাৰতত থাকে।

অধিকাংশ সৰু পক্ষীয়ে নিজৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি সচৰাচৰ নিশাৰ ভাগত প্ৰব্ৰজন কৰে। ধুমুহা, বৰষুণ, প্ৰখৰ ৰ'দ আৰু মাংসাহাৰী চিকাৰী বা জন্তুৰ আক্ৰমণৰ কাৰণে বহু পক্ষীয়ে লক্ষ্যস্থান পোৱাৰ পূৰ্বে যাত্ৰাপথতে প্ৰাণ ত্যাগ কৰিবলগীয়া হয়। ইয়াৰ উপৰি সুউচ্চ অট্টালিকা, ৰেডিঅ' এণ্টেনা, ম'বাইল টাৱাৰ, উৰাজাহাজ আদিৰ পৰা ৰক্ষা পোৱাটোও কোনো সহজ কথা নহয়। এই সকলোবোৰ প্ৰতিকূল পৰিৱেশ অতি সাহসেৰে অতিক্ৰম কৰি প্ৰবাসলৈ যায় এইবোৰ চৰাই।



## ৰামধেনুৰ ৰং

**আমাৰ** প্ৰকৃতি অতি সুন্দৰ। এই সৌন্দৰ্য অধিক বৃদ্ধি পায়, যেতিয়া আকাশত ৰামধেনু দৃশ্যমান হয়। হিন্দু ধৰ্মত এই ৰামধেনুক ভগৱান ৰাম বা দেৱৰাজ ইন্দ্ৰৰ ধনু বুলি বিশ্বাস কৰা হয়। আকৌ বৰষুণৰ পাছত দৃশ্যমান হোৱাৰ বাবে ইয়াক ইংৰাজীত ৰেইনব' (Rainbow) বুলি কয়। এই ৰামধেনুক কেন্দ্ৰ কৰি অনেক কাহিনী বিশ্বৰ প্ৰায় সকলো ধৰ্ম বা সভ্যতাৰ সাহিত্যত আছে। হিন্দু ধৰ্মত ইয়াক পৱিত্ৰ বুলিও বিশ্বাস কৰা হয়। কেতিয়াবা আকাশত একেলগে দুটা ৰামধেনুও দেখা যায়।

ৰামধেনু হৈছে এক দৃশ্যমান ধনুকাকৃতিৰ পোহৰৰ ৰেখা, যি বায়ুমণ্ডলত অৱস্থিত জলকণাত সূৰ্যৰ পোহৰৰ প্ৰতিফলন আৰু প্ৰতিসৰণৰ ফলত সৃষ্টি হয়। সচৰাচৰ বৰষুণৰ পাছত আকাশত সূৰ্যৰ বিপৰীত দিশে ৰামধেনু দেখা যায়। ৰামধেনুক ইন্দ্ৰধনু বুলিও কোৱা হয়। ৰামধেনুত সাতটা ৰঙৰ সমাহাৰ ঘটে। ১৬৭২ত মহান বিজ্ঞানী ছাৰ আইজাক নিউটনে ৰামধেনুত পাঁচটা ৰং থকা বুলি চিনাক্ত কৰিছিল। সেই ৰং কেইটা হৈছে ৰঙা, হালধীয়া, সেউজীয়া, নীলা আৰু বেঙুনীয়া। পৰৱৰ্তী সময়ত তেওঁ ৰামধেনুত কমলা আৰু ঘন নীলা (ইণ্ডিগো) ৰঙো থকা বুলি উল্লেখ কৰে। ৰামধেনুত তলৰ পৰা ওপৰলৈ ক্ৰম অনুসৰি আছে বেঙুনীয়া, ঘন নীলা, পাতল নীলা, সেউজীয়া, হালধীয়া, কমলা বা সুমথিৰা আৰু ৰঙা। ৰামধেনুৰ এই ৰঙৰ সমাহাৰক কোৱা হয় বৰ্ণালী। আনহাতে ইংৰাজী বৰ্ণমালাৰ প্ৰতিটো ৰঙৰ আদ্যাক্ষৰ অনুসৰি ইংৰাজীত এই বৰ্ণালীক কোৱা হয় 'ভিবজিঅ'ৰ' (Vibgyor) অসমীয়াত কোৱা হয় 'বেঘনীসেহাসুৰ'। উল্লেখ্য যে আইজাক নিউটনে সেই সময়ত যিটো ৰঙক 'নীলা' বুলি অভিহিত কৰিছিল সেই ৰঙক আজিৰ দিনত পাতল নীলা, (Cyan) সেউজীয়া যি নীলাৰ সংমিশ্ৰণত সৃষ্টি হয় বুলি উল্লেখ কৰা হয়। সেইদৰে নিউটনে সেই সময়ত 'ইণ্ডিগো' বুলি কোৱা ৰঙক আজিৰ দিনত 'নীলা' বুলি অভিহিত কৰা হয়। উল্লেখ্য যে প্ৰাচীন গ্ৰীক দাৰ্শনিক এৰিষ্টটলে খ্ৰীষ্টপূৰ্ব ৩৮৪-৩২২ৰ ভিতৰত প্ৰথমবাৰলৈ ৰামধেনুক গুৰুত্ব সহকাৰে বিশ্লেষণ কৰিছিল। এই ৰামধেনু আচলতে ঘূৰণীয়া হয় যদিও প্ৰত্যক্ষ কৰা সকলেও অৰ্ধেক আকৃতিহে দেখা পায়, অৰ্থাৎ ধনুৰ আকৃতিৰ দৰে দেখে। আকৌ যেতিয়া আকাশত দ্বৈত ৰামধেনু সৃষ্টি হয় তেতিয়া মূল ৰামধেনুৰ কিছু ওপৰত আন এটা ৰামধেনু দেখা যায়। এই ৰামধেনুত ৰঙৰ ক্ৰম প্ৰকৃত ৰামধেনুৰ বিপৰীত হয়। অৰ্থাৎ বেঙুনীয়া ওপৰত আৰু ৰঙা তলত থাকে। কেতিয়াবা ৰামধেনুক টিপটিপাই থকাও দেখা যায়, অৰ্থাৎ চিক্‌মিক লাইটৰ দৰে এবাৰ ওলোৱা, এবাৰ নাইকিয়া হোৱাৰ দৰে দেখি।



# প্ৰাণী জগতৰ বিচিত্ৰ নিদ্ৰা

## সৰীসৃপৰ নিদ্ৰা

**প্ৰশান্ত বৰা**




**স**ৰীসৃপ জাতীয় প্ৰাণীসমূহৰ নিদ্ৰাৰ প্ৰকৃতিত নানা বৈচিত্ৰ্য আছে। জেঠীয়ে যি নিদ্ৰাৰ চক্ৰৰ মাজেৰে অতিবাহিত কৰে, সেয়া মাত্ৰ ৮০ ছেকেণ্ড দীৰ্ঘায়িত হয়। সেয়া মানুহৰ ক্ষেত্ৰত ৭০ৰ পৰা এশ মিনিট। এটা নিশাত জেঠীৰ এনে প্ৰায় ৩৫০টা নিদ্ৰাৰ চক্ৰ থাকে, য'ত মানুহৰ থাকে চাৰিৰ পৰা পাঁচটা। সৰীসৃপৰ ক্ষেত্ৰত চেৰেব্ৰাম বা গুৰু মস্তিষ্ক নাথাকে। বিজ্ঞানীসকলে আগতে ভাবিছিল যে 'আৰইএম' নিদ্ৰা কেৱল উচ্চ বুদ্ধিমত্তা সম্পন্ন প্ৰাণীৰ ক্ষেত্ৰতহে হয়। অৱশ্যে এক শেহতীয়া গৱেষণাত জনা গৈছে যে 'অষ্ট্ৰেলিয়ান বেয়াৰ্ডেড ড্ৰেগন'ৰো 'আৰইএম' টোপনি হয়।

আমি যেতিয়া টোপনি যাওঁ, তেতিয়া আমাৰ চকু বন্ধ হৈ থাকে। ইয়াৰ জৰিয়তে চকুৰ পতাই আমাৰ চকুক সুৰক্ষিত আৰু আৰ্দ্ৰ কৰি ৰাখিব পাৰে। আনহাতে, সাপৰ দৰে প্ৰাণীবোৰৰ থাকে স্বচ্ছ ছাল, যি চকুৰ পতাৰ দৰে কাম কৰে। অৱশ্যে সেইবোৰ যিহেতু আলোকভেদ্য, সেয়ে এডাল সাপে শুই আছে নে সাৰে আছে সেয়া সহজে বুজিব নোৱাৰি। কেৱল সাপডাল একেবাৰে পোন হৈ থাকিলেহে আনে বুজিব পাৰে যে সাপডাল আচলতে শুই আছে। (আগলৈ)



## মিল্টন টিটি বান্দৰ



**প্ৰাণীকুলৰ** ভিতৰত অতিশয় বুধিয়ক তথা ধুৰন্ধৰ প্ৰাণী হ'ল বান্দৰ। বান্দৰ বুলি ক'লে আমি হলৌ বান্দৰ, বেবুন, লাজুকী বান্দৰ, সোণালী নেগুৰীয়া বান্দৰ আদিকে বুজো। কিন্তু মানুহৰ যিদৰে অসংখ্য জাতি-উপজাতি আছে, সেইদৰে বান্দৰৰ সংসাৰখনো বৰ বিশাল। সমগ্ৰ বিশ্বত ২৬০ৰো অধিক প্ৰজাতিৰ বান্দৰ আছে। বান্দৰৰ পৰিয়ালবোৰক প্ৰাণীবিজ্ঞানত দুটা ভাগত বিভক্ত কৰা হৈছে। আফ্ৰিকা আৰু এছিয়াত থকা বিভিন্ন প্ৰজাতিৰ বান্দৰক অ'ল্ড ৱৰ্ল্ড মাংকী (Old World Monkey) বা পুৰণি বিশ্বৰ বান্দৰ আৰু দক্ষিণ আমেৰিকাত বসবাস কৰা বান্দবোৰক নিউ ৱৰ্ল্ড মাংকী (New World Monkey) বা নতুন বিশ্বৰ বান্দৰ আখ্যা দিয়া হয়। নতুন বিশ্বৰ বান্দৰবোৰৰ ভিতৰত দক্ষিণ আমেৰিকাৰ বিভিন্ন স্থানৰ বৰ্ষাৰণ্যত বাস কৰা এবিধ বান্দৰ হ'ল টিটি বান্দৰ (Titi Monkey)। এইবিধ বান্দৰৰ বিশেষত্ব হ'ল সিহঁতৰ নাকবোৰ বেছি চেপেটা আৰু নেজডাল শৰীৰতকৈ দীঘল। দক্ষিণ আমেৰিকাত টিটি বান্দৰৰ প্ৰায় ৩০টা প্ৰজাতি আছে। ২০১১ত ব্ৰাজিলৰ বৰ্ষাৰণ্যত টিটি বান্দৰৰ এটা নতুন প্ৰজাতি আৱিষ্কাৰ হয়। ব্ৰাজিলৰ প্ৰসিদ্ধ জীৱ বিজ্ঞানী মিল্টন থিয়াগ' দ্য মেল'ৰ নামেৰে এইবিধৰ বান্দৰৰ নাম ৰখা হৈছে মিল্টন টিটি। এৱিধ বান্দৰে পানীত সাঁতুৰিব নোৱাৰে আৰু পাহাৰ বগাব নাজানে। সেয়ে বৰ্ষাৰণ্যৰ ওখ গছৰ ডালতে ইহঁতৰ জীৱন নিৰ্বাহ হয়। মিল্টন টিটি বান্দৰৰ বিশেষত্ব হ'ল ইহঁতৰ ৰঙা-কমলা ৰঙৰ উজ্জ্বল নেগুৰ। এই নেজেৰে মিল্টন টিটিয়ে গছৰ ডালত আৰামেৰে বহাৰ লগতে সংগীৰ নেগুৰত মেৰিয়াই ধৰি থাকে। এইবিধ বান্দৰ সচৰাচৰ ছাঁই ৰঙৰ, কিন্তু মূৰত পাতল তাম বৰণীয়া আঁচ, উজ্জ্বল কমলা-ৰঙা দাড়ি আৰু নেগুৰে ইহঁতক আনবোৰ টিটি বান্দৰৰ প্ৰজাতিৰ পৰা পৃথক কৰি ৰাখে। মিল্টন টিটি সৰু আকাৰ (৯-১৮ ইঞ্চি)ৰ বান্দৰ। কিন্তু নেজ বৰ দীঘল। সমগ্ৰ শৰীৰত দীঘল তথা মসৃণ নোম আছে। দুই-তিনিটা পোৱালিৰে এটা পৰিয়াল হৈ বাস কৰা মিল্টন টিটিয়ে অধিকাংশ সময় ইটোৱে সিটোৰ গা পৰিষ্কাৰ কৰিয়েই সময় কটায়। ইহঁতে গছৰ ডালত ইটোৱে সিটোৰ গাত গা লগাই বহে। কোনো বিপদৰ সংকেত পালেই ক্ষণিকতে ঘন জংঘলত অদৃশ্য হৈ পৰে। অৱশ্যে চহৰাঞ্চলৰ বৃদ্ধি আৰু বনাঞ্চল ধ্বংস হৈ আহি থকাৰ ফলত ইহঁতৰ জীৱন সম্প্ৰতি বিপদাপন্ন হৈ পৰিছে।

## জানানে??

১) কোন দেশৰ জাতীয় পতাকাত সেই দেশৰ নামৰ প্ৰথম আখৰটো আছে?
২) কোন দেশৰ জাতীয় পতাকাত এ কে-৪৭ ৰাইফলৰ প্ৰতীক আছে?
৩) পৃথিৱীৰ কফিপাত্ৰ বুলি কোন দেশক কোৱা হয়?
৪) বিশ্বৰ বৃহত্তম দ্বীপপুঞ্জ কোনটো?
৫) বেবিলনৰ শূন্যৰ বাগিচা থকা বুলি জনাজাত ঠাইখন বৰ্তমান কোনখন দেশৰ ভিতৰত?
৬) বিশ্বৰ সবাতোকৈ ওখ জলপ্ৰপাতৰ নাম কি?
৭) বিশ্বৰ সবাতোকৈ শুকান চহৰখনৰ নাম কি?
৮) কোনখন চহৰৰ নাম শাশ্বত নগৰ?
৯) বিশ্বৰ সবাতোকৈ ডাঙৰ দ্বীপ গ্ৰীণলেণ্ড কোন দেশত অৱস্থিত?
১০) সাপ আৰু মহ নথকা দেশখনৰ নাম কি?

**উত্তৰ ঃ** ১) ৰুৱাণ্ডা। ইংৰাজী 'R' আখৰটো, ২) মোজাম্বিক, ৩) ব্ৰাজিল। বিশ্বৰ চাৰিভাগৰ তিনিভাগ কফি ব্ৰাজিলতে উৎপাদন হয়, ৪) ইণ্ডোনেছিয়া, ৫) ইৰাক, ৬) ভেনিজুৱেলাৰ ছল্ট' এঞ্জেল ফল্‌ছ, উচ্চতা ২৬৪৮ ফুট, ৭) ছুডানৰ ৰাজধানী খাৰ্তুম, ৮) ৰোম, ৯) ডেনমাৰ্ক, ১০) ফ্ৰান্স।

## ইণ্ডিয়ান ভলীবল লীগৰ প্ৰস্তুতি

**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** ভলীবল ফেডাৰেচন অৱ ইণ্ডিয়া আৰু ভাৰতীয় ভলীবল অলিম্পিক পৰিচালনা সমিতিয়ে এই বছৰৰ শেষৰ ফালে অনুষ্ঠিত হ'বলগীয়া ইণ্ডিয়ান ভলীবল লীগৰ উদ্বোধনী ছিজন ঘোষণা কৰিছে। সেই অনুসৰি 2022 ৰ জুন-জুলাই মাহৰ আশে পাশে আৰম্ভ হ'বলগীয়া আই ভি এল হ'ব দেশৰ প্ৰিমিয়াৰ ভলীবল লীগ। যাক এছিয়ান ভলীবল কনফেডাৰেচন আৰু আন্তঃৰাষ্ট্ৰীয় ভলীবল ফেডাৰেচন, দুয়োটা সংস্থাৰ দ্বাৰা অনুমোদিত কৰা হৈছে। উল্লেখ্য যে আই ভি এলে সমগ্ৰ ভাৰতৰ বিভিন্ন চহৰক প্ৰতিনিধিত্ব কৰা ছয়ৰ পৰা আঠটা নতুন ফ্ৰেঞ্চাইজি ৰখাৰ প্ৰস্তাৱ দিছে। এই আটাইকেইটা দলতে ভাৰতীয় ৰাষ্ট্ৰীয় দলৰ শীৰ্ষ খেলুৱৈৰ লগতে বিভিন্ন ৰাজ্যৰ প্ৰতিভাশালী খেলুৱৈৰ লগতে উদ্বোধনী ছিজনৰ বাবে ইয়াৰ ৰোষ্টাৰত কেইবাজনো শীৰ্ষ আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ থাকিব।


নতুন শৃংখলালৈ সাজু

### অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট চেম্পিয়নশ্বিপ

## মধ্য অসম মণ্ডলত মৃন্ময় দত্তৰ শতৰাণেৰে ৰেডিয়েলৰ জয়লাভ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২২ ফেব্ৰুৱাৰী ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত চলি থকা অসম ক্ৰিকেট সন্থাৰ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ মধ্য অসম মণ্ডলৰ আজিৰ খেলত ৰেডিয়েল ক্লাবে সৰুপথাৰ ডিচিচিক মৃন্ময় দত্তৰ শতৰাণৰ সহায়ত 224 ৰাণৰ বিশাল ব্যৱধানত পৰাজিত কৰে। খেলখনত ৰেডিয়েল ক্লাবে পোনতে বেট ধৰি মৃন্ময় দত্তৰ 109, প্ৰানজিত বৰাৰ 80, শুভন পালৰ 26 আৰু ৰাজ আগৰৱালাৰ 24 ৰাণৰ উল্লেখনীয় অৱদানৰে 39.5 অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত 271 ৰাণ সংগ্ৰহ কৰে। বলিঙত সৰুপথাৰ ডিচিচিৰহৈ কৌশিক বৰদলৈ আৰু গৌৰৱ দেৱে তিনিটাকৈ, শান্তনু দিহিংগীয়া আৰু অনুপ দত্তই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত সৰুপথাৰ ডিচিচি দলে বিপক্ষৰ মৃন্ময় দত্ত, আচিফ ৰাছিমুল, ধীৰাজ গোস্বামী আৰু বিচিত্ৰ বৰুৱাৰ বিধ্বংসী বলিঙৰ প্ৰকোপত 15.5 অভাৰতে সকলোকেইটা উইকেট হেৰুৱাই মাত্ৰ 47 ৰাণহে কৰিবলৈ সক্ষম হয়।

## আঘাতৰ বাবে বাহিৰ পেচাৰ দীপক

### শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলা

**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** টীম ইণ্ডিয়াৰ পেচাৰ দীপক চাহাৰে আসন্ন শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা শৃংখলাত অংশ লোৱাক লৈ অনিশ্চিয়তাই দেখা দিয়াৰ সময়তে আজি বি চি চি আয়ে ক্ৰিকেটাৰগৰাকীক দলৰ পৰা বাদ দিয়াৰ কথা ঘোষণা কৰে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা অন্তিম টি-20 মেচত আঘাত পাইছিল দীপকে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলা আৰু তিনিখনীয়া টি-20 শৃংখলাৰ বাবে টীম ইণ্ডিয়াৰ দল দুটা ইতিমধ্যে ঘোষণা কৰিছে। তিনিখনীয়া টি-20 শৃংখলাৰ দলত আছে দীপক চাহাৰ। উল্লেখ্য যে আঘাতৰ বাবে দলত নাই ৱাশ্বিংটন সুন্দৰ, লোকেছ ৰাহুল আৰু অক্ষৰ পেটেল। ইফালে, তিনিখনীয়া টি-20 শৃংখলাত জিৰণি দিয়া হৈছে বিৰাট কোহলি আৰু ঋষভ পণ্টক। ভাৰতৰ টি-20 দলটো হ'ল ঃ ৰোহিত শৰ্মা (অধিনায়ক), ৰিতুৰাজ গাইকোৱাড, ইযান কিষান, সূৰ্যকুমাৰ যাদৱ, শ্ৰেয়াছ আয়াৰ, ভেংকটেশ আয়াৰ, দীপক চাহাৰ, দীপক হুদা, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ, হৰ্যল পেটেল, মহম্মদ চিৰাজ, সঞ্জু ছেমছন, যজবেন্দ্ৰ চাহাল, ৰবীন্দ্ৰ জাদেজা, কুলদ্বীপ যাদৱ, ৰবী বিষ্ণয় আৰু আভেছ খান। উল্লেখ্য যে ভাৰত ভ্ৰমণত শ্ৰীলংকা দলে প্ৰথমে তিনিখন টি-20 মেচ খেলাৰ পাছত দুখন টেষ্ট মেচ খেলিব। টি-20 মেচ তিনিখনৰ প্ৰথমখন লক্ষ্ণৌত 24 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, পৰৱৰ্তী মেচদুখন 26-27 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ধৰমশালাত।



## ভাৰতত উপস্থিত শ্ৰীলংকা ক্ৰিকেট দল



**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলা আৰু তিনিখনীয়া টি-20 শৃংখলাত অংশ লোৱাৰ বাবে শ্ৰীলংকা দলটো লক্ষ্ণৌত উপস্থিত হৈছে। উল্লেখ্য যে ভাৰত ভ্ৰমণত শ্ৰীলংকা দলে প্ৰথমে তিনিখন টি-20 মেচ খেলাৰ পাছত দুখন টেষ্ট মেচ খেলিব। টি-20 মেচ তিনিখনৰ প্ৰথমখন লক্ষ্ণৌত 24 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, পৰৱৰ্তী মেচদুখন 26-27 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ধৰমশালাত। ইফালে, দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ চাৰিৰ পৰা আঠ মাৰ্চলৈ মোহালীত অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় টেষ্ট বাংগালুৰুত হ'ব 12-16 মাৰ্চত। দিবা-নৈশ হ'ব দ্বিতীয় টেষ্ট। উল্লেখ্য যে ভাৰত-শ্ৰীলংকাৰ দুখনীয়া টেষ্ট শৃংখলা আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ পৰা আহিছে শ্ৰীলংকা দল। অষ্ট্ৰেলিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টি-20 শৃংখলাটো 4-1 ৰ ব্যৱধানত দখল কৰিছিল যদিও শৃংখলাৰ পঞ্চমখন মেচত শ্ৰীলংকাই পাঁচ উইকেটত জয়ী হৈ সন্মান ৰক্ষা কৰে। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ৱেডৰ 43 আৰু মেক্সৱেলৰ 29 ৰাণৰ সহায়ত ছয় উইকেটত 154 ৰাণ কৰে। প্ৰত্যুত্তৰত, শ্ৰীলংকাই এটা বল বাকী থাকোতে পাঁচ উইকেটত 155 ৰাণ কৰি জয় অৰ্জন কৰে। কুশল মেণ্ডিজে 69 ৰাণ কৰি মেচৰ শ্ৰেষ্ঠ হয়। ইয়াৰপূৰ্বে ক্ৰমাগত চতুৰ্থখন মেচতো ছয় উইকেটত জয়লাভ কৰিছিল অষ্ট্ৰেলিয়াই। শ্ৰীলংকাই 139-8 ৰাণ কৰাৰ পাছত অষ্ট্ৰেলিয়াই 143-4 ৰাণ কৰি জয় অৰ্জন কৰে। আনহাতে, তৃতীয় মেচত অষ্ট্ৰেলিয়াই ছয় উইকেটত পৰাস্ত কৰিছিল শ্ৰীলংকাক। পোনতে বেটিং কৰি শ্ৰীলংকাই ডুছানৰ 39 ৰাণৰ সহায়ত ছয় উইকেটত কৰে 121 ৰাণ। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই চাৰি উইকেটত 124 ৰাণ কৰি শৃংখলাত ক্ৰমাগত তৃতীয় জয় অৰ্জন কৰে।



## মহিলা ক্ৰিকেটাৰ ৰোমানাৰ সাফল্যত উৎসাহি ক্ৰীড়াপ্ৰেমী

অগ্ৰদূত বাৰ্তা

**হোজাই, ২২ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ ভিতৰত অতিকৈ পিছপৰা গ্ৰাম্য অঞ্চল মোৰাঝাৰ অঞ্চলৰ এগৰাকী জীয়ৰীয়ে অসম ক্ৰিকেট দলত স্থান লাভ কৰি সমগ্ৰ হোজাই জিলাবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। হোজাইৰ মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত শিৱপূৰ গাঁৱৰ বাসিন্দা প্ৰয়াত মনাফ আলীৰ কন্যা ৰোমানা বেগমে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত অনুষ্ঠিত ৰাজ্যিক প্ৰতিযোগিতাত হোজাই দলৰ হৈ উন্নত খেল প্ৰদৰ্শন কৰি আগন্তুক এ চি এৰ চেলেঞ্জাৰ্ছ ট্ৰফীত খেলাৰ বাবে স্থান লাভ কৰে। মোৰাঝাৰৰ শিৱপুৰ গাঁৱত জন্ম গ্ৰহণ কৰা ৰোমানা বেগমে জন্মৰ পিছতেই পিতৃক হেৰুৱাব লগা হয়। কিন্তু পিতৃৰ মৃত্যুৰ দুখৰ মাজতে তথা আৰ্থিক দুৰ্বলতাই দেখা দিয়া পৰিয়ালৰ মাজত জীৱন অতিবাহিত কৰাৰ লগতে শৈক্ষিক দিশতো আগবাঢ়ি গৈছিল এই দৰিদ্ৰ পৰিয়ালৰ কন্যা ৰোমানা বেগম। অতিকৈ পিছপৰা গ্ৰাম্য অঞ্চল শিৱপুৰৰ জীয়ৰী তথা আজমল আইন মহাবিদ্যালয়ৰ ছাত্ৰী ৰোমানাৰ এই সফলতাই এতিয়া অঞ্চলত ব্যাপক চৰ্চা লাভ কৰিছে। উল্লেখ্য যে, গাঁৱলীয়া অঞ্চলত ছোৱালী সকলৰ বাবে খেলৰ উপযুক্ত সা-সুবিধা নথকা স্বত্তেও ক্ৰিকেট খেলৰ প্ৰতি আকৰ্ষণ থকা ৰোমানাৰ সফলতাত হোজাই জিলাৰ বিভিন্ন দ'ল সংগঠনৰ লগতে ক্ৰীড়া প্ৰেমী ৰাইজে অভিনন্দন জ্ঞাপন কৰিছে। দ'ল সংগঠনৰ সমানে অসংখ্য ক্ৰীড়াপ্ৰেমী ৰাইজে ৰোমানা বেগমক সম্বৰ্ধনা জনোৱাৰ লগতে সমাগত খেলখনত ভাল প্ৰদৰ্শন দেখুৱাই অঞ্চলবাসীলৈ আৰু অধিক গৌৰৱ কঢ়িয়াই আনিবলৈ উৎসাহিত কৰাৰ লগতে আৰ্শীবাদ দিয়ে।



## মানস প্ৰতিম ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ টংলা ক্লাব

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২২ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতিম দাস সোঁৱৰণী ক্ৰিকেটৰ আজিৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল খেলত টংলা ক্ৰিকেট ক্লাবে ৰাইজিং ষ্টাৰ ওদালগুৰিক 52 ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে টংলা ক্ৰিকেট ক্লাবে 30 অভাৰত সাতটা উইকেট হেৰুৱাই বাস্তৱ বসুমতাৰীৰ 80 ৰাণৰ বৰঙণিৰে মুঠ 153 ৰাণ সংগ্ৰহ কৰে। ৰাইজিঙৰ জিতু শইকীয়া আৰু বিশাল ৰয়ে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ৰাইজিং ষ্টাৰে 22.2 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 101 ৰাণত ইনিংছ সামৰে। ৰাইজিঙৰ অনুপম চৌধুৰীয়ে 65 ৰাণ কৰাৰ বিপৰীতে টংলাৰ কৌশিক দাসে তিনিটা উইকেট দখল কৰে। আজিৰ খেলখনত জয়ী হোৱাৰ লগে লগে টংলা ক্ৰিকেট ক্লাৱে প্ৰতিযোগিতাখনিৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে।



## আমগুৰিত প্ৰাইজমানি ভলীবল

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২২ ফেব্ৰুৱাৰী ঃ** আমগুৰিত বীৰ লাচিত সেনাৰ উদ্যোগত অহা 27 ফেব্ৰুৱাৰীত এখন প্ৰাইজমাণি ভলীবল খেলৰ আয়োজন কৰা হৈছে। বীৰ লাচিত সেনা অসম, আমগুৰি আঞ্চলিক সমিতিৰ উদ্যোগত আৰু আমগুৰিবাসী ৰাইজৰ সহযোগত আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত উক্ত প্ৰাইজমণি ভলীবল প্ৰতিযোগিতাখনি অনুষ্ঠিত হ'ব। বিজয়ী দলক প্ৰয়াত যুৱনেতা অভিজিত চেতিয়া সোঁৱৰণী ট্ৰফী সহ নগদ ধন আৰু বিজিত দলক প্ৰয়াত বিনুমণি দত্ত সোঁৱৰণী বটা আৰু নগদ ধন প্ৰদান কৰা হ'ব। ইচ্ছুক দলে 9957702652 আৰু 8011515707 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বায়ক সকলে অনুৰোধ জনাইছে।

## বৰদৈচিলা ক্লাবৰ ক্ৰিকেট প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২২ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ নলবাৰী বিধানসভাৰ অন্তৰ্গত বৰদৈচিলা ক্ৰিকেট ক্লাৱৰ সৌজন্যত দেহাৰকুছি মা দুৰ্গাক্ষেত্ৰত অহা পাচ আৰু ছয় মাৰ্চত প্ৰয়াত প্ৰবীন শইকীয়া আৰু পুস্পলতা শইকীয়াৰ সোঁৱঁৰনত তৃতীয় বাৰ্ষিক দিবানৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিছে। খেলৰ ভৰ্তি মাচুল 999 টকা। প্ৰথম পুৰস্কাৰ 17, 777 টকা, দ্বিতীয় পুৰস্কাৰ 12, 222 টকা। তদুপৰি ম্যান অৱ দা চিৰিজ, ম্যান অৱ দা ফাইনেল, প্ৰতিখন খেলৰ ম্যান অৱ দা মেচ থকাৰ উপৰিও শৃংখলাবদ্ধ দললৈ পুৰস্কাৰ থাকিব। ইচ্ছুক দল সমূহক 86381-58517, 70029-38811, 70023-82741 আৰু 98599-62433 ফোন নম্বৰত যোগাযোগ কৰিবলৈ খেল পৰিচালনা সমিতিয়ে অনুৰোধ জনাইছে।

## হকী ইণ্ডিয়াৰ সভাপতিৰ নগাঁৱৰ একাডেমী পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২২ ফেব্ৰুৱাৰী ঃ** হকী ইণ্ডিয়াৰ সভাপতি জ্ঞানেন্দ্ৰ নিগমবামে আজি নগাঁৱৰ মিছাৰ হকী একাডেমীত উপস্থিত হৈ খেলুৱৈসকলৰ অনুশীলন পৰিদৰ্শন কৰে। হকী একাডেমী পৰিদৰ্শনৰ সময়ত অসম হকীৰ সম্পাদক তপন কুমাৰ দাস আৰু নগাঁও লায়নছ ক্লাবৰ বিষয়ববীয়া এছ এছ চেথীয়ে তেওঁক সংগ দিয়ে। ইপিনে স্থানীয় সমাজকৰ্মী জগত মেধিয়ে আঁত ধৰা এক অনুষ্ঠানত অসম হকী আৰু কলিয়াবৰ হকীৰ তৰফৰ পৰা হকী ইণ্ডিয়াৰ সভাপতিগৰাকীক মিছাত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। হকী ইণ্ডিয়াৰ সভাপতিগৰাকীয়ে মিছাত অনুশীলনৰত প্ৰতিভাবান হকী খেলুৱৈসকলৰ সৈতে মুকলি মত-বিনিময়ৰে তেওঁলোকক উৎসাহিত কৰিবলৈ গঠনমূলক ভাষণ আগঢ়োৱাৰ লগতে তেওঁলোকক হকী ষ্টিকো প্ৰদান কৰে। হকী ইণ্ডিয়াৰ সভাপতি জ্ঞানেন্দ্ৰ নিগমবামে মিছালৈ যোৱাৰ সময়ত জিলাখনৰ আমনিৰ প্ৰস্তাৱিত হকী ষ্টেডিয়ামটোও পৰিদৰ্শন কৰে আৰু অসম হকীৰ সভাপতি কেশৱ মহন্তই হকী খেলৰ উন্নয়নৰ দিশত লোৱা ভূমিকাৰ প্ৰশংসা কৰে বুলিও জানিব পৰা গৈছে। উল্লেখ্য যে, হকী ইণ্ডিয়াৰ সভাপতিগৰাকী আৰু অসম হকীৰ সভাপতি কেশৱ মহন্তৰ বিশেষ পদক্ষেপত অসমত শীঘ্ৰে এক পূৰ্ণাংগ হকী একাডেমী গঢ়ি উঠিব বুলি ক্ৰীড়াপ্ৰেমীয়ে আশা কৰিছে।



## সুখবৰ ঃ সুদীৰ্ঘ ২৫ বছৰৰ বিৰতিৰ অন্তত ৰাষ্ট্ৰীয় টেবুল টেনিছত ভাগ ল'ব মঙলদৈৰ দুই কন্যাই

**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ২২ ফেব্ৰুৱাৰী ঃ** সুদীৰ্ঘ 25 বছৰ বিৰতিৰ অন্তত মঙলদৈৰ দুই শিশু কন্যাই ৰাষ্ট্ৰীয় টেবুল টেনিছত ভাগ লোৱাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ছোৱালীৰ 11 বছৰ অনুৰ্ধ শাখাত ডিংকুপ্ৰিয়া চহৰীয়া আৰু আকাংক্ষা শাণ্ডিল্যই ৰাষ্ট্ৰীয় টেবুল টেনিছত মঙলদৈৰ পৰা অসমক প্ৰতিনিধিত্ব কৰিব। উল্লেখ্য যে যোৱা ডিচেম্বৰত অনুষ্ঠিত একাদশ বাৰ্ষিক ৰাধাগোবিন্দ বৰুৱা সোঁৱৰণি সদৌ অসম মেজৰ ৰেংকিঙ টেবুল টেনিছ প্ৰতিযোগিতা, নগেন হাজৰিকা সোঁৱৰণি সদৌ অসম টেবুল টেনিছ প্ৰতিযোগিতা আৰু ড'নিক আন্ত:জিলা টেবুল টেনিছ প্ৰতিযোগিতাৰ 11 বছৰৰ অনুৰ্ধ ছোৱালীৰ শাখাত ডিংকুপ্ৰিয়া চহৰীয়াই ৰূপৰ পদক অৰ্জন কৰে সমান্তৰালভাৱে নগেন হাজৰিকা সোঁৱৰণি সদৌ অসম টেবুল টেনিছ প্ৰতিযোগিতাত আকাংক্ষা শাণ্ডিল্যই ব্ৰঞ্জৰ পদক অৰ্জন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ এই সুযোগ লাভ কৰিছে। খেলুৱৈ দুগৰাকীৰ সাফল্যত গৌৰৱান্বিত হৈ মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰেক্ষাগৃহত অভিভাৱক সকলৰ দ্বাৰা আয়োজিত এখন সভাত উক্ত দুয়োগৰাকী খেলুৱৈক সম্বৰ্ধনা জনোৱা হয়। মঙলদৈ ক্ৰীড়া সন্থাৰ সভাপতি গুৰুজ্যোতি দাসে সভাপতিত্ব কৰা সভাখনত গুৱাহাটীৰ নগেন হাজৰিকা টেবুল টেনিছ ফাউণ্ডেশ্যনৰ মানস দাস প্ৰমুখ্যে প্ৰায় আঠ গৰাকী প্ৰশিক্ষক আৰু মঙলদৈ টেবুল টেনিছ একাডেমীৰ প্ৰশিক্ষক জ্যোতিস্মান হাজৰিকাকো এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। গুৰুজ্যোতি দাসে ভাষণত খেলুৱৈসকলক প্ৰশংসা কৰি আগবাঢ়ি যাবলৈ সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়াব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে আৰু মানস দাসে মঙলদৈৰ পৰা ইমান বিৰতিৰ অন্তত ৰাষ্ট্ৰীয় পৰ্যায়ত খেলিবলৈ সুযোগ পোৱাৰ বাবে সন্তোষ প্ৰকাশ কৰে আৰু লগতে অহা এপ্ৰিলত টেবুল টেনিছ ইউনাইটেড প্ৰিমিয়াৰ লীগ' নামৰ আই পি এলৰ দৰে এখন খেল অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে।



## মৰিয়নি প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আন্তঃসংগঠন ক্ৰিকেট আৰম্ভ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২২ ফেব্ৰুৱাৰী ঃ** মৰিয়নি প্ৰেছ ক্লাৱৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মৰিয়নিৰ সামাজিক আৰু জাতীয় সংগঠনসমূহৰ মাজত আয়োজন কৰা দ্বিতীয় বাৰ্ষিক আন্তঃসংগঠন ক্ৰিকেট প্ৰতিযোগিতা আজিৰে পৰা ইয়াৰ বাপুজী ষ্টেডিয়ামত আৰম্ভ হৈছে । আজি মুঠ 10 খন খেল অনুষ্ঠিত হয় । উদ্বোধনী খেলত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাক ন উইকেটত পৰাজিত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । আনহাতে, মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাই মাৰোৱাৰী যুৱ মঞ্চক 18 ৰানত পৰাজিত কৰে । আন খেলসমূহত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাই অসম চাহ জনজাতি ছাত্ৰ সন্থাক ন উইকেটত, সদৌ তাই আহোম ছাত্ৰ সন্থাই বীৰ লাচিত সেনা অসমক ন উইকেটত, মৰিয়নি ক্ৰীড়া সন্থাই টি এম পি কেক 42 ৰানত, সদৌ অসম বেংগলী যুৱ ছাত্ৰ ফেডাৰেচনে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাক 14 ৰানত, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদে বীৰ লাচিত সেনা অসমক 9 ৰানত আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে মৰিয়নি চেম্বাৰ্চ অৱ কমাৰ্চক 9 উইকেটত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে । আনহাতে, মৰিয়নি প্ৰেছ ক্লাৱে প্ৰথম খেলত চেম্বাৰ্চ অৱ কমাৰ্চক দহ উইকেটত হৰুৱায় । ইফালে, মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থা আৰু মৰিয়নি ক্ৰীড়া সন্থাৰ মাজৰ খেলখন কম পোহৰৰ বাবে অসম্পূৰ্ণ হৈ ৰয় । ইয়াৰ পূৰ্বে পুৱাৰ ভাগত হোৱা চমু আৰম্ভণি অনুষ্ঠানত মৰিয়নি প্ৰেছ ক্লাৱৰ সভাপতি জীৱন চন্দ্ৰ দত্তই টুৰ্ণামেন্টখন উদ্বোধন কৰে । উক্ত অনুষ্ঠানত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক দীপেন দাস, অসম অলিম্পিক সন্থাৰ সদস্য পিকলু ৰয়, মৰিয়নি ক্ৰীড়া সন্থাৰ সম্পাদক দীপক দত্ত, মৰিয়নি ৰে'লৱে ষ্টেচন প্ৰৱন্ধক অনুপম গগৈ প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে । তেওঁলোকক খেলুৱৈসকলৰ সৈতে চিনাকি কৰাই দিয়া হয় । আনহাতে, যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মন, তিতাবৰ মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশ তথা মৰিয়নি পৌৰসভাৰ কাৰ্যবাহী বিষয়া ডাঃ বিশ্বজিত বৰা, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সাংগাঠানিক সম্পাদক পবিত্ৰ প্ৰাণ বৰঠাকুৰ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কায্যনিৰ্বাহক সদস্য মঙ্গল গৰাইট, মৰিয়নি পৌৰসভাৰ গোপাল গগৈ আদিও খেলত উপস্থিত থাকে । কাইলৈ প্ৰতিযোগিতাৰ আন খেলসমূহ অনুষ্ঠিত হ'ব । বৃহস্পতিবাৰে পুৱা চূড়ান্ত খেল আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলৰ হৈ প্ৰাঞ্জল পাওগামে জানিবলৈ দিছে । এইবাৰ প্ৰতিযোগিতাত মুঠ 14 টা সংগঠনে অংশগ্ৰহণ কৰিছে।



## বিলাসনন্দন চ'ৰা



# নিৰাকাৰ ফটো

**পাঁচ** ৰাজ্যৰ ইলেকছনৰ ৰিজাল্ট কি হয়, তাকে লৈ বাদশ্বাহে অলপমানো মূৰ ঘমোৱা নাই। মূৰ ঘমাই আছে আচল ইলেকছনটোলৈ। কি কৰিব তাকে লৈ নতুন নতুন আইডিয়া বাদশ্বাহৰ মগজলৈ আহিয়ে আছে। যেতিয়া কিবা আইডিয়া আহে, লগালগ ৰাজসভাৰ কাৰোবাক নহয় কাৰোবাক মাতি আনি কৈ পেলায়—'এটা কাম কৰিম বুজিছা!'
ঃ কি কাম জাহাপনা?
ঃ অহাবাৰৰ ভোটৰ কাৰণে মই এখন বেলেগ ধৰণৰ ফটো উঠিম বুলি ভাবিছো বুজিছা।
ঃ কি বেলেগ ধৰণৰ ফটো?
ঃ একেবাৰে নতুন ষ্টাইলৰ ফটো!
ঃ কেনেকুৱা ষ্টাইল?
ঃ এনে এটা ষ্টাইল যি ষ্টাইলত আজিলৈকে কোনেও ফটো উঠা নাই।

'অতি সোনকালে সেই ফটোখনৰ নমুনা দেখুৱাই আছো' বুলি কৈ বাদশ্বাহ গুচি গ'ল। সভাসদসকলৰ মাজত বাদশ্বাহৰ এই নতুন ষ্টাইলৰ ফটোখনক লৈ বহুলভাৱে চৰ্চা চলিল। কেনেকুৱা হ'ব পাৰে ফটোখন? কোনেও কেতিয়াও নুঠা ষ্টাইলৰ ফটো বুলি কৈছে বাদশ্বাহে! এইটো আকৌ কেনেকুৱা ষ্টাইল হ'ব পাৰে? সভাসদসকলে জানে যে বাদশ্বাহ সাংঘাতিক ফটোজেনিক! ফটোজেনিক কাৰণেই বাদশ্বাহৰ ফটোখন আমি য'তে-ত'তে দেখা পাওঁ! উজালা চিলিণ্ডাৰৰ পৰা কৰ'না ভেকচিনলৈ ক'ত নাই বাদশ্বাহৰ ফটো! বাদশ্বাহে নিজেও কয় যে তেওঁৰ ফটোখন দেখাৰ লগে লগে দেছবাচীৰ অন্তৰত এনে দেছভক্তি জাগে যে চিৰমুক্তি বিচাৰি চৌদিশে ঢপলিয়াই ফুৰিব লগা হয়। সৰ কামতে নিজৰ ফটোখন দিয়াৰ সপক্ষে বাদশ্বাহৰ বহু সবল যুক্তিও আছে। তেওঁ যুক্তি দাঙি ধৰি কয় যে শিৱ মন্দিৰত শিৱৰ ফটো থাকে। গণেশ মন্দিৰত গণেশৰ ফটো থাকে। দুৰ্গা মন্দিৰত দুৰ্গাৰ ফটো থাকে। একেদৰে এই দেছখনকো তেওঁ এটা মন্দিৰ যেন জ্ঞান কৰে। আৰু সেই মন্দিৰ যিয়ে চলাই আছে, তাত তাৰ ফটো থাকিবই। এইবোৰ বাৰু সভাসদসকলে জানে; কিন্তু বাদশ্বাহে যে নতুন ষ্টাইলৰ ফটোখনৰ কথা ক'লে, সেই ষ্টাইলটোৰহে সঠিককৈ অনুমান কৰিব পৰা নাই।



জল্পনা-কল্পনা চলি থাকোতেই ফটোগ্ৰাফাৰ আহি পালে। বাদশ্বাহেও সাজি-কাচি এটা ৰুমৰ ভিতৰলৈ সোমাই গ'ল। ৰুমটোৰ দুৱাৰখন গিৰিমকৈ বন্ধ কৰি দিয়া হ'ল। দুজনমান সভাসদে ভিতৰতনো কেমেৰাৰ আগত বাদশ্বাহে কি ষ্টাইল দিছে, সেয়া আগতীয়াকৈ জানিবলৈ দুৱাৰৰ ফাঁকেদি জুমি জুমি চালে। দুজনমান চন্তৰীয়ে আহি সিহঁতক খেদি পঠিয়ালে। আগতীয়াকৈ ষ্টাইলটোৰ কথা জানি লৈ ৰাজসভাৰ অন্যান্যসকলৰ আগত ফালি থকাৰ হেঁপাহকণ সিহঁতৰ আধাতে মৰহি থাকিল!

এদিন হঠাতে ৰাজসভাৰ আহ্বান কৰিলে বাদশ্বাহে। সভাসদসকলে আহি নিজৰ নিজৰ আসনত বহিল। নিৰ্ধাৰিত সময়ত বাদশ্বাহেও আহি নিজৰ আসন গ্ৰহণ কৰিলে। বাদশ্বাহে সেই নতুন ষ্টাইলৰ ফটোখনৰ কপিবোৰ সভাসদসকলৰ মাজত বিলাবলৈ হুকুম দিলে। সভাসদসকলৰ মাজত উৎকণ্ঠাৰ শেষ নাই। নিজৰ মাজতে বু-বু, বা-বা চলি থাকিল—বাদশ্বাহে সদায় নমস্কাৰ কৰি ফটো উঠে। এইবাৰ চাগে দেৱ-দেৱীবোৰৰ দৰে এখন হাত মেলি লৈ ফটো উঠিছে, যেন আশীৰ্বাদহে দিছে! নাইবা বাদশ্বাহে বিষ্ণু অৱতাৰৰ দৰে হাতত পদুম ফুল লৈ ফটো উঠিব পাৰে। বিভিন্ন জল্পনাক কল্পনাৰ ৰূপ দি থকাৰ মাজতে সভাসদসকলৰ হাতত আহি পৰিল বাদশ্বাহৰ সেই নতুন ষ্টাইলৰ ফটোখনৰ কপি। ফটোখন দেখি সভাসদসকলৰ চকু কপালত উঠিল। এয়া কি! ফটোখনত দেখোন এখন দেৱাল আছে। তাৰ বাহিৰে দেখোন একো নাই। আটায়ে বাদশ্বাহক সুধিলে— 'জাহাপনা, এয়া কি! ইয়াত দেখোন আপোনাৰ ফটো নাই!'
ঃ আছে! কিয় নাথাকিব?
ঃ ক'ত আছে জাহাপনা? আমি দেখা নাইচোন!
ঃ কেনেকৈ দেখিবা? মই নিৰাকাৰ হৈ আছো, ভগৱানৰ দৰে!
ঃ কিয় জাহাপনা?
ঃ ইলেকছনলৈ মই নিৰাকাৰ হৈয়ে থাকিম!
ঃ সাকাৰ কেতিয়া হ'ব?
ঃ যেতিয়া জিকাৰ খবৰটো পাম!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# মহিলাৰ চকুত সোমাল এমেজনৰ জীৱন্ত মাখি



## অস্ত্ৰোপচাৰ কৰি জীৱিত অৱস্থাতে উলিয়ালে দিল্লীৰ চিকিৎসকে

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰী ঃ** বিগত প্ৰায় ডেৰ মাহধৰি চকুৰ অস্বস্তিত ভূগিছিল এগৰাকী আমেৰিকান মহিলাই। চকুৰ ভিতৰত যেন কিবা আছে আৰু লৰচৰ কৰি আছে, তেনে অনুভৱ হৈছিল মহিলাৰ। তেনে অৱস্থাতে সম্প্ৰতি ভাৰতলৈ আহিছিল মহিলাগৰাকী, কিন্তু চকুৰ সমস্যাই তেওঁক কাতৰ কৰি তোলে। বাধ্য হৈ তেওঁ দিল্লীৰ এখন ব্যক্তিগত হাস্পতালৰ চিকিৎসকক দেখুৱায়। চিকিৎসকে পৰীক্ষা কৰি কয় যে চকুত সংক্ৰমণ হৈছে। এয়া সাধাৰণ সংক্ৰমণ নহয় আৰু প্ৰয়োজন হ'লে অস্ত্ৰোপচাৰ কৰিব লাগিব। সেই অনুসৰি মহিলাৰ চকুৰ অস্ত্ৰোপচাৰো হয়। তেতিয়াই অস্ত্ৰোপচাৰৰ টেবুলত থকা চিকিৎসকৰ চকু কপালত উঠে। কাৰণ তেওঁলোকে বুজিব পাৰে যে তিনিটা জীৱন্ত মাখি মহিলাগৰাকীৰ চকুত সোমাই পৰিছিল। আনকি ইতিমধ্যে শৰীৰৰ আন অংশতো প্ৰৱেশ কৰিছিল। অৱশ্যে সেই অস্ত্ৰোপচাৰ সফল হয় আৰু জীৱন্ত অৱস্থাতে মাখি তিনিটা উলিয়াই অনা সম্ভৱ হয়।

দিল্লীৰ উক্ত ব্যক্তিগত হাস্পতালৰ সূত্ৰই জনাইছে যে ৩২ বছৰীয়া মহিলাগৰাকীৰ চকুত সোমাইছিল তিনিটা দুই ছেণ্টিমিটাৰ আকাৰৰ জীৱন্ত মাখি। সেই মাখি তিনিটাৰ লাৰ্ভাৰ পৰাই তেওঁৰ চকুত সংক্ৰমণ হৈছিল। ভাৰতলৈ অহা মহিলাগৰাকীৰ চকুত জীৱন্ত মাখি তিনিটা কেনেকৈ সোমাল বুলিয়ে প্ৰশ্ন উত্থাপন হয়। এই সন্দৰ্ভত জনা গৈছে যে প্ৰায় দুমাহৰ পূৰ্বে মহিলাগৰাকীয়ে বিশ্ববিখ্যাত এমেজনৰ জংঘলত ফুৰিবলৈ গৈছিল। চিকিৎসকে মন্তব্য কৰিছে যে জংঘলত ঘূৰি ফুৰাৰ সময়তে মহিলাগৰাকীৰ চকুত কিবা প্ৰকাৰে মাখি তিনিটা সোমাই পৰে। ক্ৰান্তীয় আৰু উপক্ৰান্তীয় অঞ্চলত এই ধৰণৰ ঘটনা ঘটি থাকে বুলিও চিকিৎসকে সদৰী কৰে। হাস্পতালখনৰ সূত্ৰই জনাইছে যে আমেৰিকান মহিলাগৰাকীয়ে চিকিৎসকৰ পৰামৰ্শ ল'বলৈ অহাৰ সময়ত তেওঁৰ চকু দুটাত অস্বস্তি থকাৰ উপৰি সোঁ চকুটো ৰঙা হৈ পৰিছিল। ফলত সেই চকুটোৰ পতা ফুলি উঠিছিল।

মহিলাৰ চকুত বিৰল অস্ত্ৰোপচাৰ কৰে চিকিৎসকৰ দল এটাৰ অন্যতম মহম্মদ নাদিমে। এই প্ৰসংগত ডাঃ নাদিমে কয়, 'ক্ৰান্তীয় অঞ্চলত এই ধৰণৰ ঘটনা ঘটিলেও ই সাধাৰণ চকুৰ অসুখ নহয়। ফলত পুংখানুপুংখ পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন আছিল। সেয়া কৰাৰ পাছতে অস্ত্ৰোপচাৰ হয়।'

আন এজন চিকিৎসক নাৰ'লা ইয়াংগাৰে কয়, 'দুই ছেণ্টিমিটাৰ আকাৰৰ তিনিটা জীৱন্ত মাখি ওলাইছে অস্ত্ৰোপচাৰত। যাৰ ভিতৰত এটা আছিল সোঁ চকুৰ ওপৰৰ পতাৰ ভিতৰত। আন এটা গুচি গৈছিল ডিঙিৰ পাছফালে আৰু এটাই সোঁ হাতৰ কান্ধৰ ঠিক তলৰ অংশত প্ৰৱেশ কৰিছিল।' ১৫ মিনিটৰ অস্ত্ৰোপচাৰ সফলভাৱে সম্পন্ন হয় আৰু সম্প্ৰতি সুস্থ অৱস্থাত আছে আমেৰিকান মহিলাগৰাকী।



# মস্তিষ্কৰ আকাৰ ডাঙৰ হয় মহাকাশচাৰীৰ!

## নতুন গৱেষণাই কৰিলে দাবী ঃ নানা স্নায়ৱিক ৰোগৰ বলি হয়

**নিউজ ব্যুৰ'**
**মস্কো, ২২ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘদিন ধৰি মহাকাশত কটালে আগৰ দৰে নাথাকে মহাকাশচাৰীসকলৰ মস্তিষ্ক। মস্তিষ্কৰ বিভিন্ন অংশৰ আকাৰ আৰু সিবোৰৰ কাম-কাজতো পৰিৱৰ্তন ঘটে। সেই পৰিৱৰ্তনবোৰ মহাকাশচাৰীয়ে পৃথিৱীলৈ উভতি অহাৰ বহু পাছলৈকো আগৰ অৱস্থালৈ উভতি নাযায়। ফলত পৃথিৱীলৈ ঘূৰি অহাৰ পাছত তেওঁলোক নানা ধৰণৰ স্নায়ৱিক ৰোগৰ বলি হয়। সেইবোৰ ৰোগ আজীৱন তেওঁলোকৰ সংগী হৈ পৰে।



ইউৰোপীয়ান মহাকাশ সংস্থা আৰু ৰুছ মহাকাশ গৱেষণা সংস্থা 'ৰছকছমছ'ৰ বিজ্ঞানীসকলৰ সাম্প্ৰতিক যৌথ গৱেষণাত এই দাবী কৰা হৈছে। গৱেষণাপত্ৰখন প্ৰকাশ পাইছে আন্তৰ্জাতিক বিজ্ঞান গৱেষণা পত্ৰিকা 'ফ্ৰণ্টিয়াৰ্ছ ইন নিউৰেল চাৰ্কিট্‌ছ'ত। আহৰ বিভিন্ন গৱেষণাত দেখা গৈছিল যে দীৰ্ঘদিন মহাকাশত কটাই পৃথিৱীলৈ ঘূৰি অহাৰ পাছত মহাকাশচাৰীসকলৰ মাংসপেশী আৰু হাড়ৰ নানা তৰহৰ সমস্যা হৈছিল। পেশী আৰু হাড়ৰ ক্ষয়ো দ্ৰুতগতিত হৈছিল। সেই ক্ষয় ৰোধ কৰিব পৰা নাছিল। আনকি আকৌ আগৰ অৱস্থালৈ ঘূৰাই অনাও সম্ভৱ হোৱা নাছিল। এইবাৰৰ গৱেষণাই জনাইছে যে দীৰ্ঘদিনৰ মহাকাশ যাত্ৰাত সলনি হৈ পৰে মহাকাশচাৰীসকলৰ মস্তিষ্কৰ আকাৰ আৰু কাম-কাজো। ফলত পৃথিৱীলৈ উভতি অহাৰ পাছত তেওঁলোক নানা ধৰণৰ স্নায়ৱিক ৰোগৰ চিকাৰ হয়, যিবোৰ মৃত্যু পৰ্যন্ত থাকি যায়।

বিশেষজ্ঞসকলৰ একাংশই জনাইছে যে আগন্তুক দিনত যেতিয়া চন্দ্ৰ আৰু মঙললৈ গৈ মহাকাশচাৰীসকলে দীৰ্ঘদিনলৈ থাকিবলগীয়া হ'ব, তেতিয়া তেওঁলোকৰ মস্তিষ্ক কেনেদৰে সলনি হৈ পৰিব পাৰে, সেই বিষয়ে এই গৱেষণাৰ পৰাই কিছু ইংগিত পোৱা গ'ল। ফলত আগন্তুক দিনত চন্দ্ৰ আৰু মঙললৈ মহাকাশচাৰী প্ৰেৰণৰ পূৰ্বে প্ৰয়োজনীয় ব্যৱস্থা কিদৰে ল'ব পাৰি, সেই বিষয়ত এই গৱেষণাই পথ মুকলি কৰিলে। গৱেষকসকলে দেখা পাইছে যে দীঘলীয়া মহাকাশ যাত্ৰাত মহাকাশচাৰীসকলৰ মস্তিষ্কৰ 'হোৱাইট মেটাৰ' অংশৰ আকাৰ আৰু কাম-কাজ বেছি সলনি হৈ পৰে আন অংশসমূহৰ তুলনাত। এই 'হোৱাইট মেটাৰ' অংশটো মস্তিষ্কৰ বিভিন্ন অংশ আৰু 'গ্ৰে' মেটাৰ' অংশৰ স'তে যোগাযোগৰ পথৰূপে মানৱমস্তিষ্কত ব্যৱহৃত হয়।

# তেজপুৰৰ মহাভৈৰৱ মন্দিৰ চৌহদত নাগচম্পা পুলি ৰোপণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** মহা শিৱৰাত্ৰিৰ পূৰ্বে আজি তেজপুৰস্থিত ঐতিহ্যমণ্ডিত মহাভৈৰৱ দেৱালয় প্ৰাংগণত মূল্যৱান নাগচম্পা ফুলৰ পুলি ৰোপণ কৰা হয়। উল্লেখ্য যে আগন্তুক শিৱৰাত্ৰি উপলক্ষে মহাভৈৰৱ দেৱালয় চৌহদত সম্প্ৰতি কিছু উন্নয়নমূলক কাম অব্যাহত থকাৰ উপৰি সম্প্ৰতি এই দেৱালয়ৰ বিষয়ে প্ৰচাৰৰ উদ্দেশ্যে এটা ৱেবছাইটো মুকলি কৰা হৈছে। এনে অৱস্থাত ৰাজ্যত পূৰ্বে মাত্ৰ চাৰিজোপা আৰু পৰৱৰ্তী সময়ত তিনিজোপালৈ হ্ৰাস পোৱা দুস্প্ৰাপ্য নাগচম্পা গছৰ পুলি ৰোপণৰ বাবে তৎপৰতা গ্ৰহণ কৰে শোণিতপুৰৰ তদানীন্তন বন বিষয়া তথা বৰ্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱ কুমাৰ আৰু বন্যপ্ৰাণী তথা প্ৰকৃতি সংৰক্ষণৰে জড়িত সৌৰভ বৰকটকীয়ে। এই প্ৰচেষ্টাৰে অংশৰূপে শোণিতপুৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ আৰু ঐতিহ্যপূৰ্ণ স্থানৰ লগতে বিশ্বনাথতো এই নাগচম্পাৰ পুলি ৰোপণ কৰা হয়। সুগন্ধ, ঔষধি গুণ সম্পন্ন আৰু অলংকাৰ নিৰ্মাণত ব্যৱহাৰ হোৱা অতি মূল্যৱান এই গছৰ পুলি ইতিমধ্যে শোণিতপুৰতে ৩০ জোপাৰ অধিক ৰোপণ কৰা হয় আৰু প্ৰতিজোপা পুলিয়েই ইতিমধ্যেই বাঢ়ি অহা বুলি প্ৰকাশ কৰে বৰকটকীয়ে। আজি পুৱা ন বজাত শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে মহাভৈৰৱ মন্দিৰ চৌহদত মাংগলিক পৰিৱেশৰ মাজত নাগচম্পা পুলিটো ৰোপণ কৰে। প্ৰকৃতি নামৰ বন্যপ্ৰাণী তথা প্ৰকৃতি সুৰক্ষাৰে জড়িত একাংশ যুৱক যুৱতীয়ে গঢ় দিয়া সংস্থাটোৰ বহুসংখ্যক সদস্য-সদস্যাৰ লগতে ভক্তপ্ৰাণ লোকৰ উপস্থিতিত নাগচম্পা পুলিটো ৰোপণ কৰে উপায়ুক্ত দাসে। আনহাতে, মন্দিৰ প্ৰাংগণৰ লগতে বিভিন্ন স্থানত থকা বৃক্ষক বহু লোকে পূজা-অৰ্চনা কৰাৰ সময়ত ইয়াত গাখীৰ, চেনি তেল আদি ঢলা কাৰ্যই তেনে গছজোপাৰ ক্ষতি কৰে বুলি উল্লেখ কৰি বৰকটকীয়ে একোজোপা বৃক্ষৰ সংৰক্ষণ আৰু আপডালহে প্ৰকৃত পূজা বুলি মন্তব্য কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে বৰকটকীয়ে মহাভৈৰৱ মন্দিৰ চৌহদত এজোপা ৰুদ্ৰাক্ষ গছৰ পুলিও ৰোপণ কৰিছিল আৰু বৰ্তমান এই পুলিটোৰ শ্ৰীবৃদ্ধি ঘটিছে।








## নলবাৰী সাহিত্য সভাৰ ত্ৰৈলোক্য নাথ গোস্বামীৰ স্মৃতি দিৱস পালন

# সাহিত্যৰ পথাৰত ত্ৰৈলোক্যনাথ গোস্বামীৰ অৱদান অতুলনীয়




**বিশেষ সংবাদদাতা**
**নলবাৰী, ২২ ফেব্ৰুৱাৰী ঃ** 'অসমীয়া সাহিত্যত নন্দনতাত্বিক ত্ৰৈলোক্য নাথ গোস্বামী আজিও অমৰ হৈ আছে। সাহিত্য ৰচনাত গোস্বামীয়ে পাঠকক এক নতুন সোৱাদ দিবলৈ সক্ষম হৈছে। নিজৰ তীক্ষ্ণ বুদ্ধি আৰু কলমৰে গোস্বামীয়ে বহু সৃষ্টি ৰচনা কৰি গৈছে। সাহিত্যত ত্ৰৈলোক্য নাথ গোস্বামীৰ অৱদান অতুলনীয়।' এই মন্তব্য বিশিষ্ট শিক্ষাবিদ ৰমানাথ বৰুৱাৰ। নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত আজি বিয়লি অনুষ্ঠিত কৰা নন্দনতাত্বিক ত্ৰৈলোক্য নাথ গোস্বামী আৰু সাহিত্যৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱা স্মৃতি দিৱসত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শিক্ষাবিদ বৰুৱাই ত্ৰৈলোক্যনাথ গোস্বামীৰ সাহিত্য আৰু কৰ্মজীৱন সম্পৰ্কে গভীৰ আলোকপাত কৰে। শিক্ষকৰূপেতথা নলবাৰী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে গোস্বামী সফল আছিল বুলিও বৰুৱাই কয়। মহাবিদ্যালয়ত কোনোদিনে ৰাজনীতি কৰা নাছিল বুলি উল্লেখ কৰি অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰিবলৈ সক্ষম হৈছিল বুলিও তেওঁ কয়। উক্ত সভাতে সাহিত্যৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱাৰ সাহিত্য আৰু সমাজ জীৱনৰ স্মৃতি ৰোমন্থন কৰে। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনৰ উদ্দেশ্য বাখ্যা কৰে সম্পাদক পংকজ বেজবৰুৱাই । উক্ত সভাতে কবি কংকণ শৰ্মাৰ কাব্যপুথি 'এজাক বৰষুণৰ অপেক্ষাত' উন্মোচন কৰে কামৰূপ মহাবিদ্যালয় অধ্যক্ষ ড° দেৱেন্দ্ৰ কুমাৰ বেজবৰুৱাই। কাব্যপুথিখন উন্মোচন কৰি ড° বেজবৰুৱাই কবিতাই মানুহক আনন্দ দিয়ে আৰু জীয়াই থাকিবলৈ বহুত প্ৰেৰণা দিয়ে বুলি কয়।

সভাত উপস্থিত থাকি অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতাই নিজৰ ছাত্ৰ জীৱনৰ কথা সোঁৱৰণ কৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ত্ৰৈলোক্যনাথ গোস্বামীৰ সান্নিধ্যৰ কথা উল্লেখ কৰে। সভাৰ আৰম্ভণিতে জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্বাহ আলম আহমেদ আৰু নৰেশ্বৰ কলিতাৰ সহযোগিতাত ত্ৰৈলোক্যনাথ গোস্বামীৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে বৰক্ষেত্ৰী চৰ শাখা সাহিত্য সভাৰ সভাপতি চামচুল আলীয়ে আৰু সাহিত্যৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱাৰ প্ৰতিচ্ছবিত সাহিত্যসেৱক কৰ্ণধৰ বৰ্মনে বন্তি প্ৰজ্বলন কৰে। সভাখনত সাহিতসেৱী কবিতা ডেকা তালুকদাৰ , শেৱালী কাকতি, মনিকা দেৱী, আৰতী মিশ্ৰ, দিপালীমা দত্ত , মৃদুস্মিতা বৰুৱা মেধি, ক্ষীৰদা দাস, উপমা বৰ্মণ ডেকা, অঞ্জলি দত্ত, ছাহেৰা বেগম, চুনুমা বৈশ্য , পাপৰি চেতিয়া, মনীষা তালুকদাৰ, মনোৰঞ্জন শৰ্মা, কনক চন্দ্ৰ দত্ত , বিপুল কুমাৰ চক্ৰৱৰ্ত্তী, দিলীপ কুমাৰ ভট্টাচাৰ্য , নৱদ্বীপ বৰকাকতিকে ধৰি কে'বাগৰাকী সাহিত্যসেৱক উপস্থিত থাকে ।

# পাঁচ জুৱাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ২২ ফেব্ৰুৱাৰী ঃ** বৰপেটাৰোড থানাৰ আৰক্ষীৰ এটি দলে আজি বৰপেটাৰোডৰ বিলাসীপাৰাত অভিযান চলাই পাঁচজন জুৱাৰীক হাতে-লোটে গ্ৰেপ্তাৰ কৰে। ধৃত জুৱাৰীকেইজন হ'ল বিলাসীপাৰা গাঁৱৰ বিচু বেগৰ পুত্ৰ আজগৰ আলী (৩০), আব্দুল হকৰ পুত্ৰ মহাম্মল আলী (৩৫), তাইজুদ্দিনৰ পুত্ৰ হাফিজুল ৰহমান (২১), মইনুদ্দিনৰ পুত্ৰ ৰফিকুল ইছলাম (২৩) আৰু আব্দুল আজিজৰ পুত্ৰ গোলাপ ৰাব্বানি (৩৬)। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বিলাসীপাৰা অঞ্চলত জুৱাৰ আড্ডা চলাই অহা চক্ৰটোৱে আজিও অঞ্চলটোত জুৱা চলাই থাকোতে তেওঁলোকক গ্ৰেপ্তাৰ কৰে। এই অভিযানৰ সময়ত জুৱাৰীকেইজনৰ পৰা নগদ ২১,৬০০ টকা, পাঁচটা ম'বাইল আৰু জুৱাত ব্যৱহৃত সামগ্ৰী জব্দ কৰে।

# জুৰীয়াত চোৰাং গৰুসহ ছটা সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**জুৰীয়া, ২২ ফেব্ৰুৱাৰী ঃ** অপৰাধীৰ ৰম্যভূমিত পৰিণত জুৰীয়াৰ বৃহত্তৰ অঞ্চল। ড্ৰাগছকে ধৰি বিভিন্ন অপৰাধৰ সমান্তৰালকৈ এতিয়াও জুৰীয়াত অব্যাহত আছে চোৰাং গৰুৰ সৰবৰাহ। যোৱা নিশা জুৰীয়া থানাৰ আৰক্ষীয়ে চাৰিখনকৈ বাহনসহ জব্দ কৰে ২৬ টাকৈ গৰু। আৰক্ষীয়ে গৰুৰ চোৰাং সৰবৰাহত জড়িত ছয়জন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীকেইজন হ'ল মিৰজান আলী, আনোৱাৰ হুছেইন , উদয় হুছেইন ,মইজুল ইছলাম , শ্বহিদুল ইছলাম আৰু আবু কাছেম। ধৃত সৰবৰাহকাৰীকেইজনে ডুমডুমীয়াৰ পৰা জুৰীয়া হৈ ৰূপহীহাট অভিমুখে গৰুসমূহ গাড়ীৰে নি থকা অৱস্থাত কালিয়াডিঙাৰ সমীপত চোৰাং গৰুসহ গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। চোৰাং গৰু সৰবৰাহ কাণ্ডৰ স'তে জুৰীয়াৰ তথাকথিত কেঁবাজনো ভব্য-গব্য লোক জড়িত থকাৰ সন্দেহ কৰিছে ৰাইজে।






অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com